সত্যৰ অন্বেষণত

সাপ্তাহিক

# জনকল্যাণ বাৰ্তা

janakalyanbarta2023@gmail.com,bartajanakalyan2023@gmail.com ■ RNI ASSASS / 2023 / 87730

প্ৰথম বছৰ, সংখ্যা-৩২ , গুৱাহাটী, ২৮ ব'হাগ , ১৯৪৮ শক, ১২ মে', মঙলবাৰ ২০২৬, পৃষ্ঠা ১৬ মূল্য ১০.০০ টকা

VOL- 01, ISSUE- 32 ■ JANAKALYAN BARTA ■ Guwahati ■ 12 May, 2026 Total Page-16 Rs-10.00 Only

উক্তি...

"সৃষ্টিৰ বাবেহে জীৱন, প্ৰাপ্তিৰ বাবে নহয়"

— প্ৰবোধ



সম্পাদকীয়



## কংগ্ৰেছ এতিয়া মিঞাৰ দল !

কংগ্ৰেছৰ নীতিৰ কথা আজি ক'বলৈ নাযাওঁ। তেওঁলোকৰ গোপন নীতি সম্বন্ধেও আলোচনা কৰিব খোজা নাই। কিন্তু তেওঁলোকৰ ৰাজনীতি যে মিঞাৰ ওপৰতে বৰ্তি আছিল সেই কথা ২০২৬ৰ অসমৰ নিৰ্বাচনে স্পষ্টভাৱে উদঙাই দিলে। ১২৬জনীয়া অসম বিধানসভাত বিজেপি মিত্ৰজোঁটে ১০২খন আসন লাভ কৰাৰ বিপৰীতে কংগ্ৰেছে লাভ কৰে কেৱল ১৯খন আসন আৰু আশ্চয্যজনকভাৱে এই ১৯খন আসনৰ ১৮জনেই মুছলমান সম্প্ৰদায়ৰ। তাৎপয্যপূৰ্ণভাৱে ষষ্ঠদশ অসম বিধানসভালৈ কংগ্ৰেছে উজনি আৰু উত্তৰ অসমৰ পৰা কেৱল মাত্ৰ এজন হিন্দু বিধায়কহে নিৰ্বাচিত কৰি আনিবলৈ সক্ষম হৈছে আৰু তেওঁ হৈছে নাওবৈচা সমষ্টিৰ ডাঃ জয়প্ৰকাশ দাস।বিধানসভালৈ ১৮জন সংখ্যালঘু সম্প্ৰদায়ৰ প্ৰাৰ্থী জয়ী হোৱাক কেন্দ্ৰ কৰি শাসনাধিষ্ঠিত বিজেপি আৰু মিত্ৰদলে কংগ্ৰেছক মিঞাৰ দললৈ পয্যবসিত হোৱা বুলি কটাক্ষ কৰিছে।

এতিয়া অনাগত দিনত কংগ্ৰেছৰ এই বিধায়কসকলে এই বদনামৰ পৰা হাত সাৰিবলৈ কি পন্থা অৱলম্বন কৰে সেইটোহে লক্ষণীয় হ'ব।

## বিজেপিৰ বিধায়িনী দলৰ বৈঠকত সৰ্বসন্মতিক্ৰমে ড° হিমন্ত বিশ্ব শৰ্মা বিধায়িনী দলৰ নেতা হিচাপে নিৰ্বাচিত

# দ্বিতীয়বাৰৰ বাবে ১২ মে'ত মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব ড° শৰ্মাই

ইফালে দেওবাৰে বিজেপিৰ বিধায়িনী দলৰ বৈঠকত সৰ্বসন্মতিক্ৰমে ড° হিমন্ত বিশ্ব শৰ্মাক বিধায়িনী দলৰ নেতা হিচাপে নিৰ্বাচিত কৰা হয়। এই সন্দৰ্ভত ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই কয়— 'শপত গ্ৰহণ অনুষ্ঠানৰ বাবে ইতিমধ্যে সাজু হৈছে। ১২ মে'ত মুখ্যমন্ত্ৰীৰ শপতগ্ৰহণ অনুষ্ঠানত মুখ্য অতিথি হিচাপে ■ ১৪ পৃষ্ঠাত



**জনকল্যাণ বাৰ্তাৰ সেৱা ঃ** এটা বিশেষ দিনৰ বাবে এতিয়া অসমবাসীয়ে অপেক্ষা কৰিছে। সেই দিনটো হৈছে ১২ মে', মঙলবাৰ। সেই দিনটোতেই অসমত তৃতীয়বাৰৰ বাবে বিজেপি নেতৃত্বাধীন এনডিএ চৰকাৰে শপত গ্ৰহণ কৰিব। একেদৰে ১২ মে'ৰ দিনৰ ১১ বজাত দ্বিতীয়বাৰৰ বাবে মুখ্যমন্ত্ৰী হিচাপে শপত ল'ব ড° হিমন্ত বিশ্ব শৰ্মাই। ইয়াৰ বাবে সাজু কৰা হৈছে খানাপাৰ ফিল্ড।

# স্বাধীনতাৰ পিছত বংগত মুখ্যমন্ত্ৰী পদত প্ৰথমগৰাকী বিজেপি নেতা

### মোদী-শ্বাহৰ উপস্থিতিত মুখ্যমন্ত্ৰী হিচাপে শপত ল'লে শুভেন্দু অধিকাৰীয়ে ঃ শপতগ্ৰহণ অনুষ্ঠানত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাকে ধৰি ২০খন বিজেপিশাসিত ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ



**জনকল্যাণ বাৰ্তাৰ সেৱা ঃ** পশ্চিমবংগবাসী আৰু বিজেপিৰ বাবে ৯ মে'ৰ দিনটো এক ঐতিহাসিক দিন হিচাপে পৰিগণিত হৈছে। কাৰণ স্বাধীনতাৰ পিছত বংগত মুখ্যমন্ত্ৰী পদত অধিষ্ঠিত হৈছে প্ৰথমগৰাকী বিজেপি নেতা। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত শনিবাৰে বংগৰ মুখ্যমন্ত্ৰী হিচাপে শপত ল'লে শুভেন্দু অধিকাৰীয়ে। সকলো জল্পনা-কল্পনাৰ অন্ত পৰিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু বিজেপিশাসিত ৰাজ্যৰ বহুকেইজন মুখ্যমন্ত্ৰীৰ ■ ১৫ পৃষ্ঠাত

# বিশ্বৰ বাবে নতুন বিপদ হান্টাভাইৰাছ

## কেইবাজনো নাবিকৰ মৃত্যু, সতৰ্ক হৈছে ভাৰতকে ধৰি বহু দেশ



**জনকল্যাণ বাৰ্তাৰ সেৱা ঃ** বিশ্বৰ বাবে আহিছে এক নতুন বিপদ। বিলাসী ক্ৰুজ জাহাজ 'এম ভি হোণ্ডিয়াছ'ত শেহতীয়াকৈ সেই বিপদে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। দেওবাৰৰ পৰা আফ্ৰিকাৰ কেপ ভাৰ্ডে উপকূলৰ সমীপত সাগৰৰ মাজত আবদ্ধ হৈ থকা জাহাজখন অৱশেষত বুধবাৰে স্পেইনৰ টেনেৰিফলৈ ৰাওনা হয়।হান্টাভাইৰাছে থিতাপি লয় জাহাজখনত। ১ এপ্ৰিলত আৰ্জেণ্টিনাৰ দক্ষিণ প্ৰান্তৰ পৰা যাত্ৰা আৰম্ভ কৰা ক্ৰুজ জাহাজখনত প্ৰায় ১৫০ জন যাত্ৰী আছিল, কিন্তু মাজপথতে আক্ৰমণ চলালে ■ ১৪ পৃষ্ঠাত

## প্ৰথম কলম

# সোমনাথৰ পৰা সিন্দূৰলৈ পুনৰুত্থানশীল ভাৰতৰ মনোভাৱ

■ পীয়ূষ গোৱেল

৭৫ বছৰ পূৰ্বে মহিমামণ্ডিত সোমনাথ মন্দিৰৰ পুনৰ নিৰ্মাণ আৰু প্ৰাণ প্ৰতিষ্ঠা ভাৰতৰ সভ্যতাকেন্দ্ৰিক গৌৰৱ পুনৰুদ্ধাৰৰ এক সংজ্ঞায়িত মুহূৰ্ত আছিল। ইয়াত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'বিকশিত ভাৰত ২০৪৭' অভিযানৰ আধাৰ, ■ ১৫ পৃষ্ঠাত

# পাঁচ বিশিষ্ট সাহিত্যিকলৈ ২০২৫ বৰ্ষৰ 'অসম সাহিত্য সভাৰ সভাপতিৰ বিশেষ সাহিত্য সন্মান'



ড° পুষ্প গগৈ



দেৱীপ্ৰসাদ বাগ্ৰ'দিয়া



উপেন্দ্ৰ বৰকটকী



জিতুমণি বৰা



নোমল মাহাত্তা

**জনকল্যাণ বাৰ্তাৰ সেৱা ঃ** ৰাজ্যখনৰ পাঁচগৰাকী বিশিষ্ট সাহিত্যিকলৈ আগবঢ়োৱা হৈছে ২০২৫ কাৰ্য বৰ্ষৰ অসম সাহিত্য সভাৰ সভাপতিৰ বিশেষ সাহিত্য সন্মান। ১৬ মে'ত গুৱাহাটীৰ ভগৱতীপ্ৰসাদ বৰুৱা ■ ১৪ পৃষ্ঠাত

# নাৰী শক্তি বন্দন অধিনিয়ম ঃ এক অৱলোকন

মন্থন



■ প্ৰবোধ চন্দ্ৰ মিশ্ৰ

ভাৰতীয় সমাজ ব্যৱস্থাটো পুৰুষতান্ত্ৰিক মতবাদত বিশ্বাসী যদিও মহিলাক সন্মান জনোৱাত ভাৰতীয় পুৰুষে কেতিয়াও কাৰ্পণ্য কৰা নাই আৰু নকৰে বুলিও আমাৰ বিশ্বাস আছে। অৱশ্যে ইয়াৰ মাজতে এচাম নৰ পিশাচৰ দ্বাৰা নাৰী লাঞ্ছিত হোৱাৰ লগতে ধৰ্ষিতাও হৈছে। কিন্তু সেইসকলক মানুহৰ শাৰীত থিয় কৰাব নোৱাৰি।

সনাতনী সংস্কৃতিত নাৰীক দেৱীৰ ৰূপত পূজা কৰা হয়। আনহাতে, পুৰুষতান্ত্ৰিক সমাজত নাৰীৰ স্থান ভিন্ন। নাৰী কেতিয়াবা মাতৃ, কেতিয়াবা ভগ্নী, কেতিয়াবা প্ৰেমিকা কেতিয়াবা পত্নী ইত্যাদি।

মধ্যযুগীয় বৈষ্ণৱ কবি চণ্ডীদাসৰ ৰামীৰ সৈতে অহৈতুকী প্ৰেমৰ দৰে সম্বন্ধ এটি গা কৰি উঠাৰ পিছত তেওঁ ৰামীৰ দৰে ধুবুনী এগৰাকীক 'বেদমাতা গায়ত্ৰী'ৰ আসনত বহুৱাই নাৰীৰ প্ৰতি যি সন্মান প্ৰদৰ্শন কৰিছে

সেয়া পুৰুষ জাতিটোৰ বাবেই আদৰ্শ হিচাপে বিবেচিত হৈ ৰ'ব। বিয়েট্ৰিছৰ প্ৰেমত পৰিয়েই ডাণ্টেই ডিভাইন কমেডীৰ নিচিনা অমূল্য গ্ৰন্থ লিখি উলিয়াইছিল। নাৰীয়ে সমাজ গঢ়ে। সেয়ে হয়তো নেপোলিয়নে কৈছিল মোক এগৰাকী ভাল মাতৃ দিয়া, মই এটা ভাল জাতি উপহাৰ দিম।

নাৰীৰ নাভিতে সৃষ্টি হয় পুৰুষৰ। গতিকে সেই পুৰুষেই যদি নাৰীক বিভিন্ন ধৰণে অত্যাচাৰ কৰে বা বিভিন্ন ক্ষেত্ৰত বঞ্চিত কৰে তেন্তে সেয়া অতিকৈ দুৰ্ভাগ্যজনক। অৱশ্যে নাৰী-পুৰুষৰ স্বীকৃত সম্বন্ধসমূহত নিজৰ নিজৰ কৰ্তব্য আৰু দায়িত্বক দোহাই দি কৰ্মসমূহ কৰি যোৱাত বঞ্চিতৰ কথাটো আহি নপৰে। আমি এই নিবন্ধটোত পৰিয়ালকেন্দ্ৰিক ব্যক্তিগত জীৱনৰ

■ ১৪ পৃষ্ঠাত


# ম’হঘুলি চাপৰিৰ ফাটবিহু

■ প্ৰশান্ত কুমাৰ বড়া



ঢকুৱাখনাৰ ফাটবিহুলৈ সঘনাই যোৱাৰ সৌভাগ্য ঘটিছিল ২০১২ চনৰ পৰা। দেউতা ডাক বিভাগৰ চাকৰি সংক্ৰান্তত বদলি হৈছিল ঢকুৱাখনা উপ ডাকঘৰ কাৰ্যালয়লৈ। সেই হেতুকে প্ৰতিবছৰে ঢকুৱাখনাৰ ম’হঘুলি চাপৰিত হোৱা ‘ফাট বিহু’ তিনিও দিনেই উপভোগ কৰিছিলোঁ। সু-শোভিত তোৰণ, মঞ্চ, ৰভাথলী আৰু বেলকনিযুক্ত কাৰ্যালয়। সেউজ বন গছ গছনিৰে ভৰা চাৰিকড়ীয়া নৈৰ পাৰৰ ম’হঘুলি চাপৰি জাতীয় সাজ পাৰ পৰিধান কৰা মানুহেৰে ওখল মাখল হৈ পৰে। মূল মঞ্চৰ পৰা নিৰ্দিষ্ট দুৰত্বত অস্থায়ী কিছু বিপনীত পৰিৱেশন কৰা হৈছিল খাদ্যসামগ্ৰী, গ্ৰন্থ আৰু খেলা ধূলাৰ সামগ্ৰী। ম’হঘুলি চাপৰিৰ ওখ চাপৰ ভূমি খণ্ডত থকা সৰু বৰ গছবোৰৰ এজোপা গছ লৈ টকা বিহু দল এটাই বিহু মাৰি আছে। আকৰ্ষণীয় গীত নাচত ওচৰ নাচাপি নোৱাৰিলোঁ তেওঁলোকৰ। জয়মতীৰ গীতৰ পৰা কনকলতাৰ গীতলৈকে পুৰণি অসমৰ জাত নামবোৰ মিঠা সুৰ লগাই গোৱা গীতবোৰ ঢকুৱাখনাত যে যত্নপালিত হৈ আছে সেই কথাৰ উমান পালোঁ। তাতোকৈ ভাল লাগিল জীয়ৰী বোৱাৰীসকলে হিয়া ঢালি উৎফুল্লিত মনেৰে সেইবোৰ পৰিৱেশন কৰা দেখি। বিভিন্ন বয়সৰ মানুহৰ লগতে শ শ যুৱকৰ আহ-যাহ চলিছে ম’হঘুলি চাপৰিলৈ। আটাইতকৈ ভাল লগা কথা হ’ল যে কাৰো মুখত নাই কোনো উচ্চবাক্য নাই, কোনো বিজতৰীয়া শব্দ নাই, নিচাজাতীয় দ্ৰব্যৰ গোন্ধ নাই । যুৱ সমাজত এই সু শৃংখলিত জীৱন অতিকে দুষ্প্ৰাপ্য হৈ পৰাৰ সময়ত ঢকুৱাখনা আদৰ্শ হৈ ৰ’ব। কৰ্পোৰেট বিভিন্ন কোম্পানীৰ সাজ পোছাকে চানি ধৰা অসমৰ পৰিৱেশত কিন্তু ঢকুৱাখনাৰ শিপিনীয়ে নিজহাতে বোৱা মুগা সূতাৰ বৰ্ণময় ৰঙীন পোছাকে ঢকুৱাখনাৰ বাহিৰৰ কোনো মানুহক মুগ্ধ নকৰাকৈ থকা নাই। খুব সুন্দৰ পৰিৱেশ গঢ়ি তোলে ঢকুৱাখনাবাসী ৰাইজে। এই ফাটবিহুথলীত কেৱল ধুতি পাঞ্জাৱী, মেখেলা চাদৰ পিন্ধা মুনিহ তিৰোতা গাভৰু দেখিও আমি অসমীয়া হিচাবে গৌৰৱ অনুভৱ হয়। ‘ফাটবিহু’ৰ ঐতিহ্য বহনকাৰী গীত মাত, ঢোলৰ ছেও চাপৰ সাজপাৰ আদিৰ উপৰি বিহুৰ অতীত পৰম্পৰা আৰু বৈশিষ্ট্য ৰক্ষা কৰিব পাৰিলেহে ফাটবিহু যোগেদি অসমীয়া সংস্কৃতিৰ প্ৰকৃত ৰূপ ৰক্ষা পৰিব। স্বৰ্গদেউ চুহুংমুঙৰ দিনত ১৬ শতিকাৰ আৰম্ভনিতে চুতীয়াসকলক পৰাস্ত কৰি ‘হাবুং’ আহোমৰ অধীনলৈ অনা হৈছিল আৰু এই অঞ্চলৰ শাসনবোৰ শদিয়াখোৱা গোহাঁইৰ হাতত দিয়া হৈছিল। এইজনা স্বৰ্গদেৱে সৰ্বপ্ৰথমে বেপাৰ বাণিজ্য আৰু কৰ কাটল সংগ্ৰহৰ সুচলাৰ্থে চকি, হাট, ঘাট আৰু ফাট আদিৰ প্ৰচলন কৰিছিল সেই হেতুকে ‘ফাট’ৰ সমীপত কৰা বিহুখন ‘ফাটবিহু’ বুলি জনাজাত হৈছিল । অৱশ্যে বুৰঞ্জী পাতত এই সম্পৰ্কে বিশদ বিৱৰণ পাবলৈ নাই যদিও ফাটবিহুৰ বিষয়ে বহু অভিজ্ঞ ব্যক্তিৰ পত্ৰ, লিখনি আদিত বিভিন্ন তথ্য প্ৰকাশ পাইছে। ফাটবিহুৰ উৎপত্তি ইয়াৰ বিকাশ আৰু প্ৰসাৰক লৈ যিয়েই আলোচনা গৱেষণা আদি নহওক লাগে ফাটবিহু ঢকুৱাখনাৰ এক স্বকীয় বৈশিষ্ট্যলৈ ৰূপান্তৰিত হৈছে। ঢকুৱাখনা জনগণে ফাটবিহুক হিয়াৰ মাজত আকোঁৱালি লোৱাই নহয় ফাটবিহুৰ মাজেৰে সম্প্ৰীতিৰ এনাজৰীডাল অধিক মজবুত কৰি তুলিবলৈ সক্ষম হৈছে। ঢকুৱাখানাৰ ফাটবিহুৱে আজিও বিহুৰ সকলো ঐতিহ্য পৰম্পৰা ধৰি ৰখাই নহয় সেইবোৰৰ ৰক্ষণাবেক্ষণ আৰু লালনপালন কৰি আহিছে। যিটো কেৱল ঢকুৱাখনাবাসীৰ বাবেই নহয় সমগ্ৰ জাতিটোৰ বাবেই গৌৰৱৰ বিষয়। ডেৰশ দুশ বছৰ ধৰি ঢকুৱাখনাত জনজাতীয় আৰু অজনজাতীয় মানুহৰ মাজত ‘ফাটবিহু’ক কেন্দ্ৰ কৰি যি সদ্ভাৱ আৰু সম্প্ৰীতিৰ পৰিৱেশ ৰচিত হৈছে সেয়া চিৰদিন অটুট থাকক।

# ঐতিহ্যৰ সমীকৰণেৰে ফাটবিহুৰ পৰম্পৰা




■ ড° নৱ কুমাৰ চমুৱা

ঐতিহ্য আৰু পৰম্পৰাৰ মাজত পাৰস্পৰিক সম্পৰ্কৰ লগতে প্ৰভেদো যথেষ্ট আছে। ঐতিহ্যই সদায়েই ইতিহাসক আৱৰি ৰাখে। যি জাতিয়ে ঐতিহ্য হেৰুৱাইছে, সেই জাতিৰ অস্তিত্ব নাথাকে। মাটিৰ ঐতিহ্যৰ সৈতে জাতিৰ শিপা ছিঙি গ’লে সেই জাতি জাতি হৈ নাথাকে, সেই মাটি মাটি হৈ নাথাকে। বৃহত্তৰ অসমীয়া জাতিৰো শিপা-বিচ্ছিন্ন হ’বৰ উপক্ৰম হৈছে। বৰ্হিদেশীয় মানুহৰ অবাধ আগমণ আৰু মাত-কথা-সভ্যতাই অসমীয়াৰ অস্তিত্বক বিপন্ন কৰি তুলিছে। অসম আৰু অসমীয়াৰ সামগ্ৰিক কৰ্ম-সংস্কৃতিয়েই বিপথে পৰিচালিত হৈছে। এনে এক সময়তে আজি ৰাজ্যৰ দশোদিশ ব্যাপি সৰ্বত্ৰ ঘোষিত হৈছে অস্তিত্ব ৰক্ষাৰ সংগ্ৰাম।

ৰাজনৈতিক সংগ্ৰামে ৰাজ্যৰ অস্থিৰতা সাময়িক উপশম ঘটালেও চিৰদিনৰ বাবে ই কেতিয়াও সমাধান হ’ব পৰা বিষয় নহয়। এটা সাংস্কৃতিক আন্দোলনেহে জাতি একোটাৰ অস্তিত্বক প্ৰতিপন্ন কৰিব পাৰিব। সাংস্কৃতিক আন্দোলনৰ অৰ্থ কেৱল শোভাযাত্ৰা বা সাংস্কৃতিক সন্ধিয়াবোৰ মুঠেও নহয়। আমাৰ মাত-কথা, চিন্তাধাৰা, শিক্ষা-ধৰ্ম, আচাৰ-ব্যৱহাৰ, কৃষ্টি-সৃষ্টি এই সকলোবোৰেই সাংস্কৃতিক আন্দোলনৰ ভিতৰুৱা। জ্যোতিপ্ৰসাদে সাংস্কৃতিক আন্দোলন একোটাৰে কেৱল পৰাধীনতাৰ বিৰুদ্ধে যুঁজ দিয়াৰ সমান্তৰালভাৱে অসমীয়া মানুহৰ সামাজিক, নৈতিক, মানৱীয় প্ৰমূল্যহীনতাৰ বিৰুদ্ধেও যুঁজিছিল। সাম্প্ৰতিক সময়ত অসমত এটা সাংস্কৃতিক জাগৰণৰ প্ৰাসংগিকতাক একাষৰীয়াকৈ থৈ বিহু আৰু ফাটবিহুৰ ঐতিহ্যৰ নতুন দৃষ্টি এটাৰ সন্ধান কৰিবলৈ যত্ন কৰা হৈছে।

বিহু ক্ৰমান্বয়ে ৰবিহলৈ ৰূপান্তৰ হৈছে। ইয়াৰ স্বকীয়তা আৰু অস্তিত্ব ৰক্ষাৰ নামত সংঘটিত হৈ থকা কাৰুকাৰ্যই সাধাৰণ মানুহৰ মনত বিতৃষ্ণাৰ সৃষ্টি কৰিছে। চান্দা, বাট ভেটা কাল্‌ছাৰ, চিনেমাৰ নায়িকাক আনি শোভাযাত্ৰাৰ নামত বহুৱালি কৰা, ৰাতি-বিয়লিলৈকে শিল্পী নামধাৰীসকলৰ অট্টসংগীতে বিহুৰ জাতীয়ত্ব গোন্ধটো যে কোন কাহানিবাই চূড়মাৰ কৰিলে। কিন্তু অসমৰ জনমানসত ‘ফাটবিহু’ৰ এটা সুকীয়া পৰিচয় আছে। ঐতিহ্যই গঢ়া ফাটবিহুৰ এই স্বকীয়ত্ব আজিৰ সময়তো অপৰিৱৰ্তিত হৈ আছেনে?

আহোম শব্দ ‘ফাট’ৰ অৰ্থ হ’ল নদীৰ কাষত বিভিন্ন ঠাইৰ বেপাৰী আহি গোটখোৱা - কৰ সংগ্ৰহৰ ঠাই। ইম্পেৰিয়েল গেজেটৰ মতানুসৰি সপ্তদশ শতাব্দীত আহোম ৰজাসকলে অসমত কাকো প্ৰবেশ কৰিবলৈ নিদিছিল আৰু অসমৰ পৰা বাহিৰলৈও যাবলৈ নিদিছিল। বছৰৰ মূৰত মাত্ৰ এবাৰ গুৱাহাটীত বিনিময়ৰ বজাৰ বহিছিল। মাত্ৰ এদল মানুহে সোণ, গান্ধ-কলাই, অগৰু, পিপলী আৰু ৰেছম কাপোৰ সলাই লোণ, যৱক্ষাৰ, গন্ধক আৰু অন্যান্য সামগ্ৰী আনিছিল। এইখিনি সময়তে কিন্তু ফাটবিহু এক মনোৰম প্ৰাকৃতিক পৰিৱেশৰ মাজত চাৰিওকাষৰ জাতি-জনগোষ্ঠীৰ লগত বাণিজ্যিক আদান-প্ৰদানৰ মাজেৰে অনুষ্ঠিত হৈ আছিল। চুবুৰীয়া পাহাৰীয়া ৰাজ্যৰ পৰাও বণিজৰ বাবে বিভিন্ন লোক আহি চাৰিকড়ীয়াৰ পানী ফাটত সমবেত হৈছিলহি। ৰাজ বিষয়াই কৰ-কাটল সংগ্ৰহৰ বাবেও আহি ইয়াতেই ধন আৰু মনৰ টোপোলা নোদোকা কৰিছিল। গাভৰু বৰাই নাচনী খুজিছিলগৈ গাঁৱৰ গৃহস্থৰ ঘৰে ঘৰে। ৰাইজে বিহু জুপিবলৈ এৰি মন ঢালি ‘পানী ফাট’ৰ বিহুত যোগ দিছিল। আহোম ৰাজত্বৰ বৈদেশিক নীতিও অষ্টাদশ শতিকাৰ শেহৰ পৰা সলনি হৈ আহিবলৈ ধৰে। এই বাণিজ্য-নীতি পূৰ্বৰ এদল ব্যক্তিৰ ঠাইত দুজন বিশেষ ব্যক্তিৰ হাতত ন্যস্ত হ’বলৈ ধৰে। তেওঁলোকে গোৱালপাৰাৰ হাদিৰাত বাণিজ্য সম্পাদন কৰিছিল। এই ব্যৱস্থা কিন্তু ত্ৰুটিমুক্ত নাছিল। অৱশ্যে আহোম ৰাজ্যৰ ভিতৰত আৰু তিনিও ফালৰ পাহাৰীয়া জাতিবিলাকৰ মাজত বেপাৰ-বাণিজ্য চলিছিল। তেনে হাট বা বজাৰসমূহ আছিল--ফুকনৰ হাট (উত্তৰ লখিমপুৰ), কছাৰী ফাট আৰু নগা ফাট (উপৰ দৈয়াং), কলৰ ফাট (কাজিৰঙা), খিটলুৰ ফাট (কাকদোঙা, ইয়াত কৰ সংগ্ৰহৰ বাবে এটা নিৰ্দিষ্ট ঘৰেই নিৰ্মাণ কৰি লোৱা হৈছিল); নাজিৰা ফাট (নাজিৰা); হলাৰ ফাট (দিফলু); মাছৰ ফাট আৰু চকী ফাট (যোৰহাট) আদি। তদুপৰি দিখৌৰ পাৰৰ ফাটত কেৱল পাণৰ বজাৰ বহিছিল। মাধৱদেৱেও হাবুঙত পাণ-তামোলৰ বেপাৰ কৰিছিল। সেইসূত্ৰে চাৰিকড়ীয়াৰ পাৰৰ পানী ফাটত তেওঁ বেপাৰ কৰাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

পাহাৰ-ভৈয়ামৰ বেপাৰ-বণিজ তথা বিনিময় নীতি আৰু ৰজাঘৰীয়া কৰতোলা ব্যৱস্থাৰ উত্তম নজিৰ এই হাটসমূহ। এতিয়ালৈকে যিমানবোৰ হাট বা ফাটৰ উল্লেখ কৰা হৈছে, সেই সকলোবোৰৰ ভিতৰত মাত্ৰ দুখন হাটেহে ইয়াৰ পৰম্পৰা অক্ষুন্ন ৰাখিছে। ইয়াৰে এখন জোনবিল মেলা (মৰিগাঁও) আৰু আনখন ফাটবিহু (লখিমপুৰ)। এই দুয়ো ঠাইৰে ঐতিহ্য পুৰণি, কিন্তু সময়ৰ খেও ধৰি পৰম্পৰা অব্যাহত আছে।

আমাৰ ঐতিহ্যসমূহক প্ৰাণময়, উদ্দীপ্ত আৰু বিশ্বজনীন কৰি তুলিবলৈ হ’লে পৰ্যটনৰ সৈতে সাঙুৰি ল’বই লাগিব। প্ৰাচীন হাবুং অঞ্চলটো যে বিভিন্ন দৃষ্টিকোণৰ পৰা পৰ্যটনৰ কেন্দ্ৰবিন্দু হ’ব পাৰে তাত কোনো দ্বিমত নাই। আমাৰ সাংস্কৃতিক পৰ্যটনৰ অংশ হিচাপে ফাটবিহুৱে পূৰ্ণ মৰ্যদা পোৱাৰ সম্ভাৱনা আছে। সেয়েহে ঐতিহ্যৰ পৰা ফাটবিহুৱে কিছু কিছু অংশত পৰম্পৰা বিচ্ছিন্ন হ’লে ইয়াক ঐতিহাসিক বিহু বুলিব নোৱাৰিম। বহুতেই প্ৰশ্ন উত্থাপন কৰিব পাৰে যে, সময়ৰ লগত মিলাই ফাটবিহুৱে আগ নাবাঢ়িব নেকি? লোককৃষ্টি মানেই পৰিৱৰ্তনশীল। গতিকে ফাটবিহুলৈ পৰিৱৰ্তন নাহিব নেকি?

পৰম্পৰা পৰিৱৰ্তনশীল। ঐতিহ্য কেতিয়াও পৰিৱৰ্তনীয় নহয়। গতিকে ফাটবিহুৰ ঐতিহ্যৰ আধাৰত আমি এটা ‘কাল্‌ছাৰেল একুৰিয়াম’ নিৰ্মাণ কৰিব পাৰিব লাগিব। বিশ্বৰ বিভিন্ন প্ৰান্তৰৰ পথিকে ইয়াৰ তাৎপৰ্য তেহে অনুধাৱন কৰিব পাৰিব। পৰ্যটনৰ কেন্দ্ৰবিন্দু হিচাপে গঢ়ি তুলিবলৈ কলা-কৃষ্টি-সংস্কৃতি আৰু বাণিজ্যও সুষম মাত্ৰাত অন্তৰ্ভুক্ত কৰিব পাৰিব লাগিব।

আমাৰ পৰম্পৰাই সদায়ে আমাক পৰৰ ওপৰত নিৰ্ভৰশীল হ’বলৈ সুযোগ দি আহিছে। ফাটবিহুৰ পৰম্পৰালৈ তেনে উপাদান আহিছে নেকি? সামন্ত সমাজ ব্যৱস্থাৰ পৰা পুঁজিবাদী মেৰপেচত কিমান গভীৰলৈকে ফাট বিহুৰ ফাট্ মেলিছে? ফাটবিহুৰ ঐতিহ্যক বিকৃত কৰিব পৰা ৰঘুমলা শিপাইছে নেকি ম’হঘুলি চাপৰিত? ম’হঘুলিৰ উন্মুক্ত বাকৰিত মুক্ত পৰম্পৰাৰে ফাট বিহুৰ ঐতিহ্য আগবঢ়াই নিবলৈ হ’লে একোটা বদ্ধমূল ধাৰণা ঠিক কৰিবই লাগিব। সেই ধাৰণাক পোষণ কৰিবলৈ গৱেষণাৰ প্ৰয়োজন এতিয়াও যথেষ্ট আছে। গতিকে শোভাযাত্ৰা, মঞ্চবিহুৰ প্ৰতিযোগিতা, ফুলজাৰি মৰা বক্তৃতাপূৰ্ণ সভা--এইবোৰৰ আওঁতাৰ পৰা আঁতৰি ফাটবিহুক নতুন এটা সমীকৰণেৰে উন্মোচিত কৰিবৰ সময় হৈছে। বিহু চাবলৈ যোৱা মানুহৰ মাজতো ‘টুৰিষ্ট’ৰ টুপি জিলিকিলে; বিদেশী অনুষ্ঠানে ফাটবিহুৰ গৱেষণাৰ বাবে ম’হঘুলিত ৰাতি কটালে--আমি ভাবিম আমাৰ চাৰিকড়ীয়া পাৰৰ ঐতিহ্যই বিশ্বমুখী প্ৰাৱস্থা একোটাৰ সন্ধান পাইছে।

বিশ্বায়নৰ অস্থিৰ আজিৰ সময়খিনিত আমাৰ অস্তিত্বক বহুমাত্ৰিকতা প্ৰদান কৰিবলৈ পৰ্যটনৰ দৰে দিশবোৰক আদৰি ল’বই লাগিব। সংস্কৃতিৰ নামত গোঁৱাৰ আৰু ঐতিহ্যৰ নামত ৰক্ষণশীল মনোভাবেৰে কোনো সত্ত্বাকে বিশ্বজনীন ৰূপ দিব নোৱাৰি। সুপৰিকল্পিত নীতি আৰু প্ৰকল্পনাৰে ফাট বিহুৰ নিৰ্মিতিত আমি মনোনিৱেশ কৰিব লাগিব। তাতেই ফাটবিহুৰ ভৱিষ্যত, ঢকুৱাখনা বা ম’হঘুলিৰো ভৱিষ্যত।

# অসমীয়াৰ অস্তিত্বৰ বাহক ফাটবিহু

■ মাইনী মহন্ত




ফাটবিহু বাকৰি বহুলোকৰ ত্যাগ আৰু সাধনাৰ প্ৰতীক স্বৰূপ। সেই চিৰপূজ্য লোকসকলৰ কষ্ট, ত্যাগৰ বলতেই আজি আমি এই পবিত্ৰ ক্ষণত থিয় দিব পাৰিছো। বিগত সময়ছোৱাত আমাৰ মাজৰ পৰা আঁতৰি যোৱা নিঃস্বাৰ্থ সেৱকসকলক এই মাহেন্দ্ৰ ক্ষণত শ্ৰদ্ধাৰে সোঁৱৰণ কৰি প্ৰণিপাত জনাইছোঁ।

বিশ্ব বৰেণ্য কণ্ঠশিল্পী, অসমীয়া জাতিৰ হিয়াৰ আমঠু, ভাৰত ৰত্ন ড° ভূপেন হাজৰিকাই এসময়ত তেওঁৰ সুধাকণ্ঠৰে নিগৰাই ছিল— ‘বিহুটি বছৰি আহিবা/অসমী আইকে জগাবা।/ বিপদৰ কালটো মাহ হালধিৰে, /জাতিটোৰ দেহ মন ধোৱাবা।’

হিয়াৰ আমঠু ফাটবিহু ঢকুৱাখনাবাসীৰ স্বাভিমান। ঐতিহ্যমণ্ডিত ফাটবিহু হৈছে— এই বৃহত্তৰ অঞ্চলত বসবাস কৰা সকলো জাতি-জনগোষ্ঠীৰে মাজত গঢ় লৈ উঠা এক সুদৃঢ় ঐক্যৰ বান্ধোন। অসমৰ প্ৰতিটো জাতি-জনগোষ্ঠীয়ে নিজস্ব আচাৰ-অনুষ্ঠানৰ মাজেৰে পালন কৰি অহা এই বিহুৱে মিলনৰ ঐক্যতান গঢ়ি তুলিছে।

‘ফাটবিহু’ উৎপত্তি সম্পৰ্কে বহুটো লোকে জনশ্ৰুতি আৰু কল্পনামিশ্ৰিত তথ্য প্ৰকাশ কৰি আহিছে। এই বিহু ঢকুৱাখনাত কেতিয়াৰে পৰা অনুষ্ঠিত হৈছিল তাৰ সঠিক তথ্য পোৱা নাযায়। আমাৰ ইয়াত বসবাস কৰা লোকসকলে কৃষিক জীৱিকা হিচাবে অৱলম্বন কৰি মাটিৰ উৰ্বৰতা বৃদ্ধি আৰু শস্য উৎপাদনৰ কামনাৰে নৃত্যগীত আয়োজন কৰা সময়ৰ পৰাই ৰং ৰহস্যৰ উৎসৱ প্ৰচলন হয়। কৃষিকাৰ্যক কেন্দ্ৰ কৰি কৃষিজীৱী লোকসকলৰ বিশ্বাসৰ ভেটিত গঢ় লৈ উঠা বিহু অঞ্চল বিশেষে ভৌগলিক পৰিৱেশ আৰু ভিন্ন জনগোষ্ঠীৰ মাজত কিছু ভিন্নতা থাকিলেও সময়ৰ কোৱাল সোঁতত অসমীয়া বৃহত্তৰ সমাজৰ ৰীতি-নীতি, গীত-মাত, আচাৰ-ব্যৱহাৰ বিশেষকৈ সংস্কৃতিক দিশত বিহুক ইমান আন্তৰিকতাৰে পালন কৰা দেখা যায় ধৰ্মীয় বিভেদৰ পৰিসীমাকো নেওচি বিহুৱে সময়ৰ এনাজৰীৰে সকলোকে বান্ধি ৰাখিবলৈ সক্ষম হৈছে।

প্ৰকৃতিৰ চিৰন্তন সত্যক মানি প্ৰকৃতিৰ কোলাতে পালিত হৈ বিহু আহি মঞ্চ পালেহি। বৰ্তমান সময়ত বিহু উৎসৱসমূহত আধুনিকতাৰ প্ৰভাব পৰিছে যদিও ‘ফাটবিহু’ৰ অনুষ্ঠানসমূহ কৃত্ৰিমতা বৰ্জিত অনুষ্ঠান হিচাবে পৰিগণিত হৈ আছে। ফাটবিহুৰ কথা মনলৈ আহিলে কৃষিজীৱী মানুহৰ জীৱনধাৰাৰ এখন নিভাজ ছবি মনৰ মাজত প্ৰতিফলিত হয়। গাত মুগা ৰিহা মেখেলা পিন্ধি, খোপাত কপৌফুল গুজি কঁকাল ভাঙি নাচি থকা নাচনীজনী লগতে মূৰত বিহুৱান মাৰি ম’হৰ শিঙৰ পেঁপাটি বজোৱা আৰু কান্ধত ঢোলটি লৈ বিহু গীতত ৰগৰ তোলা বিহুৱা ডেকা-গাভৰুৱে বিহুমৰা এখন সৰল চিত্ৰ প্ৰতিজন অসমীয়াৰ হৃদয়ত ভাঁহি উঠে। ফাটবিহুৰ দৰে বৰ্ণাঢ্য বাৰেৰহনীয়া, হৃদয় জুৰুৱা লোক সংস্কৃতি কেৱল ভাৰততেই নহয় বিশ্বতেই অতি বিৰল। কাৰণ বিহুত এনে কিছুমান অমূল্য মূল্যবোধ নিহিত হৈ আছে যি অন্য প্ৰায়বোৰ উৎসৱ পাৰ্বনতে পাবলৈ নাই। ধৰ্মনিৰপেক্ষতাই হৈছে আমাৰ এই ফাটবিহুৰ প্ৰধান ঐশ্বৰ্য। বিহুত কোনো ধৰণৰ বাচ-বিচাৰ নাই, জাত-পাত, ভাষা-ধৰ্ম, সম্প্ৰদায় একোৰে বিভেদ নাই। আনকি বিহুত বয়সেও হাৰ নামানে। ইয়াত সকলোৱে মুকলি মনেৰে অংশ গ্ৰহণ কৰিব পাৰে। সেইবাবেই ফাটবিহু আমাৰ জাতীয় উৎসৱ, গৌৰৱ, ঐক্য শান্তি-সম্প্ৰীতিৰ তথা সমন্বয়ৰ সোণালী সাকোঁ। আজি আমাৰ এখনেই মঞ্চ মাথো, য’ত আমি ধৰ্ম গোষ্ঠীদ্বন্দৰ অশান্ত সংঘাটৰ পৰা আঁতৰি আটায়ে সমস্বৰে গাব পাৰো একতা আৰু সমন্বয়ৰ নতুন গান।

গতিকে এই বিহুটিক শুদ্ধ আকাৰত জীয়াই ৰখাটো আমাৰ প্ৰতিজন অসমীয়াৰে কৰ্তব্য। বসন্তকালীন আমাৰ এই উৎসৱসমূহৰ জৰিয়তে ঐক্য সংহতিৰ দোল ডাল অটুত থাকক চিৰকাললৈ। চাৰিকড়ীয়া পাৰৰ এইখন শস্যশ্যামলা চিৰসেউজীয়া বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি এই ফাটবিহু বাকৰি বোঁৱতী ধাৰা অনন্তকাললৈ যেন অক্ষত থাকে তাৰেই কামনা কৰিলোঁ।



# অসমীয়া জাতীয় সংস্কৃতিৰ একক আৰু অনন্য উৎসৱ

■ মনোৰঞ্জন দাস

অসমৰ অন্যতম শৈক্ষিক নগৰী ঢকুৱাখনাৰ প্ৰাণৰ উৎসৱ ফাটবিহু অসমীয়া লোক-সংস্কৃতিৰ হৃদস্পন্দন। ঢকুৱাখনাৰ জীৱন ৰেখা চাৰিকৰীয়া নদীৰ পাৰৰ মহ’ঘুলি চাপৰিত অনুষ্ঠিত হোৱা ফাট বিহু এক অতি প্ৰাচীন আৰু ঐতিহ্যবাহী লোক উৎসৱ। আহোম ৰাজত্ব কালৰ পৰা চলি অহা এই উৎসৱে অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত সমন্বয়ৰ সেতু গঢ়ি পৰম্পৰাগত স্বকীয় ঐতিহ্য অটুট ৰাখি বিহুৰ নিভাঁজ ৰূপ প্ৰদৰ্শন কৰি আহিছে। এই নিভাঁজ ৰূপ, জাতীয় সাজ-পাৰ, পৰম্পৰাৰ সমাহাৰ ফাট বিহুৰ অনন্য আকৰ্ষণ আৰু গৌৰৱৰ কাৰণ।

গছ তলৰ পথাৰৰ বিহু আহোম ৰাজত্বৰ কালত ৰংঘৰ বাকৰি হৈ মঞ্চত প্ৰবেশ কৰা দিনৰে পৰা অসমৰ জাতীয় উৎসৱ হিচাপে স্বীকৃতি লাভ কৰিলে। ব্ৰিটিছৰ আমোলত এচাম তথাকথিত অভিজাত শ্ৰেণীৰ চক্ৰান্তৰ বলি হৈ নিষেধাজ্ঞাৰ সন্মুখীন হৈছিল। সেই নিষেধাজ্ঞাক প্ৰত্যাহ্বান জনাই ব্ৰিটিছ বিষয়াৰ আগত বিহু নাম গাই নাচি বিহুৰ সামাজিক মৰ্যাদা ঘূৰাই আনিবলৈ সক্ষম হৈছিল। কালক্ৰমত বিহু আজি অসমীয়াৰ স্বাভিমানৰ প্ৰতিক হৈ জাতীয় উৎসৱ হিচাপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হয়। আহোম ৰাজত্বকালত পৃষ্ঠপোষকতা লাভ কৰা বিহুৱে বৰ্তমান সময়ত অসম চৰকাৰৰ পৃষ্ঠপোষকতাত বিশ্ব দৰবাৰত সোণালী আখৰৰে খোদিত কৰিবলৈ সক্ষম হ’ল।

ব’হাগ বিহুৰ প্ৰথম দিন গৰু বিহুৰ দিনাৰে পৰা অসমৰ বিহু মঞ্চৰ লগতে অসমৰ বাহিৰত থকা প্ৰতিখন অসমীয়া সমাজে এই ৰঙালী বিহু মহা আড়ম্বপূৰ্ণভাৱে পালন কৰে। অঞ্চল ভিত্তিক আঞ্চলিক বিহু সন্মিলন, কেন্দ্ৰীয় ৰঙালী উৎসৱ, বিহু আদৰণি, বহাগী মেলানী, পচোৱা, কেতেকী, বৰদৈচিলা আদি নামেৰে এদিন-দুদিনৰ পৰা পাঁচ দিনীয়াকৈ ৰঙালী বিহুৰ উৎসৱ পালন কৰা দেখা যায়। এই সকলো ৰঙালী বিহুৰ উৎসৱত উদ্‌যাপন সমিতি সমূহে বিভিন্ন ধৰণৰ প্ৰতিযোগিতা আয়োজন কৰে। বিশেষ আকৰ্ষণীয় তথা সৰ্বজন প্ৰিয় বিহুৱতী প্ৰতিযোগিতা মৌকুঁৱৰী, সৰু বিহুৱতী, বিহু কুঁৱৰী, বিহু ৰাণী, বিহু সম্ৰাজ্ঞী আদি নামকৰণে বৃহৎ উপহাৰৰ লগতে নগদ ধন পুৰস্কাৰ হিচাপে আগবঢ়ায়। এনে প্ৰতিযোগিতাই কেতিয়াবা মৌলিকতা হেৰুৱাই সমালোচিত হোৱাও দেখা যায়। বিহু উদ্‌যাপন কৰাকেইদিন অতি পৰিপাতিকৈ পৰম্পৰা ৰক্ষা কৰি জাতীয় সাজপাৰ পৰিধান কৰি অসমীয়া সংস্কৃতিৰ ঐতিহ্য ৰক্ষা কৰি আহিছে।

বিহু উদ্‌যাপন সমিতিৰ বিষয়ববীয়া সকলে স্বইচ্ছাই নিজৰ সংস্কৃতিৰ বাহক জাতীয় সাজপাৰ পৰিধান কৰি নিজকে স্বাভিমানী অসমীয়াৰ পৰিচয় বহন কৰে। অৱশ্যে কেতিয়াবা অসচেতনতাৰ পৰিচয় দি বিহু মঞ্চত সাধাৰণ অমাৰ্জিত তথা শালীনতাহীন পোছাক দৃষ্টিকটুভাৱে পৰিধান কৰাও দেখা যায়। এনে পোছাকে বিহু মঞ্চখনৰ লগতে জাতীয় সংস্কৃতিৰ গৰিমা ম্লান কৰা পৰিলক্ষিত হয়। এইলৈ উদ্‌যাপন সমতিসমূহ যিমান সচেতন হ’ব লাগে তাৰ বিপৰীতে তাত সহযোগিতা কৰাহে পৰিলক্ষিত হয়। তাতোকৈ দৃষ্টিকটু হয় তথা বিহুৰ ঐতিহ্যত আঘাত লাগে যেতিয়া সাংস্কৃতিক সন্ধ্যাসমূহত সংস্কৃতিৰ ৰক্ষা নামত গীতেৰে মঞ্চ জীপাল কৰিবলৈ গান গাবলৈ নিমন্ত্ৰিত শিল্পী নামধাৰী গায়ক-গায়িকা সকলে জিঞ্চপেন্ট, ক’লা- বগা, ৰঙা ভমকা ফুলীয়া অদ্ভূত বেশভূষাৰে মঞ্চত গীত পৰিৱেশন কৰে। এই ক্ষেত্ৰ গায়িকা সকলে অৱশ্যে সম্পূৰ্ণ মাৰ্জিত জাতীয় সাজ পৰিধান কৰি গীত পৰিৱেশন কৰে। এটা কথা বুজি নাপাও উদ্‌যাপন সমিতিয়ে কিয় গায়ক সকলৰ বাবে জাতীয় সাজপাৰ পৰিধান কৰাটো বাধ্যতামূলক কৰিব নোৱাৰে ? একেদৰে গায়ক সকলেও বিহু মঞ্চৰ দৰে সাংস্কৃতিক ঐতিহ্য বহন কৰা এখন মঞ্চত জাতীয় সাজপাৰ পৰিধান কৰি গীত পৰিৱেশন কৰাত কি অসুবিধা? তেওঁলোকৰ সাংস্কৃতিক মনটোৱে বাৰু এবাৰো এনে অমাৰ্জিত সাজ পৰিধান কৰি গীত পৰিৱেশন কৰিবলৈ কুণ্ঠাবোধ নকৰে। সাংস্কৃতিক সন্ধ্যা নামৰ বিহু মঞ্চ এখনত এনে অপসংস্কৃতিমূলক সাজপাৰ দেখি আমি লজ্জিত অনুভৱ কৰোঁ।

এনে অপসংস্কৃতিমূলক সাজ-পাৰৰ ক্ষেত্ৰত অৱশ্যে ঢকুৱাখনাৰ প্ৰাণৰ উৎসৱ ফাটবিহু উদ্‌যাপন সমিতি অতি সচেতন আৰু কঠোৰ। এই সচেতনতা আৰু কঠোৰ নীতিৰ বাবেই সমগ্ৰ অসমৰ বিহু মঞ্চৰ তুলনাত ফাটবিহু একক আৰু অনন্য। অসমীয়া সংস্কৃতিৰ ক্ষেত্ৰত এনে সদা সচেতন নীতিৰ বাবেই ফাটবিহু অসমীয়া জাতীয় সংস্কৃতিৰ আকৰ আৰু ঐতিহ্যবাহী ৰঙালী বিহুৰ মঞ্চ। অসমীয়া জাতীয় সাজ-পাৰ পৰিধান নকৰাকৈ কোনো লোকেই মঞ্চটো দূৰৰে কথা বিহু অনুষ্ঠিত কৰা বাকৰিতো প্ৰৱেশ নিষিদ্ধ। আমন্ত্ৰিত অতিথি, বিশিষ্ট অতিথি সকলোৱেই জাতীয় সাজ-পাৰ পৰিধান কৰাতো বাধ্যতামূলক। মঞ্চত উপস্থিত সকলোৱেই জাতীয় সাজ-পাৰ পৰিধান কৰা বাধ্যতামূলক কৰাৰ ওপৰিও ফাটবিহু দৰ্শন কৰিবলৈ যোৱা প্ৰতিজন দৰ্শকৰ বাবেও জাতীয় সাজ-পাৰ পৰিধান কৰাটো একান্ত বাধ্যতামূলক। জাতি-বৰ্ণ নিৰ্বিশেষে সকলোৱেই এই নিয়ম মানি চলি ফাটবিহুৰ ঐতিহ্য ৰক্ষা কৰি আহিছে। ফাটবিহুত উপস্থিত লক্ষাধিক দৰ্শকে অতি নীতি শৃঙ্খলাৰ মাজেৰে আজি বছৰ-বছৰ ধৰি বিহু উপভোগ কৰি আহিছে।

ফাটবিহুৰ এনে জাতীয় ভাবাপন্ন নীতি-শৃঙ্খলা অসমৰ অনান্য ৰঙালী বিহু উৎসৱ উদ্‌যাপন সমিতসমূহৰ বাবে প্ৰেৰণাদায়ক আৰু অনুকৰণীয় হোৱা উচিত। কাৰণ এখন বিহুৰ মঞ্চত তথা বিহু বাকৰিত উপস্থিত থাকি নিজকে এজন স্বাভিমানী অসমীয়া হিচাপে যাতে গৌৰৱান্বিত হোৱাৰ সুযোগ লাভ কৰোঁ।

# ফাটবিহু—বিহু সংস্কৃতিৰ এক ব্যতিক্ৰমী ঐতিহ্য

■ অশ্বিনী কলিতা

বিহু অসমীয়া মহাজাতিৰ অন্যতম এটি সাংস্কৃতিক উত্তৰাধিকাৰ। পৃথিৱীৰ প্ৰায়বোৰ জনগোষ্ঠীৰ মাজতেই বসন্তকালীন শইচৰ উৎসৱৰ প্ৰচলন আছে। অসমৰ বিহুও কৃষিভিত্তিক বসন্তকালীন উৎসৱ বোৰৰে সগোত্ৰীয় যদিও ব্যাপ্তি, বিস্তৃতি, নমনীয়তা, নান্দনিকতা, ৰূপভেদ, আঞ্চলিক বৈচিত্ৰ্য, বিৱৰ্তন আৰু ৰূপান্তৰৰ ধাৰা, সামাজিক উপযোগিতা, বিহুগীতৰ সাহিত্যিক আৰু সাংগীতিক মূল্য- ইত্যাদি স্থিতিমাপৰ (Parameters) প্ৰেক্ষিতত বিহু স্বকীয় বৈশিষ্ট্যৰে সমৃদ্ধ। কৃষি- সভ্যতাৰ বিকাশ আৰু বিস্তাৰৰ কোনটো স্তৰত আৰু বৰ অসমৰ কোনটো জনগোষ্ঠীয়ে বিহুৰ দৰে কেঁচা মাটিৰ গোন্ধেৰে সংপৃক্ত আৰু জন-জীৱনৰ হৃদয়তন্ত্ৰীক উচাহ- উলাহেৰে আলোড়িত কৰিবলৈ সক্ষম হোৱা অনিন্দ্যকান্তি সংস্কৃতি বিধৰ জন্ম দিছিল , সেই কথা থিৰাংকৈ কোৱা টান। অসমৰ প্ৰায়বোৰ জনগোষ্ঠীৰেই বিহুৰ সগোত্ৰীয় পৰম্পৰাগত কৃষিভিত্তিক লোক উৎসৱ আছে। বড়ো সকলৰ 'বৈছাগু', ৰাভা সকলৰ 'বাইখো', দেউৰী- চুতীয়া, সোণোৱালৰ 'বিচু' , তিৱা সকলৰ 'পিচু', কোচ-ৰাজবংশীৰ 'বিছুৱা', ত্ৰিপুৰী সকলৰ 'বুইছু', ডিমাছা সকলৰ 'বুষু ডিমা', টাই ভাষাৰ 'পয়হু'- এই উৎসৱবাচক শব্দবোৰ বিহু শব্দৰ তেনেই ওচৰ চপা। একাধিক গৱেষকে বিহুক অসমৰ বিভিন্ন খিলঞ্জীয়া জনগোষ্ঠীৰ এই উৎসৱবাচক শব্দবোৰৰেই অপভ্ৰংশিত ৰূপ বুলি মত পোষণ কৰিছে। অৰ্থগত দিশৰ লগতে ঐতিহাসিক তথ্যৰ ওপৰত ভিত্তি কৰি কিছু কিছু গৱেষকে দাবী কৰে যে বিহু সংস্কৃতিৰ জন্ম হৈছে দেউৰী- চুতীয়াৰ 'বিচু' ৰ পৰা।

বিহু সংস্কৃতিৰ ব্যুৎপত্তিগত মূলাধাৰ যিয়েইনহওক, বাস্তৱিকতে বিহু যে অসমীয়া জাতিৰ প্ৰাণ-প্ৰদীপক জ্যোতিৰ্ময় কৰি ৰখা এক অনিৰ্বচনীয় সাংস্কৃতিক উপাদান, সেইকথা তৰ্কাতীত ভাৱে সত্য। লোক সংগীতৰ সমীক্ষক, গণশিল্পী হেমাংগ বিশ্বাসে তেখেতৰ 'অসমৰ জাতীয় উৎসৱ বিহু' শীৰ্ষক লেখাত অসমীয়া সংস্কৃতিৰ উপৰিসৌধ বিহুগীতৰ সাহিত্যিক আৰু সাংগীতিক ভেটিৰ ওপৰত থিয় দি থকা বুলি উল্লেখ কৰি অসমীয়াত্বৰ সৈতে বিহুৰ ঘন সন্নিৱদ্ধতাকেই সূচীত কৰিছে।

বিৱৰ্তমান যাত্ৰাপথেৰে বহু যোজন বাট বুলি বিহু সংস্কৃতিয়ে ঠায়ে ঠায়ে আৰু জনগোষ্ঠী ভেদে কিছু পৃথক সত্তাৰ আঞ্চলিক চৰিত্ৰও আৰ্জন কৰিছে। কাকপথাৰ, ডুমডুমা আদি ঠাইত মৰাণ জনগোষ্ঠীয়ে চ'তৰ শেষৰ ফালে বাঁহ, কাঠ, নৰা, টকৌপাত আদিৰে দুকোঠালীয়াকৈ বিহুঘৰ সাজি উদযাপন কৰা 'ৰাতি বিহু' বিহু সংস্কৃতিৰ জনগোষ্ঠীয় আঞ্চলিক চৰিত্ৰৰ এটি উদাহৰণ। বৃহত্তৰ ঢকুৱাখনা অঞ্চলত ব'হাগ মাহৰ তৃতীয় সপ্তাহত উদযাপন কৰা শতাব্দী প্ৰাচীন ফাটবিহুও বিহু সংস্কৃতিৰ এটি অনন্য ব্যতিক্ৰমী অভিযোজন।

তাহানিৰ বৃহত্তৰ হাবুঙৰ অন্তৰ্গত কড়া, চাৰিকড়ীয়া আৰু একড়ীয়া নৈৰ বিস্তৃত উপত্যকাক সামৰি এটি নৈ-পৰীয়া ক্ষুদ্ৰ ভূখণ্ডৰ নাম ঢকুৱাখনা। একালত এই ভূখণ্ডই আছিল অবিভক্ত লক্ষীমপুৰ জিলাৰ সদৰ। একালৰ চুতীয়া- কছাৰী,ভূঞা- কায়স্থ ৰজাৰ অন্তৰ্গত হাবুং শেষলৈ আহোম ৰাজ্যৰ অন্তৰ্গত হৈছিল। নৌ-পথেৰে চৌপাশৰ পৰা সুচল হোৱা বাবে ঢকুৱাখনা ভূখণ্ডই ৰজাদিনীয়া কালত বিশেষ গুৰুত্ব লাভ কৰিছিল।

চাৰিকড়ীয়া নৈৰ ঘাটতেই অৱস্থিত আছিল আহোম ৰজাৰ কৰ-কাটল সংগ্ৰহৰ অভিকেন্দ্ৰ, টাই-আহোম ভাষাত যাক কোৱা হয় ফাট বুলি। হেমকোষ অভিধানত ফাটৰ ইংৰাজী সংজ্ঞা দিয়া হৈছে এইদৰে— 'A place where traders assemble for trade and for payment of duty'। কালক্ৰমত চাৰিকড়ীয়া নৈৰ পাৰৰ সেই ৰজাদিনীয়া ফাটৰ কাষৰতেই ৰজাদিনীয়া হাট এখনিও বহিছিল। এইখনি হাটলৈ হেনো পাহাৰৰ লোক সকলে মিচিমি তিতা, আদা, কচু, গন্ধকলাই, জাংফাই ইত্যাদি সম্ভাৰেৰে বজাৰ বেহাবলৈ আহি বিনিময়ত ধান-চাউল, এৰীয়া সূতা-কাপোৰ ইত্যাদি সলাই নিছিল। বুৰঞ্জীয়ে ঢুকি নোপোৱা সময়ৰ কোনো এটি ব'হাগত ঢকুৱাখনাৰ চাৰিকড়ীয়াৰ পাৰৰ 'ফাট'টিতো অঞ্চলবাসীয়ে সূচনা কৰিছিল ঐক্য —সংহতি, ৰং-ৰহইচেৰে বিহু মৰাৰ এক শুভংকৰ পৰম্পৰাৰ।




ঢকুৱাখনাৰ ফাটবিহুৰ উৎপত্তি সন্দৰ্ভত লিখিত ৰূপত বিশেষ ঐতিহাসিক সমল পাবলৈ নাই যদিও ব্যতিক্ৰমী বিহু আনুষ্ঠানটি ৰজাদিনীয়া ফাটত অনুষ্ঠিত হোৱা বাবেই যে ফাটবিহু বুলি কোৱা হৈছিল, সেই কথা বহুকেইজন গৱেষকে ইতিমধ্যে যুক্তি-তথ্যৰে প্ৰতিপন্ন কৰিছে। অৱশ্যে ফাটবিহুৰ উৎপত্তি সন্দৰ্ভত দুই —এক গৱেষকে কিছু ভিন্নমত পোষণ কৰাও পৰিলক্ষিত হয়।

ৰজাঘৰীয়া পৃষ্ঠপোষকতাত ৰংপুৰৰ বাকৰিত বিহুৰে নতুন গতি পোৱাৰ লেখীয়কৈ ফাটবিহুৰ সূচনা ফাটৰ কৰ সংগ্ৰহৰ দায়িত্বত থকা সামন্ততান্ত্ৰিক ডা- ডাঙৰীয়াৰ উৎসাহ- উদ্দীপনাৰ ফলত নে সামন্ত বিষয়াক বিহুৰ সন্মান যাচিবলৈ বিহুবলীয়া ৰাইজৰ স্বতঃস্ফূৰ্ত সহাঁৰিৰ ফলশ্ৰুতি, সেয়া স্পষ্টকৈ জনা নাযায় । গৱেষক ডিম্বেশ্বৰ গগৈয়ে তেখেতৰ 'ফাটবিহু আৰু অন্যান্য ৰচনা' শীৰ্ষক গ্ৰন্থত আহোমৰ শেষজনা ৰজা পুৰন্দৰ সিংহৰ ৰাজ বিষয়াই ফাটবিহুৰ বাকৰিত বিহুৱা ৰাইজক সন্মান যচা আৰু ৰাইজেও তেওঁক সাদৰ —সম্বৰ্ধনা যচাৰ কথা আগৰ পীৰিৰ ঢকুৱাখনীয়াৰ অতীত গৌৰৱ গাঁথাৰ এটি স্মৃতি কাতৰ অভিজ্ঞান বুলি উল্লেখ কৰিছে।

আগৰ কালত ব'হাগ বিহুৰ সাদিন গৰকাৰ পাছত চাৰিকড়ীয়াৰ ফাটত অঞ্চলবাসীৰ হেঁপাহৰ ফাটবিহু উদযাপন হ'ব বুলি মৌখিক জাননী ইখন গাঁৱৰ পৰা সিখন গাঁৱলৈ বিয়পি পৰিছিল আৰু হিল-দল ভাঙি ৰজাদিনীয়া ফাটৰ ওচৰৰ ম'হঘুলি চাপৰিত সমৱেত হৈ সুশোভন প্ৰকৃতিৰ বিনন্দীয়া পৰিৱেশত মিচিং, আহোম, চুতীয়া, কৈৱৰ্ত আদি সম্প্ৰদায়ে স্বকীয় শৈলীৰে বিহু মাৰিছিল।

বিভিন্ন সমাজ-ৰাজনৈতিক ঘটনা- পৰিঘটনাৰ পাকচক্ৰত ফাটবিহুৰ ধাৰাবাহিকতা মাজে মাজে ব্যহত হৈছে যদিও চিতাভস্মৰ পৰা পুনৰ জী উঠা ফিনিক্স পক্ষীৰ দৰে ফাটবিহু উদযাপনৰ পৰম্পৰা ব্যাহত সময়ৰ বিষাদক কাতি কৰি পুণৰ প্ৰাণোচ্ছল হৈ অদ্যপি চলমান হৈ আছে। বৰ্তমানে ফাটবিহু উদযাপন সমিতিয়ে ব'হাগ মাহৰ শেষৰটো দেওবাৰৰ পৰা তিনিদিনীয়াকৈ ঢকুৱাখনাৰ সাংস্কৃতিক স্বাভিমানৰ অনবদ্য দ্যোতক 'ফাটবিহু' উদযাপন কৰে। ঢকুৱাখনাৰ ফাটবিহু তাৰ স্বকীয় ৰূপ আৰু শৈলীৰ অনন্য মাত্ৰাৰে সমৃদ্ধ। বৰ্তমান ৩৭ বিঘা মাটিকালিত সুশোভন বনানি গঢ়ি ফাটবিহুৰ থলীক উদ্‌যাপন সমিতিয়ে স্থায়ী ৰূপ দিছে। উল্লেখ্য যে এই বনানীৰ এটি অংশত পদ্ধতিগতভাৱে ৰোপণ কৰা হৈছে মুগা পলুৰ খাদ্যবৃক্ষ —চোম গছ। মুগা পলু পালন ঢকুৱাখনীয়া কৃষক ৰাইজৰ অন্য এক কৃষি ঐতিহ্য। ফাটবিহুৰ থলীত মুগাৰ খাদ্যবৃক্ষৰ লগতে অইন অইন বৃক্ষ ৰোপণ কৰি আয়োজক সমিতিয়ে প্ৰকৃতি সুৰক্ষাৰ নিদৰ্শন দাঙি ধৰিছে । আয়োজক সমিতিৰ প্ৰতিগৰাকী কৰ্মকৰ্তাই বিহুৰ দিনকেইটিত জাতীয় সাজ-পাৰ বাধ্যতামূলক হিচাপে পৰিধান কৰে আৰু ৰাইজকো তেনে কৰিবলৈ অনুৰোধ জনায়। মুকলি সভালৈ আমন্ত্ৰিত অতিথি- অভ্যাগতই জাতীয় সাজ-পাৰেৰে সালংকৃত হৈহে সভাত অংশগ্ৰহণ কৰে। আয়োজক সমিতিয়ে অসমীয়া জলপান, পিঠা-পনাৰে অতিথি-অভ্যাগতক শুশ্ৰূষা কৰে। মঞ্চৰ ব্যৱহাৰ নথকাৰ লগতে গায়ক- গায়িকাক আমন্ত্ৰণ জনাই সংগীত সন্ধিয়াৰ আয়োজন নকৰাটোও ফাটবিহুৰ এক ব্যতিক্ৰমী ঐতিহ্য।

ফাটবিহু অনুষ্ঠিত হোৱা দিন কেইটিত সমগ্ৰ বিহুতলীখনি হৈ পৰে বৈচিত্ৰ্যময় অসমৰ এটি ক্ষুদ্ৰ তাণ্ডৱণ স্বৰূপ। বিহু সংস্কৃতিৰ বৈচিত্ৰ্যময় নৃত্যৰূপ- জেং বিহু, টকা বিহু, হুঁচৰি আদিৰ বিনন্দীয়া পৰিৱেশনৰ লগতে বৃহত্তৰ অঞ্চলটিৰ জন-গাঁথনিৰ অংশ — মিচিং, দেউৰী,চুতীয়া, কোঁচ, আহোম, কৈৱৰ্ত, নেপালী, সোণোৱাল কছাৰী আদি জনগোষ্ঠীৰ স্বকীয় কৃষ্টি-সংস্কৃতিৰ মৰ্যাদাপূৰ্ণ উপস্থাপনে ফাটবিহুৰ সমগ্ৰ অনুষ্ঠানটোক লোক সাংস্কৃতিক সমাৰোহৰ অন্য এক মিলনক্ষেত্ৰলৈ ৰূপান্তৰিত কৰে। ফাটবিহুৰ উদ্‌যাপনে সুদৃঢ় কৰে বৃহত্তৰ ঢকুৱাখনীয়া অঞ্চলবাসী ৰাইজৰ ঐক্য সংহতি। সামাজিক সমন্বয়ৰ সোণসেৰীয়া দৰ্শনৰ মাজতেই নিহিত হৈ আছে ফাটবিহু উদযাপনৰ সামাজিক উপযোগিতাৰ মৰ্মকথা। এই দৃষ্টিকোণেৰে ফাটবিহুক অসমীয়া জাতি গঠনৰ এটি ক্ষুদ্ৰ কমাৰশালি বুলিও ক'ব পৰা যায়। চৌপাশে ক্ৰমবৰ্দ্ধিত সাংস্কৃতিক অৱক্ষয়ৰ স্পষ্ট ছবিখনে দুচকুত ভিৰ কৰা আজিৰ দুঃসময়তো লোকসংস্কৃতিৰ প্ৰাচুৰ্যক্ষেত্ৰ ঢকুৱাখনাৰ ফাটবিহুৱে বিহুৰ স্বকীয় ধৰ্মনিৰপেক্ষ চৰিত্ৰ অক্ষুণ্ণ ৰাখি অব্যাহত ৰাখিছে এক ব্যতিক্ৰমী যাত্ৰা। এই যাত্ৰা অব্যাহত থাকিলে ভৱিষ্যতৰ ইতিহাসত ফাটবিহু পৰিগণিত হ'ব থলুৱা লোক সংস্কৃতিৰ সংৰক্ষণ আৰু সংবৰ্দ্ধনৰ অন্য এক ঐতিহ্যক্ষেত্ৰ হিচাবে। সাংস্কৃতিক আগ্ৰাসনৰ ধামখুমীয়াই জনগণৰ কৃষ্টি-সংস্কৃতিলৈ ভাবুকি কঢ়িয়াই অনা এই দুঃস্থ সময়ত সাংস্কৃতিক স্বাভিমানৰ প্ৰোজ্জ্বল প্ৰতীতিৰূপে অবিৰত বোঁৱতী হৈ থাকক ফাটবিহুৰ শুভংকৰ পৰম্পৰা।

# জীৱন যিমানেই অভাৱগ্ৰস্ত নহওক কিয় ?

■ চন্দ্ৰ শেখৰ পৰাজুলী


আমাৰ জীৱনত বহু কিবাকিবি পাবলৈ বহু কিবাকিবি কৰিবলৈ সকলোবোৰ মানুহৰে মনত বহুতো হাবিয়াস থাকে। কিন্তু সকলোবোৰ মানুহৰে সপোনবোৰ সাৰ্থক ৰূপ ল'বলৈ কেতিয়াও সম্ভৱপৰ নহয়। কাৰণ ব্যক্তিগত পৰিস্থিতি অনুযায়ী কিছুমান চিন্তাধাৰাৰ মাজত পাৰ্থক্য দেখা যায়। ইয়াৰ ফলস্বৰূপে সমবয়সীয়া আৰু একেলগে বাঢ়ি যোৱা মানুহৰ মাজতো একে ধৰণৰ সপোনবোৰ সাৰ্থক ৰূপ লোৱাত পাৰ্থক্য আহি পৰাটো একেবাৰে নিশ্চিত। কোনোবা মানুহক টকা এশ পাবলৈ যিমান সংঘৰ্ষ কৰিবলগীয়া হয়। হয়তো তাৰে অন্য এজন মানুহে এহাজাৰ টকাও অতি সহজেই উপাৰ্জন কৰিবলৈ সক্ষম হ'ব পাৰে। নিজ নিজ জীৱনৰ পৰিস্থিতি অনুযায়ী চিন্তাধাৰাৰ মাজত অন্তৰ অহাটো একেবাৰে স্বাভাৱিক আৰু অতি সামান্যতম কথা। কিয়নো এইটোৱে জীৱনৰ আচল মাদকতা। তথাপি যিমানেই আমাৰ পৰিস্থিতিৰ মাজত অন্তৰ আহি নপৰক কিয় ? আমি প্ৰায় প্ৰত্যেকজন মানুহৰে চিন্তাধাৰা মাজত এক সামঞ্জস্য স্থাপন হোৱাও পৰিলক্ষিত হয়। অৰ্থাৎ আমাৰ অতীততে লিখি থৈ যোৱা ধৰ্ম গ্ৰন্থসমূহৰ পৰা আদি কৰি বৰ্তমান সময়ত প্ৰয়োগত অহা আইন প্ৰণালী অনুসৰি ইয়াৰ উপৰি প্ৰত্যেকজন ব্যক্তিয়ে জীৱন নিৰ্বাহৰ একো একোটা ভাল আৰু বেয়া কৰ্মবোৰৰ মাজত অন্তৰ কৰিবলৈ সক্ষম হৈছোঁ। এতিয়া কথা হ'ল সুন্দৰভাৱে জীৱন পৰিচালনা কৰি লৈ যাবলৈ আমি প্ৰত্যেকজন মানুহকে এতিয়াৰ সময়ত একমাত্ৰ টকা-পইচাৰ সকলোকে দৰকাৰ হয় নহয়নে? তেন্তে বহু টকাৰ প্ৰলোভন দি একেবাৰে দাৰিদ্ৰ্য সীমাৰেখাৰ তলত থকা মানুহসমূহৰ পৰা কিছুমান পুঁজিবাদী মানুহে যি মন যায় তাকে কৰিবলৈ বাধ্য কৰিব পাৰিব নেকি ? উদাহৰণ স্বৰূপে এজন দিন হাজিৰা কৰা মানুহ এজনক আমি ধৰি লওঁ পঞ্চাছ হাজাৰ মানৰ টকাৰ প্ৰলোভন দি একেবাৰে বেয়া কৰ্ম বা আইনবিৰোধী কৰ্ম কৰাৰ বাবে উৎসাহিত কৰিব পাৰিম নেকি ?

আচলতে হ'ব পাৰে ব্যক্তিগত পৰিস্থিতি অনুযায়ী চিন্তাধাৰাৰ মাজত কিছুমান পাৰ্থক্য দেখা যায়। কিন্তু মই আগতে উল্লেখ কৰিছোঁ যে, আমি প্ৰত্যেকজন মানুহৰে চিন্তাধাৰাৰ মাজত এক সামঞ্জস্য থাকে। এই সামঞ্জস্য অনুসৰি আমি এজন আন এজন মানুহৰ লগত পৃথক হ'লেও সকলোবোৰ মানুহে ভাল, বেয়া দিশসমূহক ভালদৰে বুজি পাওঁ। আচলতে দিন হাজিৰা কৰা বা একেবাৰে দৰিদ্ৰ পৰিলায়ৰ লোকসকলে কেৱল টকা উপাৰ্জনৰ বাবে বেয়া বা আইনবিৰোধী কৰ্মত লিপ্ত কৰিবলৈ সক্ষম হোৱাহেঁতেন আজি আমাৰ সমাজখনৰ মানচিত্ৰয়ে বেয়া দিশলৈ গতি কৰিলেহেঁতেন। গতিকে কাৰোবাৰ জীৱনত কেৱল বহু টকা উপাৰ্জন কৰায়ে একমাত্ৰ লক্ষ্য হয় তেন্তে তেওঁ যিকোনো মাধ্যমেৰে টকা সংগ্ৰহৰ প্ৰতি নিজকে নিয়োজিত কৰিব পাৰে। কিন্তু সকলোবোৰ মানুহৰ মনত কেৱল কু-সংস্কাৰ, কু-মানসিকতা গঢ় লৈ নাথাকে। যিসমূহ মানুহে বৰ্তমান সময়ৰ মানৱ অধিকাৰ, নিজ দেশৰ অস্তিত্ব, ধৰ্ম, সম্প্ৰদায়ৰ মহত্ত্ব, নিজ জন্ম গ্ৰহণৰ উদ্দেশ্যে বা লক্ষ্য ভালদৰে উপলব্ধি কৰিবলৈ সক্ষম হয়। তেনে ধৰণৰ ব্যক্তিসকলৰ জীৱন যিমানেই অভাৱগ্ৰস্ত নহওক কিয় ? তথাপি তেনে ধৰণৰ ব্যক্তিসকলে সৎ মাৰ্গ বা ভাল দিশৰ পৰা কেতিয়াও বা কোনো এজন ব্যক্তিয়েই বিচলিত কৰিবলৈ সক্ষম নহয়।

## জুবিনবিহীন ব'হাগত...

# নাহৰে দিব তোমাৰেই বতৰা

■ নজিউল্লা হাজৰিকা



ব'হাগ- সুৰভিৰ প্ৰাচুৰ্যৰে ভৰা প্ৰাণৰ উৎসৱ। ন- ৰূপত জাতিস্কাৰ হয় প্ৰকৃতি। চহা জীৱনৰ হিয়াৰ আঁমঠু আমাৰ ব'হাগ। বসন্তৰাণীৰ আগমনত ন- সাজেৰে উদ্ভাসিত হোৱা ব'হাগৰ বতৰত নাহৰৰ গীত জুৰিবলৈ এইবাৰ নাই জনকণ্ঠ জুবিন গাৰ্গ। সকলোৰে জুবিন দা, গল্ডী দা। জুবিন বিহীন প্ৰথমটো ব'হাগ যেন ৰংবিহীন বসন্ত। উৰ্বৰ চেতনাৰ আপোন ব'হাগত গছ- লতিকা, জান-জুৰি, ফুল, পশু- পক্ষীৰ লগতে নীৰৱে উচুপিছে প্ৰতিগৰাকী অসমীয়াই। আপোন ব'হাগত প্ৰতিজনেই আপোন ব'হাগক পৰম্পৰাগত ৰীতি- নীতিৰে ৰঙালীক আদৰিছে যদিও জুবিন বিহীন ব'হাগত অনুৰাগীয়ে জুৰিছে জুবিনৰ কণ্ঠত প্ৰাণ পাই উঠা বিহুগীতবোৰ। বিশেষভাৱে আঁওৰাইছে জুবিনে নাহৰক কেন্দ্ৰ কৰি গোৱা বিহুগীতবোৰ। কাৰণ প্ৰিয় শিল্পীজনে ভাল পাইছিল নাহৰৰ গছক, নাহৰৰ ফুলবোৰক। সেয়েহে কৈছিল— নাহৰ য'তেই থাকিব তাতেই জুবিন থাকিব। সেইবাবে প্ৰাণৰ শিল্পীগৰাকীৰ অবৰ্তৱানত প্ৰতিগৰাকী অনুৰাগীয়ে ৰোপণ কৰিছে অলেখ নাহৰৰ গছ। সচাঁ অৰ্থত জুবিন আৰু নাহৰৰ আছে এক আত্মীক সমন্ধ।

ঐ নাহৰ ফুলাৰ বতৰ  
ঐ নাহৰ মোৰ মৰমৰ  
ঐ নাহৰ, ঐ নাহৰ, ঐ নাহৰ  
আনিলি তই ব'হাগৰ খবৰ

নাহৰে ব'হাগৰ খবৰ আনিলে যদিও প্ৰিয় শিল্পীগৰাকী যে নাই। জুবিনবিহীন ব'হাগত নাহৰেও উচুপিছে। নাহৰ। নাহৰৰ ফুল জুবিন দাৰ আছিল অতি প্ৰিয়। এই নাহৰক বাদ দি ব'হাগৰ ছবিখন অসম্পূৰ্ণ। ব'হাগত ৰঙা কুঁহিপাতৰ আৱৰণত শুভবৰ্ণৰ পাহিৰ মাজত হালধীয়া বৰণৰ দেহ-মন জুৰ পেলোৱা নাহৰ ফুলৰ সুগন্ধিয়ে উন্মনা কৰে প্ৰতিগৰাকী অসমীয়াক। শত- সহস্ৰজন কবি, সাহিত্যিক, গীতিকাৰ, সুৰকাৰ, শিল্পীৰ প্ৰাণৰ প্ৰিয় নাহৰক লৈ ৰচনা হৈছে অলেখ নাহৰৰ গীত, কবিতা আৰু সাহিত্য। জনকণ্ঠ জুবিন গাৰ্গৰো অতিকে প্ৰিয় আছিল নাহৰ। জুবিন গাৰ্গৰ কণ্ঠত নিগৰা 'মই নাহৰ, মন জুৰাৰ বতৰ, তই মোৰ তগৰ ঐ, তই যদি নদী, অ'ই মই তোৰ সাগৰ', "অ' নাহৰ পাতৰ আঁৰতে ঐ জিলিকে মোৰ জোন ঐ" আদি নাহৰ সম্পৰ্কীয় গীতবোৰেই তাৰ প্ৰমাণ। এই নাহৰৰ বিহুগীতবোৰ গাবলৈ নাই মৰমৰ শিল্পীগৰাকী। যি কণ্ঠত অসমীয়াৰ আশাবোৰ, সপোনবোৰ প্ৰতিধ্বনি হৈছিল আজি তেওঁৱেই নাই। ৰংবিহীন বসন্ত, ৰংবিহীন ব'হাগ। এই ব'হাগতেই নাহৰেই দিব জুবিনৰ বতৰা।

বসন্তৰ নাহৰ আৰু জুবিন। আছে নিবিড় সমন্ধ। বসন্তত প্ৰকৃতিয়ে ন- ৰূপত জিলিকি উঠা বতৰত নাহৰেও সুঁৱৰি গুণগুণাই গল্ডীৰ নাহৰৰ গীতবোৰ। জুবিন গাৰ্গে ভালপোৱা এই নাহৰ চিৰসেউজ বৃক্ষ। বসন্ত ঋতুত বা বৰ্ষা কালত ফুলা নাহৰক ইংৰাজীত CEYLON IRON-WOOD, INDIAN ROSE CHESNUT আৰু COBRA'S SAFFRON বুলি কোৱা হয়। পিৰামিড আকৃতিৰ নাহৰক হিন্দী, পাঞ্জাৱী আৰু সংস্কৃতত নাগকেশ আৰু নাগচম্পা, বাংলাত নাগেশ্বৰ, মাৰাঠীত নাগচাফা, উৰ্দুত নাৰমিছখা, মালায়ালমত নাগচম্পকম, গাৰোত কিন্দে, তেলেগুত নাগাকেশাৰা, তামিলত চেৰুনাগাপু, কন্নড়ত নাগচম্পিগে ইত্যাদি ইত্যাদি নামেৰে জনা যায়। ইয়াৰ বৈজ্ঞানিক নাম "MESUA FERREA"। এটা সময়ত এই নাহৰৰ তেল আৰু গুটি অসমত ব্যৱহাৰ হৈছিল। ভাৰতকে ধৰি কেইবাখনো ৰাষ্ট্ৰত এই নাহৰক জৈৱিক ঔষধি ৰূপতো ব্যৱহাৰ কৰা হয় বুলি জানিব পৰা যায়। নাহৰ গছৰ ছাল, ফুল, পাত বিভিন্ন সময়ত বিভিন্ন স্থানত বনৌষধি হিচাপেও ব্যৱহাৰ কৰা হয়। শোভাবৰ্ধক নাহৰৰ গছক শ্ৰী লংকাত জাতীয় বৃক্ষ হিচাপে মান্যতা প্ৰদান কৰে। এই দেশত ইয়াক " না" বুলি জনা যায়। আনকি বাপতি সাহোন ৰঙালী বিহুটো নাহৰৰ পাতত ( চ'তৰ সংক্ৰান্তিত) "দেৱ দেৱ মহাদেৱ নীলগ্ৰীৱ জটাধৰ, বতি বৃষ্টি হৰংদেৱ মহাদেৱ নমস্ততে" মন্ত্ৰ লিখি ঘৰৰ দুৱাৰ, খিৰিকি বা চালত গুজি থোৱাটো এক লোকবিশ্বাস হিচাপে পালন কৰি আহিছে।

নাহৰৰ লগত জুবিনৰ লগত আছিল নিবিড় সমন্ধ। এইবাৰ জুবিন বিহীন প্ৰথমটো ব'হাগত প্ৰিয় শিল্পীগৰাকীক সুঁৱৰি নাহৰকে কেন্দ্ৰ কৰি অসমৰ কেইবাগৰাকীও শিল্পীয়ে ৰচিছে, গাইছে বহুকেইটা বিহুগীত। এইবোৰৰ ভিতৰত মণ্টুমনি শইকীয়াৰ— "নাহৰ ফুলা নাই, তগৰ ফুলা নাই, বিহু বিহু লগা নাই, আজি যে তুমি নাই, নাই তুমি, মনত ব'হাগ নাই", ইমদাদ প্ৰতীম আৰু কমলিকা কাশ্যপৰ "নাহৰ গাবলৈ তুমি যে নাই, জানমনি জনী উভতি যায়, জোনবাইটি আকাশত লুকাই, জুবিন মামা বুলি কিয়নো বিনাই, বিহু নহয় বৰবিহ আজি অসমীয়াৰ, তুমি বিনে আধৰুৱা জাতিৰ একো নাই", জিতেন কলিতাৰ- "অ' নাহৰ ফুলাৰ বতৰ বুলি কোনে গাব? মায়াবিনী ৰাতিৰ বুকুত কোনে গাব? কোনে গাব এইবেলি ব'হাগৰে গান", বিশ্বজিৎ গগৈ আৰু কমলিকা কাশ্যপৰ- "নাহৰৰে ঐ বা লাগিছে, ফাগুনৰ বতাহজাক জোৰকৈ বলিছে, ঐ লাগিছেনে গাত" ইত্যাদি গীতবোৰে স্বাভাৱিকতেই সকলোকে আৱেগিক কৰি তুলিব। এইবোৰৰ উপৰিও নাহৰ কেন্দ্ৰিক অনেকবোৰ গীতৰ ভিতৰত ডলী ঘোষৰ- "নাহৰ ফুলে নুশুৱায়, তগৰ ফুলে শুৱাব", গীতিকাৰ নগেন বৰাৰ- "কপৌ ফুলে শুৱাবনে, নাহৰ ফুলে শুৱাব", দ্বীপেন বৰুৱাৰ কণ্ঠত - "নাহৰৰে কলি দেখিছানে নাই", জে পি দাসৰ- "নাহৰ ফুলে, যুতি ফুলে, ফুলে তগৰ ফুল", কৃষ্ণ মনি নাথৰ- "অ' নাহৰ ফুল ফুলিলে ডালত" ইত্যাদি অনেক গীতত নাহৰ ফুলৰ বৰ্ণনা পোৱা যায়। গীততেই নহয় নাহৰৰ নামত নাহৰকটীয়া, নাহৰজান, নাহৰণিকে ধৰি বিভিন্ন ঠাইৰ নাম অলংকৃত কৰাই নহয় কবিতা, প্ৰৱন্ধ, উপন্যাস, গল্প অথবা চলচ্চিত্ৰতো দেখা পোৱা যায় নাহৰৰ বৰ্ণনা। নাহৰৰ ফুল বা গছক এক প্ৰতীক হিচাপে ব্যৱহাৰ কৰি অনেক সাহিত্য, গীত, কবিতা সৃষ্টি হোৱা উদাহৰণ দেখা পোৱা যায়। বিহুগীততো পোৱা যায় নাহৰৰ অনেক বৰ্ণনা। উদাহৰণস্বৰূপে—

১) চ'তেকৈ মহীয়া নাহৰ ফুল ফুলিলে, ব'হাগত পেলালে কলি, আমাৰ দুখৰ দিন আহিলে লাহৰী, চকুৰে নোচোৱা হলি"।

২) নাহৰো ফুলিলে কুলিও মাতিলে, গছেও সলালে মাত, চ'তে গৈয়ে গৈয়ে ব'হাগী পালেহি, বিহু বিহু লাগিলে গাত"।

৩) নাহৰ চেনামুৱা যামনো বেহাৰলৈ, ছকুৰি কুকুৰাৰ ভাৰ, দিহিং নৈৰপানী কৰে তলে বলে, ঘাটৈয়ে নকৰায় পাৰ"।

৪) তোমাৰ কাৰণে নাহৰ ফুল আনোতে বুকুৰ ছিগিলে ছাল, একোকে নাভাবি খোপাত গুজি লবা মোৰেনো প্ৰেমৰে জাল"।

৫) কপৌ ফুল ফুলিলে জকেমকাই বসন্তৰ বতৰা পাই, নাহৰো ফুলিলে তগৰো ফুলিলে কেতেকী মলেমলাই"।

৬) এইবেলি বিহুটি ৰমকে জমকে নাহৰ ফুল ফুলিবৰ বতৰ, নাহৰ ফুলৰ গোন্ধ পাই নাচনীৰ ততে নাই গছকত ভাঙি যাও যঁতৰ"।

৭) নৈ পানী বঢ়া নাই নাহৰ ফুল ফুলা নাই, বিহু বিহু লগা নাই, গাৱৰ ডেকা ল'ৰাই জুমেৰে বহা নাই, গোন্ধ তেল ঘহাঁ নাই গাত"। এইদৰে অনেক বিহু গীতত নাহৰৰ বৰ্ণনা পোৱা যায়।

বসন্তৰ ঋতুত প্ৰকৃতিৰ বুকুত সমাহাৰ ঘটে নানান ৰঙ বিৰঙৰ ফুল। এই ফুলবোৰৰ ভিতৰত অন্যতম নাহৰ ফুল। প্ৰেমত পৰে প্ৰকৃতিপ্ৰেমী। শুভ্ৰৰঙৰ নাহৰৰ শোভাৱে মন মুগ্ধ কৰে প্ৰকৃতিৰ কোলা। হাজাৰজনৰ কল্পনাত সৃষ্টি হয় নাহৰৰ গীত, কবিতা। এইক্ষেত্ৰত ব্যতিক্ৰম নাছিল প্ৰাণৰ শিল্পী জুবিন গাৰ্গো। প্ৰিয় নাহৰক লৈ সৃষ্টি কৰিছিল অনেকবোৰ গীত, কবিতা। সেয়েহে প্ৰিয় শিল্পীগৰাকীক সকলোৱে নাহৰৰ কবি বুলিও অভিহিত কৰে। নাহৰক ভালপোৱা জুবিন গাৰ্গে মৃত্যুৰ পূৰ্বে কৈছিল— য'তেই নাহৰ থাকিব, তাতেই জুবিনক পাব। এই বাক্যষাৰীতে বুজি পোৱা যায় যে, নাহৰক মৰমৰ শিল্পীগৰাকীয়ে কিমান যে ভাল পাইছিল। আজি জুবিনবিহীন প্ৰথমটো ব'হাগত প্ৰতিজোপা নাহৰেই কৈ উঠে— ব'হাগৰ খবৰ লবলৈ তুমি ক'ত? তুমি নাথাকিলেও মই নাহৰে ব'হাগত দি যাম তোমাৰেই বতৰা। *ফোন: ৯৪৩৫০৩৩০৮২*

## মৰাণসকলৰ ৰাতি বিহু

# পৰম্পৰাৰ এক জীৱন্ত দলিল



■ পদ্ম মৰাণ

অসমীয়া সংস্কৃতিৰ বিশাল পথাৰখনত যিবোৰ জনজাতীয় পৰম্পৰাই এক স্বকীয়তা আৰু স্বতন্ত্ৰতা বজাই ৰাখিছে, তাৰ ভিতৰত মৰাণসকলৰ 'ৰাতি বিহু' অন্যতম। এই বিহু কেৱল নৃত্য-গীতৰ এটা অনুষ্ঠান নহয়, বৰঞ্চ ই মৰাণ সমাজৰ ধৰ্মীয় বিশ্বাস, সামাজিক গাঁথনি আৰু ঐতিহাসিক ঐতিহ্যৰ এক অনন্য প্ৰতিফলন। বসন্তৰ আগমণত কুলিৰ মাতে যেতিয়া প্ৰকৃতিৰ বুকুত নতুন শিহৰণ তোলে, তেতিয়া মৰাণ সকলৰ জনজীৱনতো এই ৰাতি বিহুৰ প্ৰস্তুতিয়ে এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰে। অসমৰ ভূমিপুত্ৰ মৰাণ সকলে অতীজৰে পৰা নিজৰ কৃষ্টি-সংস্কৃতিৰ নিভাঁজ ৰূপটো ধৰি ৰাখিবলৈ সক্ষম হৈছে, যাৰ সৰ্বশ্ৰেষ্ঠ নিদৰ্শন হ'ল এই ৰাতি বিহু।

মৰাণসকলৰ ৰাতি বিহু পালনৰ শৈলী আৰু ইয়াৰ সময়সীমা অসমৰ অন্যান্য বিহুৰ পৰা কিছু পৃথক। সাধাৰণতে চ'ত মাহৰ প্ৰথমটো মঙ্গলবাৰৰ পৰা আৰম্ভ কৰি ব'হাগৰ প্ৰথম সপ্তাহলৈকে এই বিহুৰ ৰং-ৰহইচ চলে। বিহুৰ এই বিশেষ কালছোৱাত মৰাণ গাভৰুসকলে নিজৰ পৰম্পৰাগত সাজ-পাৰ পিন্ধি আৰু হাতত জেতুকা লগাই সাজু হয়। ৰাতি বিহুৰ বিশেষত্বটো হ'ল ইয়াৰ নামতেই লুকাই আছে— অৰ্থাৎ এই বিহু নিশাৰ ভাগত অনুষ্ঠিত হয়। গাঁৱৰ পৰা কিছু আঁতৰত থকা নিৰিবিলি পথাৰত বা ওখ গছৰ তলত জোনাক নিশা ডেকা-গাভৰু একত্ৰিত হৈ এই বিহু মাৰে। ইয়াত মঞ্চ বিহুৰ দৰে তীব্ৰ পোহৰ বা আধুনিক বাদ্যৰ প্ৰয়োজন নাথাকে, বৰঞ্চ প্ৰকৃতিৰ নিস্তব্ধতা ফালি বাজি উঠা ঢোলৰ চাপ আৰু পেঁপাৰ সুৰতহে এই বিহুৱে এক জাদুকৰী পৰিৱেশ সৃষ্টি কৰে।

সাংস্কৃতিক দিশৰ পৰা চালে দেখা যায় যে ৰাতি বিহুৰ মাজেৰেই মৰাণ সমাজৰ নীতি-নিয়ম আৰু অনুশাসনবোৰ প্ৰকাশ পায়। এই বিহুত ডেকা-গাভৰুৰ মাজত যি ব্যৱহাৰিক মৰ্যাদা থাকে, সেয়া অত্যন্ত শলাগিবলগীয়া। যদিও ইয়াক ডেকা-গাভৰুৰ মিলনৰ উৎসৱ বুলি কোৱা হয়, তথাপিও ইয়াত এক কঠিন সামাজিক বান্ধোন আৰু শুচিতা বজাই ৰখা হয়। গাঁৱৰ বয়োজ্যেষ্ঠসকলৰ অনুমতি আৰু নিৰ্দেশনাতহে এই বিহু অনুষ্ঠিত হয়। বিহু নামবোৰৰ মাজেৰে মৰাণসকলৰ পুৰণি ইতিহাস, থলুৱা লোক-গাথা আৰু দৈনন্দিন জীৱনৰ ঘাত-প্ৰতিঘাতবোৰ ফুটি উঠে। মৰাণ ভাষাৰ শব্দচয়ন আৰু প্ৰকাশভংগীয়ে এই বিহু গীতবোৰক এক বিশেষ মাত্ৰা প্ৰদান কৰে, যিয়ে জাতিটোৰ ভাষাকো সুৰক্ষিত কৰি ৰাখিছে।

মৰাণসকলৰ ৰাতি বিহুৰ সৈতে এক গভীৰ আধ্যাত্মিক বিশ্বাসো জড়িত হৈ থাকে। তেওঁলোকৰ মতে, এই বিহুৱে ধৰিত্ৰী আইক জাগ্ৰত কৰে আৰু বসুমতীৰ উৰ্বৰতা বৃদ্ধি কৰে। সেইবাবেই কৃষি কাৰ্য আৰম্ভ কৰাৰ পূৰ্বে এই নৃত্য-গীতৰ জৰিয়তে প্ৰকৃতিক তুষ্ট কৰা হয়। এই বিহু কেৱল আমোদ-প্ৰমোদৰ আহিলা নহয়, ই হ'ল এক প্ৰকাৰৰ উপাসনা। পৰম্পৰাগত ঢোলৰ চেৱত নাচোনে যেতিয়া মাটিত ভৰি দিয়ে, তেতিয়া সেইয়া কেৱল এটা নৃত্যৰ খোজ হৈ নাথাকে, সেয়া হৈ পৰে ভূমিৰ প্ৰতি থকা এক গভীৰ সন্মানৰ নিদৰ্শন। মৰাণ গাভৰুৰ নাচে অসমীয়া লোক-নৃত্যৰ এক বিৰল আৰু নিভাঁজ শৈলী ধৰি ৰাখিছে, যাৰ জৰিয়তে জাতিটোৰ নান্দনিক চৰিত্ৰ স্পষ্টকৈ প্ৰতিফলিত হয়।

বৰ্তমানৰ গোলকীকৰণ আৰু আধুনিকতাৰ চোকত যেতিয়া বিশ্বৰ বহু থলুৱা সংস্কৃতি হেৰাই যাবলৈ ধৰিছে, তেনে সময়ত মৰাণসকলৰ ৰাতি বিহুৱে এক প্ৰত্যাহ্বান হিচাপে থিয় দিছে। যান্ত্ৰিকতাই যাতে এই নিভৃত বিহুৰ পবিত্ৰতাক স্পৰ্শ কৰিব নোৱাৰে, তাৰ বাবে মৰাণ সমাজৰ নতুন প্ৰজন্ম যথেষ্ট সজাগ। আজিৰ দিনত মঞ্চ বিহুৱে যেতিয়া বিহুৰ পৰম্পৰাটোক এটা সামগ্ৰীত পৰিণত কৰিছে, তেতিয়াও মৰাণ সকলে নিজৰ চোতালত বা পথাৰত ৰাতি বিহুৰ জৰিয়তে নিজৰ শিপাৰ সৈতে সংযোগ বিচ্ছিন্ন হ'বলৈ দিয়া নাই। এইয়া কেৱল এটা জনগোষ্ঠীয় উৎসৱ হৈ থকা নাই, বৰঞ্চ ই সমগ্ৰ অসমীয়া সংস্কৃতিৰ এক গৌৰৱোজ্জ্বল দলিল হৈ পৰিছে।

ৰাতি বিহুৰ মাজেৰেই মৰাণসকলৰ সামাজিক একতা অধিক শক্তিশালী হয়। ইয়াত কোনো উচ্চ-নীচৰ ভেদ নাথাকে, সমগ্ৰ গাঁওখন এটা পৰিয়ালৰ দৰে একত্ৰিত হয়। বিহুৰ বতৰত পাহাৰ-ভৈয়াম একাকাৰ কৰি যি মৰমৰ আদান-প্ৰদান হয়, সেইয়া সঁচাকৈয়ে অতুলনীয়। মৰাণ জাতিৰ সাহস আৰু সংগ্ৰামী ইতিহাসৰ দৰেই তেওঁলোকৰ সংস্কৃতিও অতি শক্তিশালী। ৰাতি বিহুৱে তেওঁলোকক শিকায় যে আধুনিক হ'লেও নিজৰ পুৰণি নিয়মবোৰ পাহৰি যোৱা অনুচিত। সেইবাবেই, চহৰৰ উচ্চশিক্ষিত মৰাণ ডেকাইও ব'হাগৰ বতৰত গাঁৱলৈ লৰ দিয়ে হাতত ঢোলটো লৈ ৰাতি বিহু মাৰিবলৈ। এইটোৱেই হ'ল সংস্কৃতিৰ প্ৰকৃত জয়।

সামৰণিত ক'ব পাৰি যে মৰাণসকলৰ ৰাতি বিহু অসমীয়া লোক-সংস্কৃতিৰ এক অমূল্য অলংকাৰ। এই বিহুৰ জৰিয়তে মৰাণ জাতিয়ে নিজৰ স্বকীয়তা আৰু পৰিচয় বিশ্বৰ আগত দাঙি ধৰিছে। ই কেৱল আনন্দৰ উৎস নহয়, ই হ'ল মৰাণ জাতিৰ অস্তিত্ব আৰু গৌৰৱৰ প্ৰতীক। এই গৌৰৱোজ্জ্বল পৰম্পৰাক জীয়াই ৰখাৰ দায়িত্ব কেৱল মৰাণ সমাজৰে নহয়, বৰঞ্চ প্ৰতিজন অসমীয়াৰে। যিমান দিনলৈকে জোনাক নিশা মৰাণৰ পথাৰত ঢোলৰ গুমগুমণি বাজি থাকিব, সিমান দিনলৈকে অসমীয়া সংস্কৃতিৰ বৈচিত্ৰ্য আৰু প্ৰাণশক্তি অক্ষুণ্ণ থাকিব। ৰাতি বিহু মৰাণসকলৰ জাতীয় জীৱনৰ এক নিৰ্ভৰযোগ্য দলিল, যিয়ে অতীতক ভৱিষ্যতৰ সৈতে সংযোগ কৰি ৰাখিছে।

*ফোন: ৬০০১০১৮৮৩৮*

# অসমীয়াৰ তিনি বিহু পালনত মিচিং জনগোষ্ঠী

> ব'হাগ বিহু অসমীয়াৰ সাত বিহু বুলি কোৱা হয় যদিও মিচিংসকলে বিশেষকৈ গৰু বিহুৰ দিনা অতি উলহ-মালহেৰে পালন কৰা দেখা যায় আৰু মানুহ বিহুৰ দিনাখনত জী-জোঁৱাইসকলে মাতৃ গৃহলৈ আহি পূৰ্বপুৰুষ ককা-আইতা, পিতৃ-মাতৃক সেৱা জনোৱা দেখা যায়। মিচিংসকলে সাত বিহু মনা দেখা নাযায়...



■ হৰেন কপ্তাক

অসমত বসবাস কৰা দ্বিতীয় বৃহৎ জনজাতি জনগোষ্ঠী মিচিংসকলৰ সুকীয়া কৃষিভিত্তিক স্বকীয় উৎসৱ হ'ল আলি-আঃয়ে লৃগাং। ইয়াৰ সমান্তৰালভাৱে অসমীয়াৰ তিনি বিহুকো পালন কৰি আহিছে। তাৰ ভিতৰত এক অন্যতম হ'ল ব'হাগ বিহু। মিচিং লোকসকলে ব'হাগ বিহুৰ বাবে কিদৰে প্ৰস্তুতি চলায় তাৰ এটি সংক্ষিপ্ত বিৱৰণ দাঙি ধৰা হ'ল।

**বিহু আদৰণি পৰ্ব ঃ** উত্তৰ অসমত বসবাস কৰা বিশেষকৈ দক্ষিণ পাৰৰ দলপানি আৰু দিচাংমুখৰপৰা উত্তৰলৈ প্ৰব্ৰজিত মিচিং লোকসকলে ব'হাগ বিহুৰ প্ৰায় এসপ্তাহ বা দহ দিন থাকোতেই সুবিধা অনুসৰি ব'হাগ বিহু আদৰি অনা কাৰ্য গাঁৱে গাঁৱে অনুষ্ঠিত কৰা হয়। ইয়াক বিহু নমোৱা পৰ্ব বুলি কোৱা হয়। এই কাৰ্যত হুঁচৰি গোৱা এগৰাকী নামতিক ৰাজহুৱাকৈ নিয়োগ কৰা হয়। বিহু নমোৱা পৰ্বত গাঁৱৰ যুৱতী বা নাচনীসকলে বগা সাজ পৰিধান কৰি পৱিত্ৰ মনেৰে অংশগ্ৰহণ কৰাৰ নিয়ম। যাতে ৰঙালী আই ধৰাৰ বুকুলৈ সুখ, সমৃদ্ধি কঢ়িয়াই আনে তাৰে লোকবিশ্বাস ৰাখি ৰাতি হুঁচৰি গাই বিহু নমোৱা কাৰ্য অনুষ্ঠিত কৰা হয়।

**হুঁচৰি গোৱা কাৰ্য ঃ** প্ৰথমতে নামতীগৰাকীৰ বাবে এখন ক'লা ৰঙৰ ছাতিৰ প্ৰয়োজন হয়। ছাতিখন মেলি নামতিগৰাকীয়ে হুঁচৰি গায়। কিন্তু হুঁচৰি গোৱা প্ৰথাও মন কৰিবলগীয়া। যিহেতু ৰঙালী আইক মৰতৰপৰা ধৰালৈ মাতি অনা হয়, সেয়েহে পোন প্ৰথমেই এইদৰে হুঁচৰি আৰম্ভ কৰা হয়-কেৰেলা অ'/বেঙেনা অ'/বিহৰে বতৰে আইনা অ'...। ইয়াৰ পিছতহে যিখিনি অসমীয়াত হুঁচৰি গীত আছে ক্ৰমান্বয়ে গাই যাব পাৰে। হুঁচৰি নৃত্য কৰাৰ ভংগিমাও সম্পূৰ্ণ পৃথক। যুৱক-যুৱতীসকলে ইটোৱে সিটোক হাতে হাত ধৰি "আছতি ঐ গাং গাং ঐ মাজন ঘৰতে গাং...। এইদৰে গোৱা হয়।

**গৰুৰ নতুন পঘাৰ প্ৰস্তুত প্ৰণালীঃ** গৰখীয়াসকলৰ মন এপষেক মানৰ আগৰপৰাই ব'হাগলৈ বুলি অধিক উৎসুকতা হৈ থাকে। গৰু বিহুৰ দিনা গৰুৰ ডিঙিত এডাল নতুন পঘাৰ মালা পিন্ধোৱাৰ বাবে দল বান্ধি হাবি বা পাহাৰৰ পৰা তৰা গছৰ চাল নিবলৈ যোৱা পৰ্ব সৰ্বজন বিদিত। যাক বুমচেৰ চেৰনাম বুলি কোৱা হয়। ইয়াক প্ৰথমতে সৰু সৰু কৰি মিহিকৈ কটা হয় আৰু দুই-এক দিন ৰ'দত শুকুৱাই তৰাৰ পঘা প্ৰস্তুত কৰা হয়। গৰু বিহুৰ দিনাখন এই তৰা পঘা বা বুমচেৰ গৰুৰ ডিঙিত পিন্ধাব নাপালে গৃহস্থই নিজকে নিজেই দুখি দুখি অনুভৱ কৰে। ঘৰত যিমানটা গৰু থাকে গোটেইবোৰৰ বাবে একোডালকৈ তৰা পঘা প্ৰস্তুত কৰা হয়।

**গৰু বিহুৰ দিনা ঃ** ৰাতিপুৱাতেই উঠি গৰুক গা ধুওৱাৰ নিয়ম মিচিংসকলৰ মাজতো প্ৰচলিত। ইয়াৰ পিছত সমূহীয়াভাৱে নদীৰ পাৰত বা মুকলি পথাৰত প্ৰস্তুত কৰি থোৱা চাক আদিৰে সকলোৱে একেলগে সেৱা জনাই গৰুৰ গাত দলিওৱা হয়। লাও খা, বেঙেনা খা, দিনে দিনে বাঢ়ি যা এইদৰে নকৈ অন্য ধৰণে কৈ গৰুৰ গাত দলিয়ায়। এই শেকবিধক এইদৰে কোৱা হয়-লাওৰ দৰে শকত হোৱা, বেঙেনা, কেৰেলা টেকেৰাৰ দৰে শকত হোৱা বুলি গাই গাই গৰুৰ গাত দলিয়ায়। আবেলি পৰতহে গৰুক ডিঙিত তৰাৰ পঘা পিন্ধোৱা নিয়ম প্ৰচলিত। আবেলি সময়ৰ পৰা গাঁৱৰ ৰাইজেও ৰাজহুৱা সভাৰ যোগেদি হুঁচৰি গোৱাৰ সিদ্ধান্ত লয়। ইয়াক দঃলুং মৰজাদ বুলি কোৱা হয়। এই মৰজাদত ঘৰে ঘৰে হুঁচৰি গোৱাৰ বাবদ কিমান টকাকৈ লোৱা হ'ব তাৰ দাম দৰ আদিও নিৰ্ধাৰণ কৰা হয়।

**নামঘৰত সেৱা ঃ** অনামিচিং লোকসকলে নামঘৰত মাহ প্ৰসাদ আদিৰে সকাম নিকাম পৰ্ব সম্পন্ন কৰা হয় যদিও মিচিংসকলে বিহুৰ দিনা ঘৰে ঘৰে যি পাৰে পানীয় খাদ্য আপং,পিঠা সান্দহ আদি লগত লৈ গৈ বছেৰেকীয়া বিহু সকামত ভাগ লয়। ইয়াৰ পিছত দহ পোন্ধৰ দিনৰ মূৰত পাল নাম সেৱা অনুষ্ঠিত কৰা হয়।

**পিঠা পনা প্ৰস্তুত প্ৰণালী ঃ** বিহুৰ সময়ত মিচিংসকলেও পিঠা পনা সান্দহ আদি প্ৰস্তুত কৰা দেখা যায় যদিও অলেখ ধৰণৰ পিঠা প্ৰস্তুত কৰা দেখা নাযায়। সান্দহ খুন্দি আৰু এবিধহে পিঠা বনোৱা দেখা যায়। সান্দহ গুড়িক মিচিঙত আম্বুগ্ বুলি কোৱা হয়। পুৱাতেই ঘৰৰ গৃহস্থই গা-পা ধুই পূৰ্বপুৰুষক সাক্ষী কৰি আলহী অতিথিক আপ্যায়নৰ বাবে বিহু খাদ্য প্ৰস্তুত কৰে আৰু ইঘৰ সিঘৰ স্ফুৰ্তিৰে ৰং ৰইচৰে আপ্যায়নৰ পৰ্ব চলে।

**ব'হাগ বিহুৰ সামৰণি ঃ** ব'হাগ বিহু অসমীয়াৰ সাত বিহু বুলি কোৱা হয় যদিও মিচিংসকলে বিশেষকৈ গৰু বিহুৰ দিনা অতি উলহ-মালহেৰে পালন কৰা দেখা যায় আৰু মানুহ বিহুৰ দিনাখনত জীঁ-জোঁৱাইসকলে মাতৃ গৃহলৈ আহি পূৰ্বপুৰুষ ককা-আইতা, পিতৃ-মাতৃক সেৱা জনোৱা দেখা যায়। মিচিংসকলে সাত বিহু মনা দেখা নাযায়। পূৰ্বতে ৰাজহুৱাকৈ ঘৰে ঘৰে গৈ হুঁচৰি গোৱা কাৰ্য সম্পন্ন কৰিছিল যদিও আজিকালি এই কাৰ্যও লাহে লাহে নোহোৱা হৈ পৰিছে যদিও ৰীতি-নীতি মতে যিদৰে ব'হাগীক ধৰাৰ বুকুলৈ মাতি আদৰি অনা কাৰ্য সমাপন কৰিছিল ঠিক সেইদৰেই ব'হাগ বিহুক উৰুৱাই দিয়া অৰ্থাৎ মৰতলৈ পঠাই দিয়া কাৰ্যও সমাপনৰ নিয়ম মিচিং সমাজত প্ৰচলিত। ইয়াক বিহু উৰুৱা বুলি কোৱা হয়। এই কাৰ্যত পাঁৱৰ সিমূৰত এডাল গছ কাটি গুঁজি দিয়া হয়। আৰু সকলো ৰাইজ বিশেষকৈ ডেকা-গাভৰুহঁতে বিভিন্ন ধৰণৰ ফুল সংগ্ৰহ কৰি মালা গঁথা হয় আৰু এই গছজোপাত ওলমাই দি ৰঙালী আইক বিদায় দিয়া হয়। এনে নকৰিলে যেন বছৰটো টোপনিয়ে লগ নেৰা হয় আৰু ভিন্ন ৰোগে পীড়া কৰিব পাৰে বুলি বিশ্বাস কৰা হয়। সেয়েহে এই বিহু উৰুৱা কাৰ্যত অংশগ্ৰহণৰ নিয়ম সৰ্বজনবিদিত।

**বিহু উৰুৱা কাৰ্যৰ নিয়ম প্ৰণালী ঃ** গাঁৱৰ সিটো মূৰত মুকলি ঠাইত এজোপা গছৰ ডাল কাটি ৰুই দিয়া হয়। গাঁৱৰ সকলো যুৱক-যুৱতী আহি ফুলৰ মালা গঁথা হয়। আৰু পাঁচবাৰ চক্ৰ সদৃশ ৰূপত গোলাকৃতিৰে বিহু হুঁচৰি জোৰে। নামতিগৰাকীয়ে বিহু আদৰণিৰ সময়ত যিদৰে মাতি আনি হুঁচৰি গাইছিল ঠিক সেইদৰে বিদায়ী নিশাত ব'হাগীক বিদায় দিয়াৰ শ্লোক ফাঁকিৰে এইদৰে হুঁচৰি গীত জোৰে-কেৰেলা অ'/বেঙেনা অ'/বিহুৱে বতৰে যাইনা অ'। যাইনা মানে যোৱাগৈ বুলি পঠিয়াই দিয়া কাৰ্য। সেইদৰেই মিচিং জনগোষ্ঠীয় লোকসকলে অসমীয়াৰ বাপতি সাহোন ব'হাগ বিহুটিক পালন কৰা দেখা যায় যদিও ঠাই বিশেষে কিছু সুকীয়া হ'বও পাৰে।

**মাঘ বিহু পালনত মিচিং জনগোষ্ঠী ঃ** অসমত বসবাস কৰা সকলো জনগোষ্ঠীয় লোকে যিদৰে ভোগৰ উৎসৱ ভোগালী বা মাঘ বিহু পালন কৰা হয় ইয়াৰ সমান্তৰালকৈ মিচিংসকলেও ভোগালী বিহু পালন কৰা দেখা যায়। উৰুকা দিনা সমূহীয়াকৈ প্ৰকাণ্ড ওখ এজোৰ মেজি সজা হয়। অন্য জনগোষ্ঠীয় লোকে প্ৰতি ঘৰে সৰুকৈ হলেও নিজাকৈ ভেলা ঘৰ সাজি মেজি সজোৱা দেখা যায়। কিন্তু মিচিং জনগোষ্ঠীয় লোকসকলে গাঁৱৰ সিটো মূৰৰ নদী পাৰত গাঁৱৰ সকলো ৰাইজ মিলিত হৈ মাত্ৰ এযোৰহে মেজি সজোৱাৰ নিয়ম প্ৰচলিত। সামৰ্থ্য আছে বুলি ঘৰে ঘৰে ভেলা ঘৰ বা মেজি নিৰ্মাণ কৰা নহয়। দিচাংপৰীয়া লোকসকলে ভোগালীৰ উৰুকা দিনা গাঁৱৰ যুৱক-যুৱতীসকলক লৈ বগা সাজ পৰিধান কৰি মেজিৰ তলত পাঁচবাৰ বৃত্তাকাৰে ঘূৰি ঢোলে-ডগৰে নৃত্য গীত কৰি ভোগালীক সেৱা জনায়। বিহুৰ দিনা মেজি জ্বলোৱাৰ আগতেই পুনৰ কাহিলি পুৱাতেই উঠি অনুৰূপ ধৰণেই মেজি তলত পাঁচ বাৰ বৃত্তাকাৰে ঘূৰি নৃত্য কৰি সেৱা জনোৱাৰ পাছতহে মেজি জ্বলোৱা পৰ্ব প্ৰচলিত। ঠাই বিশেষে এই নৃত্যৰ প্ৰচলন নাই। নতুনকৈ বিবাহ সূত্ৰে বাহিৰলৈ বিয়া হোৱা গাঁৱৰ জী-জোঁৱাইসকলে আহি পুৱা মেজি বা ৰাইজক সেৱা কৰাৰ নিয়ম প্ৰচলিত। মেজি জ্বলোৱাৰ আগত এক বিৰল দৃশ্য দেখিবলৈ পোৱা যায়। মেজি নিৰ্মাণ কৰোতে পূবা পশ্চিমাকৈ এজোৰ মেজি সজোৱা হয়। ইয়াক পুৰষ আৰু স্ত্ৰী হিচাপে ৰাখি পশ্চিম দিশত থকা মেজিত খেৰ গুঁজি দিয়া হয়। মেজি জুই দিওঁতে কেৱল বিবাহ পাশত নুসোমুৱা এগৰাকী ডেকা ল'ৰাক মেজি জ্বলোৱা পৰ্ব শুভাৰম্ভ কৰিবলৈ দিয়া হয়। জ্বলোৱাৰ ঠিক আগমুহূৰ্তত কণ কণ শিশুসকলে স্ত্ৰী হিচাপে ৰখা পশ্চিম দিশৰ মেজিৰপৰা গুঁজি দিয়া ধানৰ খেৰবোৰ টানি টানি সযতনে ৰাখি ঘৰলৈ আনে। লোকবিশ্বাস অনুসৰি এই মেজিৰ খেৰ ফল ধৰা গছবোৰত যেনে— আম, জামু, কঁঠাল, লিচু, নাৰিকল ইত্যাদি ধৰণৰ গছবোৰত মেৰিয়াই বান্ধি দিব লাগে। এনে নকৰিলে যেন বছৰটোত গছে ফল নধৰে বুলি এক লোকবিশ্বাস মিচিং সমাজত প্ৰচলিত। ব'হাগ বিহুৰ দিনা যিদৰে গৃহস্থৰ ৰীতি নীতি থাকে ঠিক সেইদৰেই মাঘ বিহুৰ দিনাও ৰীতি নীতিৰে মিচিংসকলে মাঘ বিহু পালন কৰা হয়।

**কাতি বিহু পালনত মিচিং জনগোষ্ঠী ঃ** অসমীয়াৰ তিনি বিহুৰ ভিতৰত আটাইতকৈ কঙালী বিহু বুলি ধৰা কাতি বিহুটিকো মিচিং জনগোষ্ঠীয় লোকসকলে পালন কৰা দেখা যায়। কাতি বিহুৰ দিনা অন্য জনগোষ্ঠীৰ লোকসকলে যিদৰে তুলসী গছ ৰুই তুলসীৰ তলত চাকি বন্তি জ্বলোৱা হয় ঠিক সেইদৰে মিচিংসকলে তুলসী গছ ৰোপণ কৰা নিয়ম দেখা পোৱা নাযায়। সম্প্ৰতি কোনো কোনো লোকে তুলসী তলত চাকি বন্তি জ্বলাই কাতি বিহু পালন কৰা কাৰ্যও দেখিবলৈ পোৱা যায়। মিচিংসকলে কাতি বিহুটিক কোনো কোনো ঠাইত জালুক মুতকাদ্ বুলিও কোৱা হয়। এই বিহুৰ দিনা আবেলি পৰত ঘৰৰ গৃহস্থই বগা সাজ পৰিধান কৰি হাতত কেইটামান জালুক লগত লৈ ধাননী পথাৰলৈ চাকি শলিতা তেল লৈ যোৱা দেখিবলৈ পোৱা যায়। ৰীতি মতে শালি ধানৰ পথাৰত চাকি জ্বলাই বছৰটোৰ ভাত মুঠি পাবলৈ শস্য ভাল হওক কোনো পোক পতংগই শস্য নষ্ট কৰিব নোৱাৰে তাৰ বাবে লক্ষ্মীক সাক্ষী হিচাপে লৈ চাকি বন্তি জ্বলায় আৰু লগত লৈ অনা জালুকৰ গুটিক শালি ধানৰ পাতৰ ফাঁকে ফাঁকে গুঁজি দিয়া হয়। লোকবিশ্বাস মতে জালুকৰ গুটি যিদৰে মসৃন গোট মাৰি গছত ডাল ভৰি থাকে ঠিক সেইদৰেই সোণ গুটি ধাননিও ডাল ভৰি পতান নহৈ গুটি হ'বলৈ মনোকামনা কৰি আৰু কোনো শস্য নষ্ট কৰিবপৰা পোক পৰুৱা ধবংস কৰিব নোৱাৰে তাৰ বাবে নৈবেদ্য আগবঢ়ায়। কাতি বিহুৰ দিনা ধান পাতত জালুকৰ গুটি গুঁজি দিয়া হেতুকে কাতি বিহুক কোনো কোনো অঞ্চলত 'জালুক মুতকাদ্' বুলিও কোৱা হয়। ইয়াৰ পাছত পথাৰৰ পৰা উভতি আহি লগ সমনীয়াৰ সৈতে ঘৰত যতনাই ৰখা পানীয় খাদ্যৰে সামৰ্থ্য অনুসৰি আপং এবাতিৰে সমনীয়াক আপ্যায়িত কৰা হয়। অন্য বিহুৰ দৰে কিন্তু কাতি বিহুত অধিক জাক-জমকতা, খাদ্যৰ প্ৰয়োভৰ দেখা পোৱা নাযায়। সেইদৰেই মিচিংসকলে অসমীয়াৰ তিনি বিহু পালন কৰা দেখা পোৱা যায়। কিন্তু ঠাইবিশেষে মিচিংসকলৰ মাজতো কিছু বিহু পালনৰ নিয়ম সুকীয়া সুকীয়া হ'বও পাৰে।



# ঋণ পৰিশোধ

■ প্ৰণৱ দাস

গাঁৱৰ কেঁকুৰিটোত মেনকাক দেখি প্ৰদীপৰ মুখখন ডাৱৰ আঁতৰি যোৱা বেলিটোৰ দৰে ফৰকাল হৈ উঠিল। সি কোবাকুবিকৈ গৈ মেনকাৰ কাষ পালেগৈ। আজি দুসপ্তাহে সি মেনকাক দেখা নাই। তাইৰ স’তে কোনো ধৰণৰ যোগাযোগ কৰিব পৰা নাই। সেয়ে আজি তাইক দেখি তাৰ মনটো উৎফুল্ল হৈ পৰিল। সি মেনকাৰ দুচকুলৈ চাই উৎকণ্ঠাৰে ক’লে—

ঃ মেনকা তোৰ দেখোন আজিকালি বহুত বাহাদুৰি হ’ল। ফোন কৰিলেও ৰিচিভ নকৰ। মেছেজ দিলেও ৰিপ্লাই নিদিয়। আৰু আজি মোক দেখিও নেদেখাৰ ভাও দি যাব খুজিছ। বুকুৰ আপোন মানুহবিলাক কেনেকৈ ইমান পৰিৱৰ্তন হ’ব পাৰে?

ঃ ঘৰত মোৰ বিয়া ঠিক কৰিছে প্ৰদীপদা।– মেনকাই তললৈ মূৰ কৰি নখেৰে মাটিত লিখি শেঁতা পৰা কণ্ঠৰে বৰ কষ্টৰে কথাষাৰ প্ৰদীপক ক’লে।

ঃ কি???— মেনকাৰ কথাত প্ৰদীপ আচৰিত হৈ পৰিল।

ঃ অ, প্ৰদীপদা সঁচাকৈ মোৰ বিয়া ঠিক হৈছে। আজি ইমান দিনে তোমাক সোঁৱৰাই থাকিলোঁ, কিবা এটা কৰা। কাম এটাৰ যোগাৰ কৰা। কিন্তু তুমি কাম এটাৰ যোগাৰ কৰিব নোৱাৰিলা। খেতি কৰিবলৈয়ো তোমাৰ ওচৰত মাটি-বাৰী একো নাই। দুশ্ৰেণী বেছিকৈ পঢ়াৰ অজুহাতে হাজিৰা কামো নকৰা। কেৱল মৰমেৰে পেট ভৰিব জানো প্ৰদীপদা। তুমি মোৰ কথাত গুৰুত্বই নিদিলা।— কথাকেইষাৰ কৈ মেনকা উচুপি উঠিল।

ঃ কিন্তু মেনকা, এই আঠ বছৰে মোৰ লগত কিয় খেলা কৰিলা? মোক কিয় খেলৰ পুতলা সজালা?

ঃ আমি এই পৃথিৱীত সকলো পুতলা প্ৰদীপদা। আমাক সেই ওপৰত থকা অদেখাজনে নচুৱাই আছে। আজিৰ পৰা মোৰ কথা তুমি পাহৰি যোৱা প্ৰদীপদা।

ঃ এই আঠ বছৰে থকা আমাৰ সম্পৰ্কটোৰ কাৰণে তোমাৰ মনত একো মূল্য নাই? তুমি কেনেকৈ ইমান কঠোৰ হ’ব পাৰিছা? কেনেকৈ ইমান হৃদয়হীনা হ’ব পাৰিছা মেনকা?

ঃ অ, মই হৃদয়হীনা প্ৰদীপদা। হৃদয়হীনা হ’বলৈ মোক পৰিস্থিতিয়ে বাধ্য কৰাইছে। অযথা মোৰ লগত আৰু যুক্তি তৰ্ক নকৰিবা। মোক তুমি তোমাৰ মনৰ পৰা চিৰদিনৰ বাবে মচি পেলোৱা। এটা বেয়া সপোন বুলি পাহৰি যোৱা। মই কাবৌ কৰিছো মোক তুমি তোমাৰ জীৱনৰ পৰা মুক্তি দিয়া প্ৰদীপদা। —এই বুলি কৈ মেনকাই চাদৰৰ আঁচলেৰে চকুলো মচি মচি প্ৰদীপৰ কাষৰ পৰা ঘৰলৈ বুলি বাট পোনালে।

প্ৰদীপ মাজবাটতে আঁঠুকাঢ়ি বহি পৰিল। তাৰ মনটোৱে মেনকাক আঁচলত ধৰি টানি ৰাখিব বিচাৰিছিল। কিন্তু তাৰ অক্ষমতাই তাৰ হাত দুখন কোঙা কৰি পেলালে। সি সৰগ ভাঙি পৰা মানুহটোৰ দৰে হৈ পৰিল। অনাকাংক্ষিতভাৱে অহা বতাহ-ধুমুহাই প্ৰকৃতিৰ বুকু তচ্‌নচ্‌ কৰাৰ দৰে তাৰো কোমল মন আৰু আলসুৱা হৃদয়খন বিষাদৰ ধুমুহাই ভাঙি চূৰমাৰ কৰি পেলালে। তাৰ মূৰটো বৃত্তাকাৰে ঘূৰিবলৈ ধৰিলে। বেদনাৰ ধূসৰ কুঁৱলীয়ে তাক যেন হঠাতে ছানি ধৰিলে।

প্ৰকৃততে মেনকা বেয়া ছোৱালী নাছিল। তাইৰ দেউতাকে মেনকাৰ দৰা ঘৰৰ পৰা বহুত টকা ঋণ লৈছিল তাইৰ ককায়েক বিমলক ডাক্তৰ পঢ়ুৱাবৰ বাবে। সময়ত ককায়েক ডাক্তৰ হ’ল ঠিকেই কিন্তু সি ঘৰৰ প্ৰতি থকা দায়িত্ববোধ সমূলঞ্চে পাহৰি গ’ল। বহিঃৰাজ্যত থাকি সেই ঠাইৰে ছোৱালী বিয়া কৰাই তাতে সি নিগাজীকৈ থকাৰ বাবে খোপনি পুতি ল’লে। ঘৰলৈ যে টকা-পইচা কিবা এটা দিব লাগে সেইখিনি মানসিকতা তাৰ জ্ঞানৰ পৰা লুপ্ত হৈ গ’ল। সি এটা ফুটাকড়ি ঘৰখনলৈ নপঠালে। আনকি সি ঘৰলৈ আহিবলৈকে বাদ দিলে। তাক ডাঙৰ মানুহ কৰাৰ স্বাৰ্থতে দেউতাকে ঋণ লৈছিল। এতিয়া সত্তৰ ঊৰ্ধ্বৰ দেউতাকে সেই ঋণ পৰিশোধ কৰিব নোৱাৰি নিজ কন্যা মেনকাৰ ওচৰত দেউতাকৰ সন্মান ৰক্ষাৰ্থে হাত যোৰ কৰি ভিক্ষা খুজিলে। সেই বাবেহে মেনকা বিয়াত বহিব লগা হ’ল। অনিচ্ছা সত্ত্বেও প্ৰদীপৰ ওচৰত তাই কঠোৰ হ’ব লগা হ’ল। হৃদয়হীনা হ’ব লগা হ’ল। দেউতাকে মনতে ভাবিছিল— মেনকাক তেওঁলোকৰ ঘৰলৈ বিয়া দিলে হয়তো বিয়াৰ পিছত সিহঁতৰ ঘৰৰ পৰা কিছু হ’লেও ঋণৰ তাগিদা কমিব। হয়তো মাফ কৰি দিব পাৰে ঋণৰ গধুৰ বোজাটো।

কিছু দিনৰ পিছত মেনকাৰ বিয়া দিন আহি পালে। এটা বিষণ্ণ মন লৈ মেনকাই কন্যা সাজ পিন্ধিলে। বিয়া ঘৰত মানুহৰ হাই-উৰুমি। তাইৰ মনৰ ভিতৰত বিষাদৰ অগনি। ডাঙৰ ৰভাখনৰ তলত মেনকাৰ হৃদয়খন পোৱা-নোপোৱা আৰু পায়ো হেৰুওৱাৰ বেদনাত আতুৰ হৈ পৰিল। বিয়াৰ দিনাই আবেলি পৰত ৰভাৰ আগেৰে গএঞা ৰাইজৰ স’তে চাৰিজন মানুহে প্ৰদীপৰ নিঠৰ দেহটো শ্মশানলৈ বুলি আগবঢ়াই নিলে। কথাটো শুনি মেনকা ঠৰ হৈ ৰ’ল। তাইৰ হাত-ভৰিবোৰ ঠক্‌ঠক্‌কৈ কঁপি উঠিল। মূৰৰ ওপৰত যেন তাইৰ সৰগ ভাগি পৰিল। ভৰিৰ তলৰ মাটিবোৰ যেন তৰপে তৰপে খহি পৰিল। আজি অৰ্থৰ অভাৱত দুখন হৃদয় নিঠৰুৱা হ’ল। দুটা আত্মাৰ মৃত্যু হ’ল। দুখন হৃদয় মিলনৰ পৰা বঞ্চিত হ’ল সঁচা, কিন্তু মেনকাৰ মনৰ নিভৃত কোণত হয়তো প্ৰদীপ সদায় প্ৰদীপ হৈয়ে জ্বলি থাকিব। ওৰে জীৱন প্ৰদীপৰ পৰা প্ৰতিফলিত পোহৰে মেনকাৰ জীৱন দগ্ধ কৰি থাকিব। কোনে বুজিব ঋণ পৰিশোধৰ পৰিণতিত মেনকা এনেকৈ পতিত হ’ল।

# মে’ দিৱসৰ চিন্তন




■ মদন মোহন পাগবন্ধা

মে’ দিৱস বা আন্তৰ্জাতিক শ্ৰমিক দিৱস। ইয়াৰ নামটোতেই ইয়াৰ গূঢ়াৰ্থ লুকাই আছে। ই মেহনটি জনতাৰ ত্যাগৰ এক দিৱস। আমি জানো যে শিল্প বিপ্লৱৰ পিছত বিশ্বত উদ্যোগৰ এক জাগৰণ হৈছিল। ইয়াৰ লগে লগে সৃষ্টি হৈছিল শ্ৰেণী বৈষম্যৰ। এটা শ্ৰমিক শ্ৰেণী আৰু আনটো পুঁজিপতি শ্ৰেণী। এক অৰ্থত শোষক আৰু শোষিত। এই শোষিত শ্ৰেণীটোৱে ১৮৮৪ চনত শ্ৰমিক সংস্থাসমূহ একত্ৰিত হৈ এটা ফেডাৰেচন তৈয়াৰ কৰি তেওঁলোকৰ চতুৰ্থ সন্মিলনত এক গুৰুত্বপূৰ্ণ প্ৰস্তাৱ লৈছিল। যিটো প্ৰস্তাৱত কোৱা হৈছিল যে ১৮৮৬ চনৰ ১ মে’ তাৰিখৰ পৰা সকলো শ্ৰমিকে দৈনিক ১৮ৰ পৰা ২০ ঘণ্টা কামৰ বিপৰীতে মাত্ৰ ৮ ঘণ্টাহে কামৰ সময় বুলি গণ্য কৰিব আৰু বাকী ১৬ ঘণ্টা তেওঁলোকে বিশ্ৰাম আৰু সাংস্কৃতিক বিনোদনৰ মাজেৰে পাৰ কৰিব। কিন্তু কাৰখানাৰ মালিকসকলে এই দাবী মানি নল’লে। ১৮৮৬ চনৰ ৪ মে’ৰ সন্ধিয়া সামান্য বৰষুণৰ মাজত চিকাগো চহৰৰহে- মাৰ্কেট নামৰ বাণিজ্যিক এলেকাত শ্ৰমিকসকলে শোভাযাত্ৰা কৰাৰ উদ্দেশ্যে গোট খাইছিল। এই স্থানত পুলিচৰ ওপৰত বোমা বিস্ফোৰণ হোৱাত শ্ৰমিকৰ ওপৰত আক্ৰমণ চলাত পুলিচ প্ৰশাসনে শ্ৰমিকৰ ওপৰত জঁপিয়াই পৰাত ১১জন শ্ৰমিক শ্বহীদ হয়। ইয়াৰ পিছত ১৮৮৯ চনৰ জুলাই মাহৰ ১৭ তাৰিখে পেৰিছত হোৱা শ্ৰমিকৰ আন্তৰ্জাতিক সন্মিলনৰ সিদ্ধান্ত মৰ্মে ১৮৯০ চনৰ পৰা প্ৰতি বছৰৰ মে’ মাহৰ ১ তাৰিখৰ দিনটো আন্তৰ্জাতিক শ্ৰমিক দিৱস হিচাপে পালন কৰা হ’ব। এতিয়া কথা হ’ল শ্ৰমিকসকলৰ যি আত্মবলিদান ই প্ৰকৃততে মান্যতা পাইছে নে? স্বাধীন ভাৰতৰ প্ৰেক্ষাপটত শ্ৰমিকৰ প্ৰকৃত অৱস্থা কি? শ্ৰম আইনখন প্ৰকৃতভাৱে কাৰ্যকৰী হৈছে নে? চাহ শ্ৰমিক, হোটেল, ইটা ভাতা, পথ নিৰ্মাণত জড়িত বনুৱাসকলৰ অৱস্থা চাবলৈ ৰজাঘৰৰ সময় হ’ব নে? শিশু শ্ৰমিক এতিয়াও বিৰাজমান বিভিন্ন স্থানত। দৰিদ্ৰতা আৰু নিৰক্ষৰতাই পংগু কৰিছে বৰ্তমানৰ শ্ৰমিক সমাজখনক। কিবা কথাত প্ৰতিবাদ কৰিলেই কামৰ পৰা উলিয়াই দিয়াৰ ভাবুকি। ৰজাঘৰৰ লগতে শ্ৰমিক সংগঠনসমূহে হয়তো আজিৰ দিনটোত জাক-জমকতাৰে পাতিব মে’ দিৱস। মঞ্চত শিৰ ফুলাই ঘঁৰিয়ালৰ চকুপানী টুকিব যদিও শ্ৰমিকৰ সমস্যা কিন্তু সমস্যা হৈয়েই থাকিব। গতিকে সকলোৱে আজি এই বিশেষ দিনটোত ৰজা ঘৰলৈ শ্ৰমিকৰ সপক্ষে এক স্পষ্ট বাৰ্তা প্ৰেৰণ কৰিব লাগে। লগতে এই বিশেষ দিনটোত অন্য এটি কথাও প্ৰাসংগিক নে আজিৰ দিনটো কৰ্ম প্ৰেৰণাৰ দিন। চৰকাৰেও শ্ৰমিকসকলক উদগনি যোগোৱাৰ স্বাৰ্থত বিনামূলীয়া আঁচনিৰ পৰিৱৰ্তে মহাত্মা গান্ধী গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনিৰ দৰে আঁচনি প্ৰস্তুত কৰি অধিক ধনৰ আবণ্টনৰ ব্যৱস্থা কৰি কৰ্মমুখী কৰিব লাগে। *ফোনঃ ৭০০২১-৭৮৯৬৩*

## মাৰ্ঘেৰিটা মহাবিদ্যালয়ত 'চুপা চুপি'ৰ উন্মাদনা

# ১২ জুনত ছবিগৃহলৈ আহি আছে বছৰটোৰ অন্যতম আমোদজনক ছবি



**মাৰ্ঘেৰিটা ঃ** অসমীয়া ছবি জগতলৈ পুনৰ বৈছে এক নতুনত্বৰ জোৱাৰ। দীৰ্ঘদিনৰ অপেক্ষাৰ অন্ত পেলাই অহা ১২ জুনত ৰাজ্যৰ ছবিগৃহসমূহলৈ আহি আছে পৰিয়ালৰ সৈতে উপভোগ কৰিব পৰা এখন নতুন অসমীয়া ছবি 'চুপা চুপি'। শেহতীয়াকৈ মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ ব'হাগী উৎসৱত ছবিখনৰ কলা-কুশলীৰ উপস্থিতিয়ে এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰে। ছবিখনৰ প্ৰচাৰ অভিযানৰ অংশ হিচাপে আজি মাৰ্ঘেৰিটা মহাবিদ্যালয়ত উপস্থিত হয় 'চুপা চুপি'ৰ মুখ্য অভিনেত্ৰী স্নিগ্ধা গগৈসহ ছবিখনৰ সৈতে জড়িত কেইবাজনো কলা-কুশলী। ব'হাগী উৎসৱৰ ৰঙীণ পৰিৱেশৰ মাজত ছাত্ৰ-ছাত্ৰীৰ অভূতপূৰ্ব সঁহাৰি আৰু উৎসাহ দেখি অভিভূত হৈ পৰে। মহাবিদ্যালয় প্ৰাংগণত ছাত্ৰ-ছাত্ৰীৰ সৈতে মত-বিনিময় কৰি ছবিখন চাবলৈ সকলোকে আহ্বান জনায় অভিনেত্ৰীগৰাকীয়ে। ছ'চিয়েল মিডিয়াত ইতিমধ্যে যথেষ্ট চৰ্চা লাভ কৰা এই ছবিখনৰ নামটোৱেই দৰ্শকৰ মাজত ৰহস্য আৰু কৌতূহলৰ সৃষ্টি কৰিছে। ছবিখনত দৰ্শকে প্ৰচুৰ হাঁহিৰ খোৰাক পাব। কেৱল কৌতুক নহয়, কাহিনীটোত আছে কিছু আৱেগিক মুহূৰ্ত আৰু ৰহস্যৰ সংমিশ্ৰণ। সৰু-বৰ সকলোৱে একেলগে বহি উপভোগ কৰিব পৰা এক নিভাঁজ কাহিনীৰে ছবিখন নিৰ্মাণ কৰা হৈছে। অসমৰ জনপ্ৰিয় ন-পুৰণিৰ শিল্পীসকলৰ শক্তিশালী অভিনয়ে ছবিখনক এক অনন্য মাত্ৰা প্ৰদান কৰিছে। অসমীয়া চলচ্চিত্ৰ উদ্যোগটোক এক নতুন গতি প্ৰদান কৰাৰ লক্ষ্যৰে নিৰ্মাণ কৰা 'চুপা চুপি'ৰ দলটো যথেষ্ট আশাবাদী যে ১২ জুনৰ পৰা চিনেমা হলত দৰ্শকৰ ভিৰ বৃদ্ধি পাব। স্থানীয় চিনেমা উদ্যোগটোক আগুৱাই নিবলৈ পৰিয়াল আৰু বন্ধু-বৰ্গৰ সৈতে ছবিগৃহলৈ গৈ চিনেমাখন উপভোগ কৰাটো আমাৰ সকলোৰে দায়িত্ব। গতিকে আপুনিও সাজু হওক— অহা ১২ জুনত আপোনাৰ ওচৰৰ ছবিগৃহত চাবলৈ নাপাহৰিব বছৰটোৰ অন্যতম আমোদজনক ছবি 'চুপা চুপি'।



# মডেলিং জগতত সফলতা নলবাৰী সন্ধাৰ অনামিকাৰ

**বেলশৰ ঃ** মডেলিং জগতত উজলি উঠিছে নলবাৰী জিলাৰ সন্ধা নিৱাসী অনামিকা বৰ্মন। অসমৰ বিভিন্ন স্থানত অনুষ্ঠিত বিভিন্ন মডেলিং ইভেণ্টত সুনাম অৰ্জন কৰিবলৈ সক্ষম হোৱা অনামিকা বৰ্মন শেহতীয়াকৈ উজলি উঠিছে আন এক প্ৰাপ্তিৰে। গুৱাহাটীত অনুষ্ঠিত গ্ৰেণ্ড মিছেছ আছাম শীৰ্ষক আগশাৰীৰ মডেলিং ইভেণ্টৰ ২০২৬ বৰ্ষৰ সংস্কৰণত তেওঁ লাভ কৰিবলৈ সক্ষম হয় বেষ্ট কষ্টিউম এৱাৰ্ড। পেছাত ধাত্ৰী অনামিকা বৰ্মনৰ এই সাফল্যৰ বতৰাই আনন্দৰ জোৱাৰ আনিছে সন্ধাকে ধৰি পূব নলবাৰী অঞ্চললৈ। উল্লেখ্য যে অনামিকা বৰ্মন নলবাৰী জিলাৰ সন্ধা নিৱাসী দীপ কুমাৰ ৰায়ৰ পত্নী।

# প্ৰতিভাৱান নাট্য শিল্পী ৰূপা মালাকৰৰ জীৱন জিজ্ঞাসাৰ আলেখ্য



**কা**মৰূপ জিলাৰ অন্তৰ্গত হাজোৰ ভৰালীটোলা নিবাসী পিতৃ স্বৰ্গীয় সুভাষ মালাকৰ আৰু মাতৃ তৰুলতা মালাকৰৰ সুযোগ্য কন্যা সন্তান ৰূপা মালাকৰে নিজৰ নাট্য অভিনয়ৰ প্ৰতিভাৰে নাট্যজগতত ৰাইজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। শৈশৱৰ পৰাই অভিনয় কৰি ভালপোৱা ৰূপাই একাংকিকা নাটত শিশু শিল্পীৰ অভিনয়ৰ লগতে বিহু নাচি ভালপোৱা ৰূপাই ৰাজ্যৰ ভিন্ন প্ৰান্তত শ্ৰেষ্ঠ বিহুৱতীৰ খিতাপো অৰ্জন কৰিবলৈ সক্ষম হৈছে। বৰ্তমানো ৰূপাই অসমৰ যাত্ৰা নাট্য দল, ২০২৪ বৰ্ষৰ শংকৰজ্যোতি নাট্য পৰিষদ আদি বিভিন্ন নাট্যগোষ্ঠীত 'দংশন' ,'মহাপাপ', নৰকত নষ্ট ঈশ্বৰ, শ্ৰাদ্ধ, ৰাজধানী এক্সপ্ৰেছ আদি নাটকত মূল নায়িকাৰ চৰিত্ৰত অভিনয় কৰি দৰ্শকক মুহিবলৈ সক্ষম হৈছে। সমান্তৰালভাৱে অসমৰ শংকৰী সংগীতৰ অন্তৰ্গত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ দ্বাৰা ৰচিত দিহানাম পৰিৱেশন কৰিও ভাল পায় নাট্যশিল্পী ৰূপা মালাকৰে। নাট্য কলা সাধনাত নাট্যভিনয়ৰ জড়িয়তে জগতত নিজকে প্ৰতিস্থিত কৰিবলৈ সক্ষম হৈছে ৰূপা মালাকৰে।

# শীঘ্ৰেই ছবিগৃহলৈ আহিব অসমীয়া চলচ্চিত্ৰ 'চাচনমুখী'

## চলচ্চিত্ৰ জগতৰ বাবে সুখবৰ

**না**হৰকটীয়া সাত ৰাজ সামৰি এক ৰাজ কৰা বৰ অসমৰ ভেঁটি গঢ়োঁতা চাওলুং চ্যুকাফাক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ লক্ষ্যৰে নাহৰকটীয়া চাচনীৰ ৰাজ ষ্টুডিঅ'ই নিৰ্মাণ কৰি উলিয়াইছে ইতিহাস সম্বলিত এখন সামাজিক ছবি চাচনমুখী। চাচনী ৰাজ ষ্টুডিঅ'ৰ গৌৰৱময় ৰূপালী জয়ন্তী বৰ্ষৰ নিবেদন হিচাপে 'চেং' আৰু 'চ্যাইলুইনৰ পৰা লুইতলৈ'এই গ্ৰন্থ দুখনৰ আধাৰত নিৰ্মাণ কৰিছে অসমীয়া বোলছবি 'চাচনমুখী'। কবি, নাট্যকাৰ, নাটপৰিচালক 'হেমন কুমাৰ ওৰেফে হেমন্ত ৰাজখোৱাৰ পৰিচালনা তথা সম্পাদনাৰে নিৰ্মিত বোলছবিখনত অভিনয় কৰিছে অসমৰ জনপ্ৰিয় অভিনেত্ৰী বিউটি বাইলুং , চেতনা দাস, অতুল পাচনী, জোনালী ডেকা, ড° দুৰ্গা প্ৰসাদ গগৈ, ৰিদিপ বৰুৱা 'টিশিখা দাস, দিপেন বড়া, ৰূণজুণ গগৈ, বিকাশ কোঁৱৰ, জয়দ্ৰথ কোঁৱৰকে ধৰি বহুতো ন পুৰণি শিল্পীয়ে। সংগীত ব্যৱস্থাপনাত আছে দিপাঙ্কৰ দিহিঙীয়া, ৰাজ নয়ন। কণ্ঠ নিগৰাইছে গণশিল্পী লোহিত গগৈ, ৰুবি খনিকৰ, দৰদি কণ্ঠ শিল্পী ৰেণু গগৈ আৰু গৰীয়সী বুঢ়াগোহাঁয়ে। অসমৰ বিভিন্ন ঠাইত বিশেষকৈ ঐতিহাসিক নাজিৰা, বাঘধৰা, নাহৰ পুখুৰি, টিপাম, লিহিৰি বন, শামুকতোলা, কুৰৱিগাঁও, কুজিবালি, নমাটি বস্ক গাঁৰ, সূৰ্য পাহাৰ, ইনথেম, নগাপথাৰ, সীতাকুণ্ড, ৰাজগড় ৰাঙলী আদি ঠাইত বোলছবিখনৰ শ্বুটিং সম্পন্ন কৰা হৈছে বুলি অৱগত কৰে নাট পৰিচালক গৰাকীয়ে। উল্লেখ্য যে সম্পূৰ্ণ ইতিহাস সম্বলিত সামাজিক অসমীয়া বোলছবিখন এইবছৰৰ মাজ ভাগতে ছবিগৃহত উপভোগ কৰিব পাৰিব।

# জ্যেষ্ঠ সম্পাদক ৰঞ্জিত দত্তৰ অবিৰত ভ্ৰাম্যমাণ যাত্ৰা



ভ্ৰাম্যমাণ নাট্যদল এটাৰ অগ্ৰগতি আৰু উত্থানৰ আঁৰত প্ৰযোজকগৰাকীৰ পাছতে থকা এক অন্যতম শক্তি হল নাট্যদলটোৰ সম্পাদক। কিয়নো এটা বছৰৰ আৰম্ভণিৰে পৰা শেষলৈকে অলপো বিশ্ৰাম নোলোৱাকৈ অবিৰতভাৱে দিন ৰাতি একাকাৰ কৰি প্ৰতি মুহূৰ্তত ব্যস্ত থকা মূল ইঞ্জিনটোৱেই হ'ল সম্পাদকগৰাকী। সাম্প্ৰতিক সময়ছোৱাৰ তেনে এগৰাকী নিষ্ঠাৱান সুদক্ষ নাট্যকৰ্মী তথা সম্পাদক হৈছে ৰঞ্জিত দত্ত। ভ্ৰাম্যমান থিয়েটাৰত বৰ্তমান সময়লৈ এই দায়িত্বত নিয়োজিতসকলৰ ভিতৰত দত্তই হৈছে ক্ৰমাগতভাৱে নিজৰ দায়িত্বত ব্ৰতী থকা এগৰাকী দক্ষ আৰু জ্যেষ্ঠ সম্পাদক। প্ৰচুৰ দক্ষতাৰে পুষ্ট ৰঞ্জিত দত্তই ভ্ৰাম্যমান ক্ষেত্ৰখনলৈ পদাৰ্পণ কৰিছিল 'শংকৰ-মাধৱ থিয়েটাৰ'ৰ যোগেৰে। তাৰ পাছত শ্ৰীমন্ত শংকৰদেৱ থিয়েটাৰ, আশীৰ্বাদ থিয়েটাৰ, বৰদৈচিলা, ইতিহাস থিয়েটাৰৰ দৰে আগশাৰীৰ ভ্ৰাম্যমাণ নাট্যদলসমূহত জড়িত থাকি নাট্যদলটোৰ লগতে ভিন্নজনক সেৱা কৰিবলৈ সক্ষম হৈছে।

ঢকুৱাখানাৰ আমোলাপট্টি গাঁৱৰ গৌৰৱ ৰঞ্জিত দত্তই ভ্ৰাম্যমাণত আবিৰ্ভাৱ হোৱা বহু শিল্পীৰ উত্থানতো বিশেষ অৰিহণা যোগোৱা বুলিও বহুজনে মত পোষণ কৰে। ইয়াৰ উপৰিও ইতিপূৰ্বে ভ্ৰাম্যমান মঞ্চত মঞ্চস্থ হোৱা বহুকেইখন জনপ্ৰিয় নাটকতো অভিনয় কৰিছিল ৰঞ্জিত দত্তই। আশীৰ্বাদৰ মঞ্চত 'মামা-ভাগিন' নাটকৰ মুখ্য খলনায়ক বদৰ গুণ্ডা, আৰু 'বেণ্ডিত কুইন' নাটখনত বাবু সিং গুজ্জৰ নামৰ চৰিত্ৰ কেইটাই আজিও বহুতৰে মনত সাঁজ বহুৱাই থৈছে। ভ্ৰাম্যমানৰ এই দীঘলীয়া সময়ছোৱাত মুনিন বৰুৱা, হেমন্ত দত্ত, উগ্ৰ মেনা, সেৱাব্ৰত বৰুৱা, অভিজিৎ ভট্টাচাৰ্য্য, ধ্ৰুৱজ্যোতি শৰ্মা, হিল্লোল কুমাৰ পাঠক, যতীন বৰা, মৃদুল ভূঞা, চম্পক শৰ্মা, ভৱেশ বৰুৱা, বিশ্ব শইকীয়া, নজৰুল ইছলাম, ৰবীন নেওগ, হীৰা নেওগ, সুভাষ দাস, অখিল কলিতাৰ লগতে সাংস্কৃতিক ক্ষেত্ৰখনৰ প্ৰতি মোহিত সুদক্ষ আৰক্ষী অধীক্ষক ড° নন্দসিং বৰকলা, ৰাজেন্দ্ৰ ওজা, ধ্ৰুৱজ্যোতি নাথৰ লগতে আৰক্ষী পৰিদৰ্শক দিলীপ বণিয়া, সোণমণি শইকীয়া, আৰক্ষী বিষয়া চিত্তৰঞ্জন বুঢ়াগোহাঁই, মৃণালকান্তি দাস, ভূপেন কলিতা আদিৰ দৰে মহান ব্যক্তিসকলৰ সান্নিধ্য লাভ কৰিছে সম্পাদক ৰঞ্জীত দত্তই।

চলিত বৰ্ষত সৰ্বত্ৰে জনপ্ৰিয়তা লাভ কৰা আগশাৰীৰ ভ্ৰাম্যমাণ নাট্যদল সুভাষ দাস প্ৰযোজিত ইতিহাস থিয়েটাৰত নিয়োজিত থাকি এই নাট্যদলটোলৈ আগবঢ়াই গৈছে নিজৰ অকৃপন সেৱা। এই নাট্যদলটোৰ সৈতে থাকি বিগত ৭টাকৈ সফল নাট্যবৰ্ষ ক্ৰমাগতভাৱে অতিক্ৰম কৰা ৰঞ্জিত দত্তই ভ্ৰাম্যমাণত গৰকিলে ২৭ টাকৈ ৰঙীন বসন্ত। এইবেলি দত্তৰ নেতৃত্বতেই ছুপাৰষ্টাৰ অভিনেতা যতীন বৰাক মুখ্য আকৰ্ষণ হিচাপে লৈ ইতিহাস থিয়েটাৰে ৰাইজৰ মাজলৈ লৈ অহা তিনিখন ব্যয়বহুল নাটক হৈছে 'মহাৰাজ', 'জুয়ে পোৰা মানুহ' আৰু 'মহাবীৰ লাচিত'। ইতিমধ্যে ৰাজ্যৰ প্ৰতিটো প্ৰান্ততে নাট্যদলটোৰ নাট কেইখনলৈ দৰ্শকে জনাইছে অভূতপূৰ্ব সহাঁৰি। বিশেষকৈ 'মহাৰাজ' নাটখনে বহুকেইটা পেণ্ডেলত মঞ্চস্থ কৰিবলৈ সক্ষম হৈছে দুই তিনিটাকৈ দৰ্শনী। সম্প্ৰতি নাট্যদলটো সাজু হৈছে শাৰদীয় দুৰ্গোৎসৱলৈ।

# ৰাজলক্ষ্মী থিয়েটাৰৰ মঞ্চত জনপ্ৰিয় 'মনে মনে চাওঁ তোমাক'




চলিত নাট্যবৰ্ষৰ এখন জনপ্ৰিয় নাট হৈছে 'মনে মনে চাওঁ তোমাক'। অভিজিত ভট্টাচাৰ্য ৰচিত তথা ৰাজলক্ষ্মী থিয়েটাৰে মঞ্চস্থ কৰা এই নাটখনে নামনি অসমৰ বিভিন্ন প্ৰান্তত চমকপ্ৰদ সাফল্য অৰ্জন কৰিবলৈ সক্ষম হৈছে। দৰ্শকক আনন্দ প্ৰদানৰ উদ্দেশ্য সফল হোৱা বাবেই নাটখন আৰম্ভণিৰ সময়ৰ পৰাই আলোচ্য বিষয় হৈ পৰিছে। সকলোৰে মাজত আলোচিত হোৱা এই নাটখনত আছে সকলো নাটকীয় উপাদান। য'ত দৰ্শকে বিচাৰি পায় প্ৰেম-ভালপোৱা, আৱেগ-অনুভূতি, বিশ্বাস-অবিশ্বাস আৰু প্ৰতিশোধৰ এটা নিপোটল কাহিনী, আটকধুনীয়া গীত-নৃত্যৰ চমক, পোহৰ-শব্দ-কছটিউমৰ লগতে মনোৰম দৃশ্যসজ্জা। লগতে ৰূপম কলিতাৰ সুমধুৰ আৱহ সংগীতেও নাটখনক প্ৰদান কৰিছে এক নতুন ৰূপ। এই সকলোবোৰ উপাদানৰ যথাযোগ্য সমাহাৰ ঘটিলেও নাটখনৰ জনপ্ৰিয়তাত মুখ্য সহায়ক হৈছে শিল্পীসকলৰ বলিষ্ঠ অভিনয়। ভ্ৰাম্যমাণ মঞ্চৰ বাদশ্বাহ চম্পক শৰ্মা, নৱজ্যোতি কাশ্যপ (নৱ), চন্দন ডেকা, জয়ন্ত শৰ্মা, হেমাংগ ৰাজ, দুলাল শৰ্মা, দেৱজিৎ ৰয়, অভিনেত্ৰী নন্দিনী কাশ্যপ, কল্পনা কলিতা, গীতাঞ্জলি বৰা, পূজা তালুকদাৰ আদিয়ে নাটখনৰ জনপ্ৰিয়তাত যোগাইছে সময়োপযোগী ইন্ধন। চলিত বৰ্ষত ৰাজলক্ষ্মী থিয়েটাৰে মঞ্চস্থ কৰা অন্য দুখন নাটক হৈছে চম্পক শৰ্মাৰ 'ঘাঁ' আৰু অভিজিত ভট্টাচাৰ্যৰ 'কুৰুক্ষেত্ৰৰ সৈনিক'।

# সুৰজিৎ একাডেমীত সীমান্ত শৰ্মাৰ পৰিচালনাত 'মুক্তিৰ পথ'ৰ মঞ্চায়ন

অসমৰ নাট্য জগতৰ নাট্যকাৰ-পৰিচালক সীমান্ত শৰ্মাৰ "মুক্তিৰ পথ" নাটখন এক অপূৰ্ব কাল্পনিক সৃষ্টি। এই নাটখনত চৰিত্ৰ সৃষ্টিও তুলনাবিহীন। সমসাময়িক সামাজিক পৰিস্থিতি আৰু প্ৰেক্ষাপটৰ পৰা আহৰণ কৰা এই নাটখনৰ সংলাপ আৰু ভাষা দৰ্শকৰ হৃদয় চুই যায়। "মুক্তিৰ পথ" নাৰী শক্তিৰ সাহসিকতাৰ এক উজ্জ্বল প্ৰতিফলন। লাঞ্ছিত-অবহেলিত হৈও নিজৰ কৃষ্টি আৰু সাধনাক জীৱিত ৰাখি সতেজ কৰি ৰখাৰ মহান বাৰ্তা এই নাটখনত প্ৰতিফলিত হৈছে। নাটখনৰ মুখ্য বিষয়বস্তু দুখন আশ্ৰম আৰু দুগৰাকী নৃত্য গুৰুমাক কেন্দ্ৰ কৰি গঢ় লৈ উঠিছে। এগৰাকী গুৰুমাই আশ্ৰমত অনাথ শিশুসকলক লালন-পালন কৰি আধ্যাত্মিক জ্ঞান, শাস্ত্ৰ, শিক্ষা, সাহিত্য আৰু সংস্কৃতিৰ শিক্ষা প্ৰদান কৰি প্ৰতিগৰাকী নাৰীক আত্মনিৰ্ভৰশীল কৰি তোলে। তেওঁ নাৰীক সমাজত শক্তিশালী সত্তা হিচাপে প্ৰতিষ্ঠা কৰে আৰু কেতিয়াও ধনৰ লোভত নাৰীৰ সতীত্ব নষ্ট কৰাৰ দৰে কুকাৰ্যৰ পথ নলয়। নাৰীক সন্মান জনাই দেৱী দুৰ্গা-পাৰ্বতীৰ ৰূপত দাঙি ধৰে। নাৰীক সমাজত শক্তিশালী সত্তা হিচাপে পৰিগণিত কৰি আহিছে। এখন নাট সফলভাৱে মঞ্চায়ন কৰাটো সহজ নহয়, কিন্তু এই কঠিন কামটো সীমান্ত শৰ্মাই এপ্ৰিলত



গুৱাহাটীৰ সুৰজিৎ একাডেমী কমপে'ত সফলভাৱে সম্পন্ন কৰে। নাটখনৰ প্ৰতিটো দৃশ্যৰ অভিনয় শৈলী দৰ্শকক অভিভূত কৰি তোলে। কৌশলী উপস্থাপনেৰে দৰ্শকসকলক আৰম্ভণিৰ পৰা অন্তলৈ বান্ধি ৰাখে। প্ৰতিটো সংলাপে সাহিত্যিক মাধুৰ্যৰে হৃদয়ত গভীৰ ছাপ পেলায়। কোনো শব্দই অপ্ৰয়োজনীয় বা অপ্ৰাসঙ্গিক নাছিল। অসমীয়া সাহিত্যৰ তত্ত্ব গধুৰ শব্দ প্ৰয়োগ আছিল। নৃত্য গীতৰ সমাহাৰ নাট খনত প্ৰয়োগ কৰাত নাটখন ব্যতিক্ৰমধৰ্মী শৈলী দেখা গৈছিল। "গুৰু মা" চৰিত্ৰত কৰিস্মিতা তালুকদাৰৰ অভিনয় প্ৰশংসনীয়। তেওঁৰ অভিনয়ত কোনো জড়তা লক্ষ্য কৰা নগ'ল আৰু তেওঁ প্ৰতিটো দৃশ্যত স্বাভাৱিকভাৱে দৰ্শকৰ হৃদয় জয় কৰিবলৈ সক্ষম হয়। "হেমা" চৰিত্ৰত তৃষ্ণা কলিতাৰ অভিনয়ো সমানেই সাৱলীল। পুৰুষ চৰিত্ৰ "হংস" ৰূপে দেৱপ্ৰতীম গোস্বামীৰ অভিনয় নিখুঁত আৰু হৃদয়স্পৰ্শী, যিয়ে নাটখনত হাঁহিৰ ৰং সংযোজন কৰে। শিশু চৰিত্ৰ "গীতু"ত অংশুমান দাসে অভিনয় কৰি বিশেষ আকৰ্ষণ সৃষ্টি কৰে। তেওঁৰ অভিনয়ে দৰ্শকক গভীৰভাৱে আপুত কৰে। মায়ানগৰী মুম্বাইৰ সপোনে অনুপ্ৰাণিত অংশুমাণ দাসৰ অভিনয় আৰু নৃত্যত দৰ্শকৰ হৃদয় স্পৰ্শ কৰিছিল। অন্যান্য চৰিত্ৰত অভিনয় কৰা কৃষ্টি ৰাজবংশী, পলক কৈৱী, অৰিত্ৰিকা বৰুৱা, লিয়ানা দেৱ আৰু আৰিয়া জিব্ৰানৰ অভিনয়ো সাৱলীল। কোনো ধৰণৰ জড়তা নাছিল। নাটখনৰ সংগীতত সহায় কৰিছে হাৰ্দিক শৰ্মাই আৰু সহকাৰী পৰিচালক হিচাপে দায়িত্ব পালন কৰিছিল বিনীতা দেৱীয়ে। দৃশ্য সজ্জা আৰু মঞ্চ সজ্জাত প্ৰণৱ জ্যোতি ৰাভা আৰু ধ্ৰুৱ জ্যোতি কলিতাৰ অৱদান উল্লেখযোগ্য। পোহৰ পৰিচালনাত হিমাংশু দাস, গণেশ বড়ো আৰু হেমেণ সেনাপতি, ৰূপসজ্জাত কৃতাৰ্থ শৰ্মা, সাজসজ্জাত বিনীতা দেৱী আৰু উৎপাদন নিয়ন্ত্ৰণত দীপা মহন্তৰ ভূমিকা বিশেষভাৱে উল্লেখযোগ্য। সীমান্ত শৰ্মাই দক্ষ পৰিচালনাৰ জৰিয়তে নাটখন দৰ্শকৰ মাজত সফলভাৱে উপস্থাপন কৰিবলৈ সক্ষম হয়।

# বিহু আৰু পৰম্পৰাগত খাদ্যসম্ভাৰ

**ৰশ্মিৰেখা দুৱৰা**

"বিহুটি আদৰৰ, বিহুটি সাদৰৰ, বিহুটি অসমৰ প্ৰাণ,
এনুৱা বিহুটি এৰিব লাগিলে নাথাকে অসমৰ মান।"

অসমীয়াৰ হিয়াৰ আমঠু বাপতি-সাহোন বিহু।বিহু অসমৰ জাতীয় কৃষিভিত্তিক উৎসৱ। বিহু উৎসৱৰ লগত অসমৰ উজনিৰ পৰা নামনি সকলো অঞ্চলৰ লোকৰে এক নিবিড় সম্বন্ধ গঢ়ি উঠে। পূৰ্বতে কৃষিভিত্তিক উৎসৱ হিচাপেই বিহু গঢ় লৈ উঠিছিল যদিও পৰৱৰ্তী সময়ত আনন্দ উৎসৱলৈ পৰিণত হৈছিল। বিহু অসমীয়াৰ তেজত আছে, বিহু অসমীয়াৰ প্ৰাণস্বৰূপ, বিহু অসমীয়াৰ সিৰে সিৰে প্ৰবাহিত হৈ আছে। বিহু বুলি ক'লেই মন-প্ৰাণ উখল-মাখল লাগে।কেনেকৈ ধুমধামেৰে আয়োজন কৰিব পাৰি।

বিহুক প্ৰধানকৈ তিনিটা ভাগত ভাগ কৰা হৈছে।ব'হাগ বিহু,কাতি বিহু আৰু মাঘ বিহু। ব'হাগ বিহুক ৰঙালী বিহু, কাতি বিহুক কঙালী বিহু আৰু মাঘৰ বিহুক ভোগালী বিহু বুলিও কোৱা হয়। বীজ সিঁচাৰ পৰা খেতি চপাই ভোগ কৰালৈকে বিহুৰ লগত সম্বন্ধ আছে। সেয়েহে কোৱা হয় কৃষিৰ লগত বিহুৰ ওতপ্ৰোত সম্বন্ধ আছে।

ব'হাগ বিহুৰ পৰাই খেতিৰ আৰম্ভণি হয়। মাটি চহোৱা, বীজ সিঁচা আদি। ব'হাগ বিহু যিহেতু ৰঙৰ উৎসৱ সকলোৰে মন-প্ৰাণ ৰং-ৰহইচৰে উপচি পৰে। কনিষ্ঠৰ পৰা জ্যেষ্ঠলৈ সকলোৱে বিহুত মতলীয়া হৈ হুঁচৰি গাই আনন্দ উপভোগ কৰে। গাভৰুসকলে গছ তলৰ বিহু কৰে। জা-জলপান, পিঠা-পনা আদি প্ৰস্তুত কৰে পৰিয়ালৰ সৈতে খোৱাৰ উপৰি আলহী আপ্যায়নৰ বাবে। ব'হাগ বিহুৰ প্ৰথম সাতটা দিনক সাতবিহু বিহু বুলিও কোৱা হয়। ক্ৰমে গৰু বিহু, মানুহ বিহু, গোসাঁই বিহু, তাঁতৰ বিহু, নাঙলৰ বিহু, জীৱ-জন্তুৰ বিহু আৰু চেৰা বিহু। ঠাই ভেদে উক্ত সাতবিহুক ভিন্ন নামেৰে নামাংকন কৰিছে। প্ৰতিটো দিনৰে উল্লেখযোগ্য বৈশিষ্ট্য আছে। গৰু বিহুত পুৱাই গৰুক মা-হালধিৰে গা-ধুৱাই চাটত সীয়া লাও-বেঙেনা গালৈ দলিয়াই।যিহেতু গৰুৱে হৈছে খেতিয়কৰ সম্বল। গধূলিলৈ গোহালিত জাক দিয়া হয়। গৰুক তৰা পঘাৰে বান্ধি নিমখীয়া পিঠা খুওৱা হয়। প্ৰাৰ্থনা কৰে গৃহস্থই গৰুকেইটা যাতে অপায়-অমঙ্গল নহয়। মানুহ বিহুত নামঘৰত সেৱা জনোৱাৰ লগতে পৰিয়ালৰ জ্যেষ্ঠজনৰ পৰাও আশীৰ্বাদ গ্ৰহণ কৰা হয়। উক্ত সাতবিহুৰ প্ৰত্যেকৰে সুকীয়া বৈশিষ্ট্য আছে।

কাতি বিহুত পথাৰৰ ধাননিডৰাৰ বাঢ়নীৰ সময়, গেঁৰ ওলাই। এই বিহুত জাক-জমকতা নাই। যিহেতু ভঁৰাল উদং হৈ পৰে। খাবলৈ অভাৱ হয়। কাতি বিহুত তুলসীৰ তলত চাকি জ্বলোৱাৰ লগতে পথাৰতো চাকি দিয়া হয়। ধাননিডৰা যাতে পোক-পতঙ্গই নাশ কৰিব নোৱাৰে। ঠাই ভেদে তুলসীৰ তলত শৰাই আগবঢ়ায়ো প্ৰাৰ্থনা কৰে।



মাঘৰ বিহুত সকলো ৰাইজে মিলি ভোগ কৰে, খেতি চপোৱাৰ শেষত। আঘোণত যিহেতু সোণোৱালী ধানেৰে ভঁৰাল উপচি পৰে। খেতি চপোৱাৰ আনন্দতে এসাঁজ একেলগে গ্ৰহণ কৰে। এই বিহুত পিঠা-পনা, জা-জলপান আদি প্ৰস্তুত কৰাৰ লগতে মিঠা আলু আৰু কাঠ আলু খোৱাৰ নিয়মো আছে।

পৰম্পৰাগত খাদ্যসম্ভাৰলৈ চকু ফুৰাবলৈ গ'লে প্ৰথমে পঁইতা ভাতৰ সোৱাদ লৈ মনত পৰে। উৰুকাৰ ৰাতিয়ে পানী দি থৈ দিয়া পঁইতা ভাত গৰু বিহুৰ পুৱাই সৰিয়হৰ তেল, কেঁচা পিঁয়াজ, আলু পিটিকা আৰু পানীটেঙাৰ সৈতে খোৱা পঁইতা ভাতৰ সোৱাদেই সুকীয়া। খালে খাই থাকিবৰ মন যোৱা। বিহু বুলিয়ে নহয় গৰমৰ দিনত মাজে-সময়ে পঁইতা ভাত খোৱাটো স্বাস্থ্যৰ বাবেও ভাল। সৰিয়হৰ বা লাই গুটিৰে প্ৰস্তুত কৰা পানীটেঙাও বৰ সোৱাদযুক্ত হয়। থেকেৰা টেঙাৰ সলনি আন টেঙা ব্যৱহাৰ কৰিয়ো পানীটেঙা প্ৰস্তুত কৰিব পাৰি যদিও থেকেৰা টেঙাৰে প্ৰস্তুত কৰা পানীটেঙাৰ সোৱাদ বেছি। ঘনাই চৰ্দি হৈ থকা ব্যক্তিয়ে পানীটেঙা খালে চৰ্দিৰ পৰা পৰিত্ৰাণ পায়। যিহেতু পানীটেঙাত জাল আছে। গৰু বিহুৰ দিনা ১০১ বিধ শাকৰ আঞ্জা খোৱাৰ নিয়মো আছে। ১০১ বিধ শাক সহজে পোৱা সম্ভৱ নহয়। সেয়েহে কোনো কোনোৱে ২১ বিধ বা ৭ বিধ ব্যঞ্জনে ৰান্ধি খায়।সাত বিধ ব্যঞ্জনক সাতশাকী বুলিও কোৱা হয়। কোনো ঠাইত চেৰা বিহুৰ দিনা ১০১ বিধ শাক খোৱাৰ নিয়ম আছে। গৰু বিহুত আমৰলি টোপ খালে ১০১ বিধ শাক নাখালেও হয় বুলি কোৱা হয়। আমৰলি টোপৰ লগত বেত গাজ ৰান্ধি খালে অনন্য সোৱাদ পোৱা যায়।সেয়া হয়তো খাই পোৱা জনেহে অনুভৱ কৰিব পাৰিব।



১০১ বিধ শাকৰ তালিকাখন তলত উল্লেখ কৰা হৈছে-১/লাই ২/খুতৰা ৩/জিলমিল ৪/পালেং ৫/ ব্ৰাহ্মী ৬/ ঢেঁকীয়া ৭/ দোৰোণ ৮/লেহেতি ৯/কুকুৰাঠেঙীয়া ১০/ গৰুখিচ ১১/ কচু ১২/ চেংমৰা ১৩/ শতমূল ১৪/ টিকনি বৰুৱা ১৫/ হাতীখুতৰা ১৬/ মেথি ১৭/ নলটেঙা ১৮/ সৰিয়হ ১৯/ শুকলতি ২০/ নেফাফু ২১/ মানিমুনি ২২/ ভেদাইলতা ২৩/টেঙেচি ২৪/নৰসিংহ ২৫/পদিনা ২৬/ মছন্দৰী ২৭/ লাইজাবৰি ২৮/লফা ২৯/ ধনিয়া ৩০/পিঁয়াজ পাত ৩১/হেলেঞ্চি ৩২/পনৌনৌৱা ৩৩/মূলা পাত ৩৪/জাতিলাও আগ ৩৫/ ৰঙালাও আগ ৩৬/মহানিম ৩৭/মৰিচা ৩৮/বিহলঙনী ৩৯/মৰাপাট ৪০/মধুসোলেং ৪১/বৰমানিমুনি ৪২/অমিতা ফুল ৪৩/শেৱালি ফুল ৪৪/অমৰা ফুল ৪৫/আমৰ ফুল ৪৬/অসুক ফুল ৪৭/আনাৰসৰ কোঁহ ৪৮/আলুৰ পাত ৪৯/আদা পাত ৫০/কেঁহেৰাজ ৫১/কলমৌ ৫২/ কুহিলা পাত ৫৩/চজিনা পাত ৫৪/গাজৰ পাত ৫৫/চিৰতা পাত ৫৬/চালকুঁৱৰী ৫৭/তিঁয়হ পাত ৫৮/তুলসী ৫৯/তিতাফুল ৬০/কেৰেলা পাত ৬১/ কোমোৰা পাত ৬২/জেতুলীপকা পাত ৬৩/জলকীয়া পাত ৬৪/ জালুক পাত ৬৫/মেটেকা ৬৬/মানধনিয়া ৬৭/বৃন্দাবন ৬৮/পটল পাত ৬৯/পিপলি ৭৯/বনজালুক ৮০/দুপৰ টেঙা ৮১/ ধুন্দুলি পাত ৮২/ধতুৰা ৮৩/নুনি পাত ৮৪/ নহৰু পাত ৮৫/ পিৰালি পালেং ৮৬/নিলাজী বন ৮৭/বিলাহী পাত ৮৮/মৰলিয়া পাত ৮৯/ভেঁটফুল ৯০/পুৰৈ শাক ৯১/চয়াবিন পাত ৯২/ জিকা পাত ৯৩/কাঠ আলু পাত ৯৪/মিঠা আলু পাত ৯৫/থেৰেজু পাত ৯৬/জবা ফুল ৯৭/ আৰফুল ৯৮/ওলকবি পাত ৯৯/আগেজলা ১০০/গাখীৰতী।


বিহু বুলি ক'লে সাজ পানী তৈয়াৰ কৰাও হয়। মৃতকত দিয়াৰ উপৰি ঘৰলৈ অহা আলহীক যচা হয়। তদুপৰি তিল পিঠা, ঘিলা পিঠা, তিলৰ লাডু, নাৰিকলৰ লাডু, ভাপত দিয়া পিঠা, দৈ, চিৰা, সান্দহ, নিমখীয়া পিঠা আদি প্ৰস্তুত কৰা হয়। পৰিয়ালবৰ্গই পিঠা-পনাৰে চাহ খোৱাৰ লগতে অতিথিপৰায়ণ কৰা হয়। মাঘৰ বিহুত মিঠা আলু,কাঠ আলু খোৱাৰ নিয়মো আছে। সমজুৱা ভোজত মাটি দাইল, হাঁহ-কোমোৰাৰ আঞ্জাৰ সোৱাদেই সুকীয়া। গৰুক গা-ধুৱাবৰ বাবে চাটত সীয়া লাও, বেঙেনা, থেকেৰা, হালধি আদিবোৰ মাংসত দি ৰান্ধি খোৱা হয়। গাহৰ মাংসৰ লগত টিকনি বৰুৱা ৰান্ধিলেও বৰ সোৱাদযুক্ত হয়। উক্ত খাদ্যবোৰ পৰম্পৰাগতভাৱে অতীজৰে পৰা গ্ৰহণ কৰি অহা হৈছে।

কৃষিকৰ্মৰ লগত জড়িত চহা লোকসকলৰ মুখৰ পৰা কষ্টৰ মাজেৰেই ন-ন গীতৰ কলি নিগৰিছিল। বিহু অসমীয়া জাতিৰ অমূল্য সম্পদ। এই বিহুৰ পৰাই অসমীয়া লোক-সাহিত্যৰ অন্যতম সম্পদ বিহুনামবোৰৰ উৎপত্তি হৈছে। বিহুৰ লগত অসমীয়াৰ পৰম্পৰাগত খাদ্যবোৰ জড়িত হৈ আছে। চহা লোকসকলে কষ্ট কৰি যেতিয়া পথাৰৰ পৰা ঘৰলৈ আহি ভাগৰি পৰে, ভাগৰ পলোৱাবৰ বাবে সাজ পানী এবাতি খায় জিৰণি লয়। ন-খোৱা, ন-ভূঁই ৰোৱা, বীজ সিঁচা আদি সকলো পৰ্বতে সাজ পানী ব্যৱহাৰ হয়। বিহু বুলি ক'লে মাছ-মাংসকে আদি কৰি বিভিন্ন শাক-পাচলি, আমৰলি টোপ, পিঠা-পনা আদি গ্ৰহণ কৰা হয়।

*ফোন ঃ ৬০০০৬-৮২১৮৩*

# চিন্তাশক্তি আৰু কৰ্মশক্তিৰ উত্তৰণ

**দুলুমণি দেৱী**



এটা সময় আছিল মানুহে প্ৰকৃতিৰ সৈতে সহাৱস্থান কৰিছিল ।যিটো সময়ত মানুহৰ মাজত জ্ঞানৰ পৰিসৰ তেনেই সীমিত আছিল ।আদিমতম অৱস্থাত মানুহে হাবিয়ে-জংঘলে বসবাস কৰিছিল তেতিয়া চিন্তাশক্তি আৰু কৰ্মশক্তি দুয়োটা সক্ৰিয় নাছিল। কিয়নো প্ৰকৃতিৰ পৰাই সকলোখিনি সংগ্ৰহ কৰিছিল। খাবৰ কাৰণে গছৰ ফল, পিন্ধিবৰ কাৰণে গছৰ পাত, চাল-বাকলি ইত্যাদি। তদুপৰি নদীৰ মাছ, হাবিৰ জীৱ-জন্তু আদিও চিকাৰ কৰি যিয়ে যেনেকৈ পাৰে খাইছিল। গতিকে কৰ্মশক্তি বিকশিত হোৱা নাছিল। ঠিক তেনেকৈ চিন্তা কৰিব লগা পৰিস্থিতিৰো উদ্ভৱ হোৱা নাছিল। প্ৰকৃতিৰ অনবদ্য অৱদানক লৈয়ে মানুহ সুখী আছিল । সেই অৱদান যিয়ে যেনেকৈ পাইছিল গ্ৰহণ কৰিছিল। এতিয়া কথা হ'ল মানুহৰ মাজত চিন্তা কৰাৰ প্ৰৱণতা কিয় আহিল? আৰু কেতিয়াৰ পৰা আহিল ? প্ৰকৃতিৰ মাজত মানুহে সুখী জীৱনেই কটাইছিল, তথাপি মানুহে কিয় সমাজ পাতি থাকিবলৈ শিকিলে।

মানুহৰ মাজত যেতিয়া জনসংখ্যা বৃদ্ধি পাবলৈ ধৰিলে তেতিয়া মানুহ একগোট হৈ সংগবদ্ধ হ'বলৈ ল'লে আৰু উন্নতধৰণে জীৱন কটোৱাৰ হাবিয়াস গঢ়ি উঠিল। তদুপৰি গছৰ ফল, হাবিৰ চিকাৰো একেদৰে নাথাকে, মানুহৰ সংখ্যা বৃদ্ধিয়ে খাদ্যৰ নাটনিৰো সমস্যা সৃষ্টি কৰিলে। চকাৰ আৱিষ্কাৰে নতুন এক যুগৰ আৰম্ভণি ঘটালে। মানুহে যেতিয়া এঠাইৰ পৰা আন এঠাইলৈ যাব পৰা সুযোগ-সুবিধা হ'ল তেতিয়াৰ পৰা কৰ্ম কৰাৰ স্পৃহা বাঢ়িল। লগে লগে শিক্ষা প্ৰসাৰ সাধন হ'বলৈ ধৰিলে।

চিন্তাশক্তিৰ উত্তৰণ ঘটে শিক্ষাৰ দ্বাৰা। সমাজ পাতি থকাৰ পাছৰে পৰা মানুহে লাহে লাহে উন্নত চিন্তা চৰ্চা কৰিব পৰা হ'ল। সমাজৰ পিছত এখন ৰাষ্ট্ৰৰ কথাও মানুহৰ মনলৈ আহিল। ঠিক তেনেকৈ উন্নত প্ৰযুক্তি-কৌশলৰ আৱিষ্কাৰ হ'ল যাৰ ফলত ইখন দেশৰ লগত সিখন দেশৰ যোগাযোগ অতি সহজ হৈ পৰিল।

আদিম অৱস্থাৰ পৰা বৰ্তমান সময়লৈকে যুগে যুগে যিমান পৰিৱৰ্তন হৈছে এই সকলোখিনি মানুহৰ চিন্তাৰ উৎকৰ্ষ সাধনৰ ফলতহে সম্ভৱপৰ হৈছে। আৰু বৰ্তমান বিশ্বায়নৰ যুগত সমগ্ৰ বিশ্বখনেই এখন গাঁৱত পৰিণত হৈছে। বিশ্বায়নৰ যুগত নতুনত্ব প্ৰতিদিনেই আমাৰ চকুত পৰে। নতুন এক যুগৰ সূচনা হ'ল যেতিয়া কৰ্মশক্তি বৃদ্ধি পালে আৰু চিন্তাশক্তিৰ উওৰণ ঘটিল। সেয়া সম্ভৱ হ'ল আদিমতম সময়ত মানুহৰ মনত যেতিয়া নতুন চিন্তাৰ উদ্ৰেক হ'ল।

যি কি নহওক নতুনত্ব সকলোৰে বিচাৰে। আদিম অৱস্থাৰ পৰা ভিন্ন পৰ্যায়ৰ মাজেৰে পৰিৱৰ্তন হৈ আহিছে বৰ্তমানলৈকে।

*ফোন ঃ ৯৬৭৮১-৬৪৯৭৪*

# ভাঙি পেলোৱা মূৰ্তিবোৰ

■ শঙ্কৰ শইকীয়া

যিবোৰে শ্ৰমিকৰ অধিকাৰ সাব্যস্ত কৰিব নিবিচাৰে
সিঁহতেই ভাঙি পেলাব পাৰে মাৰ্ক্সৰ মূৰ্তি

যিবোৰে কৃষকৰ অধিকাৰ সাব্যস্ত কৰিব নিবিচাৰে
সিঁহতেই
ভাঙি পেলাব পাৰে মাওৰ মূৰ্তি

যিসকলে জাতিৰ অধিকাৰ সাব্যস্ত কৰিব নিবিচাৰে
সিঁহতেই
ভাঙি পেলাব পাৰে লেনিনৰ মূৰ্তি

যিবোৰে সাম্ৰাজ্যবাদৰ বিৰুদ্ধে থিয় দিব নিবিচাৰে
সিহঁতেই, ভাঙি পেলাব পাৰে চে'-ৰ মূৰ্তি

যিবোৰে সাম্প্ৰদায়িকতাৰ বিৰুদ্ধে
থিয় দিব নিবিচাৰে
সিঁহতেই, ভাঙি পেলাব পাৰে গান্ধীৰ মূৰ্তি

যিবোৰে দাৰিদ্ৰ্যতাৰ বিৰুদ্ধে থিয় দিব নিবিচাৰে
সিঁহতেই ভাঙি পেলাব পাৰে বিবেকানন্দৰ মূৰ্তি

যিবোৰৰ বাবে
মানুহৰ কোনো দাম নাই
সিঁহতে নিৰ্দ্বিধাই
এপিনৰ পৰা ভাঙি পেলাব পাৰে
ৰবীন্দ্ৰনাথৰ মূৰ্তি
নজৰুলৰ মূৰ্তি
চণ্ডীদাসৰ মূৰ্তি



যিবোৰে
তেজৰ ৰং একে বুলি মানি নলয়
সিহঁতেই
বহিৰ্বলে কুণ্ঠাবোধ নকৰে
বুলডজাৰৰ চালকৰ আসনত
আৰু এপিনৰ পৰা ভাঙি যাব পাৰে ঘৰ
ৰংপিৰ, ৰহমানৰ, ৰবাৰ
বিছমুতিয়াৰীৰ

যেনেদৰে বামিয়ানত ভাঙি পেলায় বুদ্ধৰ মূৰ্তি
এচাম ধৰ্মোন্মাদে
আৰু হত্যা কৰে মানুহ

ঘৃণা,হত্যা, মৃত্যু
ধ্বংস দেখি দেখি মানুহে
মানৱতাৰ কথা ক'বলৈ
ভয় কৰা হৈছে
মানৱতাৰ জয়গান গাবলৈ
ভয় কৰা হৈছে
সমতাৰ কথা ক'বলৈ
ভয় কৰা হৈছে

মৈত্ৰী আৰু স্বাধীনতাৰ কথা ক'বলৈ
যেতিয়াই ভয় কৰিবলৈ আৰম্ভ কৰে
তেতিয়াই বুজিব লাগিব
মানুহ হ'বৰ বাবে
মানুহে তৰা যুঁজখনৰ
এতিয়াও সামৰণি পৰা নাই

অবিৰতভাৱে চলা যুঁজ এখনৰ বাবে
নতুনকৈ কোনো দিন-বাৰ চাব নালাগে
হয় যুঁজখন এই মুহুৰ্ত্ততে আৰম্ভ কৰা হওক
নিজৰে পৰা

# গছৰ দৰে, নৈৰ দৰে আই

■ ড° নন্দ সিং বৰকলা



গছৰ দৰে, নৈৰ দৰে আইৰ মুখ
যেনিয়ে চাওঁ তেনিয়ে বিষাদ পাহৰি
এটা পোন বাট...

আজন্ম খোজকাঢ়ি আহি আছো
সেউজীয়া নে পানীৰ ঢৌ আইৰ চকুত নাচে
যেন আকাশ ভাঙি বৰষুণৰ মাটি আলিংগন আৰু
শস্যৰ মুকুল জীৱন

বতাহতো, ৰ'দতো আইয়ে এৰি দিয়ে চকুৰ তৃষ্ণা
বুকুৰ প্ৰেম, ভালপোৱা আৰু গিলি থয় এগাল যন্ত্ৰণা,
বিষাদ

আইৰ চকুত অনুধাৱন কৰো
ৰাতিৰ দৰে হ'বলৈ, জোনাক, বৰষুণ, ফেঁহুজালি
আৰু ৰ'দৰ স'তে
ধুমুহাৰ দৰে হ'বলৈ

ইয়াৰ বাবেই সোলোকাই থওঁ ৰঙীন পোছাক পাৰো
যদি
আকৌ এবাৰ আইৰ মাতত বিচাৰি আনিবলৈ
জুহালত বহি বহি নাতিহঁতক সাধু কোৱা গধূলি এটা
আঘোণৰ চোতালৰ মৰণা, ব'হাগৰ নঙলা খুলি অহা
বিহুৱা হুচৰি দলৰ আশীৰ্বাদ ল'বলৈ

ইমান নীৰৱ, ইমান জান-নেজান মাতৰ বাংময়তা
যেন আকাশ-বতাহ-সাগৰ-নীলা-সেউজীয়া
সকলোতে
ফটিকাৰ ধাৰ যেন আইৰ স্নেহাকুল হাঁহি ...
য'ত তিতি আছো, পঢ়িছো- যন্ত্ৰণা, প্ৰাৰ্থনা, এচাৰিৰ
আগৰ পাঠশালা
এৰাতি বুকুত কুঁচি-মুচিকৈ পাৰ কৰা ল'ৰালি
আইৰ আপাদমস্তক যেন জীৱনৰ সুগন্ধি
এতিয়া নিতৌ চকু চলচলীয়া... অতীত সুঁৱৰি
আইৰ স্নেহ বৈ আছে ভৰিৰ পৰা মূৰলৈ
চকু, মুখ, দুহাতেৰে- দ্ৰুতগতিৰ ৰে'ল এখনৰ দৰে
এৰি গৈছো ক্ৰমশঃ জীৱনৰ ষ্টেচনত
ঈৰ্ষা, ক্ৰোধ, বিষাদ আৰু ধৰি আছো সজল প্ৰাৰ্থনা
মানুহৰ বাবে...

গধূলি জুহালত বহিলে আই সোমাই আহে
মোৰ ভিতৰলৈ পূৰ্ণিমাৰ জোন হৈ
গছৰ দৰে, টাৰ দৰে
ওপৰলৈ, আগলৈ সোঁত হৈ বৈ বৈ নিৰন্তৰ...

# চ'ত নে ব'হাগ

■ ৰূপালী গগৈ চুতীয়া

সোণাৰুৱে বসন্তৰ জাননী দিলে
তাকে দেখি এজাৰেও মেলিলে কলি
এইবাৰ বিহুতে তুমিও আহিবা
মনৰ কথা কম খুলি।
বহু কথা ক'বলৈ আছে
নাপাওঁ যে তোমাক কাষত
মনৰ বেথাবোৰ কাক খুলি ক'ম
তুমিও থাকা বহু দূৰত।



কপৌ ফুল ফুলিলে
কুলিয়ে কান্দিলে বনত
বহু হেঁপাহেৰে গামোচা বলো মই
সদায় পৰি থাকে মনত ।

কেতেকীৰ হিয়াভঙা বিননি
চকুত নাই টোপনি
পেটলৈ নাযায় মোৰ ভাত,
নদীৰ ঘাটত বিচাৰোঁ তোমাকে
পাবলৈ নাই যে মাত।

# যন্ত্ৰ হ'লেও নোৱাৰি হেনো এতিয়া মানুহ হ'ব

■ কম্পি বৰুৱা

শব্দ মাথোঁ হৃদয়ৰ,
স্বপ্ন মাথোঁ ৰাতিৰ,
অথচ হাহাকাৰ কৰে দিনৰ
আৱেগৰ কহোঁৰণ ফালি গুচি যায়।
বৈ যোৱাৰ এতিয়া কোনো প্ৰশ্ন নুঠে,
মাথোঁ গুচি যায়।
নিজস্ব অভিৰুচিৰ আলম বিচাৰি
মাথোঁ গুচি যায়
ঘূৰি চাইছে জানো?
নাই নাচায়
উভতি অহাৰ এটা নাম ল'ব নোৱাৰি।
যন্ত্ৰ হ'লেও নোৱাৰি হেনো
এতিয়া মানুহ হ'ব।
হৃদয়শীল প্ৰাণৰ
এই জগতত স্থান নাই বুলি
চিএৰি চিএৰি গীত যুৰি
মাথোঁ গুচি যায়।
যন্ত্ৰ হ'লেও নোৱাৰি হেনো
এতিয়া মানুহ হ'ব।



# আত্ম শুদ্ধি

■ পূৰবী সন্দিকৈ বৰুৱা

অজ্ঞাত দিশে ধাৱমান নৱ প্ৰজন্ম
কাৰিকৰী দিশে দেশ বিকশিত,
তেনে চাপযুক্ত জীৱন কিয়
অৰ্থনৈতিক অগ্ৰগতিত হৈ প্ৰস্ফুতিত?

সুখৰ সন্ধানত শান্তি হেৰুৱালা
পৰিৱালক দিলা বিসৰ্জন,
মুকলি মুৰীয়া মন বুলিলা
আনন্দ উপভোগৰ হেঁপাহকণ!

সক্ষমতাক কৰিলা অক্ষম
পৰম্পৰাক গচকি মোহাৰি,
অলাগতিয়াল চিন্তাধাৰাৰে
আত্মকেন্দ্ৰিকতাক ল'লা আদৰি।



অন্তৰ্দৰ্শনত ভুগিছা কিয়
সংস্কৃতিক অৱজ্ঞা কৰি?
যুক্তিহীন যুক্তিবাদীতাত
মানৱীয়তাক মষিমূৰ কৰি!

স্বাৰ্থপৰ মনোবৃত্তি ব্যাহত কৰি
সাৱধান কৰা বিবেক বুদ্ধিক,
যুগে যুগে আহি নতুন প্ৰজন্ম
পূৰণি বুলিব এই আধুনিকতাক।

আৰ্হিত তোমাৰ নাথাকিব মান
বিশৃংখলতাক নোৱাৰিবা সহিব,
শৰীৰে যেতিয়া আৱদাৰ মাগিব
মনে যেতিয়া প্ৰশান্তি বিচাৰিব।

জীৱনৰ অন্তিম মূহুৰ্তত
অনুতপ্ত হ'ব যে হৃদয়
সমস্ত জগত ঈশ্বৰৰ প্ৰকাশ,
মই মই মই কৰি অকাৰণে
অমূল্য ক্ষণ নকৰা অপব্যয়।

চৌপাশৰ সমন্বয়তহে
পৰমাত্মাৰ হয় উপলব্ধি,
নিৰ্মল চিত্তে মনোনিৱেশ কৰা
একাত্মতাত হয় আত্ম শুদ্ধি।

# জাগ অসমীয়া জাগ

■ বাবু ডেকা (নয়ন)

দিনে দিনে কমি যোৱা অসমীয়াৰ সংখ্যা,
চাৰিওফালে অনা-অসমীয়াৰ অগ্ৰাসনৰ ঢৌ।
মাৰ খাইছে অসমীয়া, মৰিছে নিৰ্মম হাতত,
জীয়াৰী-বোৱাৰী ধৰ্ষিতা হৈছে নিৰ্দয়ীৰ পদত।

প্ৰভাৱশালীৰ মুখত মৌনতাৰ তলা,
সুবিধাবাদীৰ চকুত স্বাৰ্থৰ জ্যোতি।
ৰাজপথত আন্দোলন, ধৰ্ণা, প্ৰতিবাদৰ নাটক,
সংগঠনৰ নামত ভিৰ, কিন্তু কামত শূন্যতা।

ৰজা ঘৰিয়াৰ স্থিতি সন্দেহৰ ক'লা ছায়া,
ধৰ্ষণকাৰীৰ বাবে মুকলি ঠাইত হত্যা নাই।
নগালেণ্ডত নগা সুৰক্ষিত, মেঘালয়ত খাছীয়াৰ গৰিমা,
অসমত কিয় অসমীয়াই অসুৰক্ষিত হৈ ৰ'ব লাগে?

জাতিৰ বেপাৰী বোৰে মুকলিকৈ মাত নামাতে,
অপেক্ষাত আছে বুজি-জাতি এটা আছিল বুলি।
ইতিহাসৰ পাতত লিপিবদ্ধ হোৱাৰ আগতে,
এই ধুদিয়া জাতি টোপনিৰ পৰা কেতিয়া সাৰ পাবা?
জাগ অসমীয়া জাগ, টোপনিৰ বান্ধোন এৰা,

মাৰ খোৱা বুকুত জ্বলাই তোল জাতীয় জুই।
একতাৰ শক্তিৰে থিয় দিয়া, ভয় নকৰা,
এই অসম আমাৰ-এই মাটি আমাৰ প্ৰাণ।

নহ'লে বেয়া দিন অপেক্ষা কৰি আছে,
অন্ধকাৰে ঢাকি দিব সোণালী অসমখন।
জাগিলে জয়, জাগিলে অমৰত্ব,
জাগ অসমীয়া জাগ... জাগ... জাগ!

*ফোন: ৯৩৬৫৯৩৬৮০৩*

# সোণাৰু ফুলাৰ বাটেদি (শ্বায়েৰী)

■ ধনীৰাম তিছ'

(১)
তোমাৰ প্ৰেমক পোৱাৰ ব্যাকুলতাত
মোৰ বয়স উকলি গ'ল !!
জীৱন যাত্ৰাৰ আছে পথ এই বাকীছোৱা
পোৱা নোপোৱাৰ হিচাব কৰি আৰু নকটাওঁ দিন
ৰচোতেই যাব গৈ মোৰ আধৰুৱা প্ৰেম গাথা !!

(২)
জীৱনটো হেনো এক সংগ্ৰাম!
এঘৰি যুঁজি চালোঁ দেহাটো ঘুনীয়া কৰি !
পৰিছে এতিয়া মুনিচুনি বেলিটিৰ ছাঁ !
কৰি যাওঁ যদি কিছু কিছু বন-বাৰি
সেয়াও হ'ব জীৱন সঙ্গীনিৰ পৰিচৰ্য্যা!

(৩)


যাম এদিন সময়ৰ ফাক বুজি
বন্ধুক বিচাৰি বিচাৰি
নাই যাক দেখা বহু দিন
এৰি অহা তাহানিৰ চিনাকী সেই
সুদীৰ্ঘ বাটৰ দুকাষে সোণাৰু ফুলাৰ বাটেদি

(৪)
তেওঁক যদিহে পাওঁ লগ
দুয়ো মিলি দিনটো কটাম
বহুত যে জমিব আড্ডা..!
অলপ হ'লেও তো পাম নিশ্চয়
শান্তি মোৰ সন্তাপিত হিয়াত ...

(৫)
যদিহে গ'ল কোনোবা বন্ধু
গুছি কোনো অজান্তি মুলুকলৈ!
আহিম উভতি , টুকিম বিদায়ৰ চকুলু এটুপি!
হয়তো তেতিয়া ভাহিব মনত মোৰ
ফাগুনত সৰি পৰা এটি পাতৰ ছবি !!!

# কাৱাডাঙা-ৰাজহাউলী গাঁও পঞ্চায়তত আঁচনি ৰূপায়ণৰ নামত দুৰ্নীতিৰ অভিযোগ



**জনকল্যাণ বাৰ্তাৰ সেৱা, খাৰুপেটিয়া ঃ** দৰঙৰ দলগাঁও শিয়ালমাৰী খণ্ড উন্নয়ন বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত কাৱাডাঙা ৰাজহাউলী গাঁও পঞ্চায়তত চৰকাৰী আঁচনিৰ নামত সংঘটিত হৈছে ব্যাপক অনিয়ম। চৰকাৰী আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত দুৰ্নীতিৰ ভু-স্বৰ্গত পৰিণত হৈছে গাঁও পঞ্চায়ত খন । গাঁও পঞ্চায়তখনত আঁচনি ৰূপায়ণত ব্যাপক দুৰ্নীতি সংঘটিত হৈছে যদিও দেখিও নেদেখাৰ ভাওজুৰি আছে পঞ্চায়ত সচিবকে আদি কৰি এক্ৰিকেটেড ইঞ্জিনীয়াৰ জনেও। চৰকাৰে দিয়া নিৰ্দেশনা মতে আঁচনি সমূহ ৰূপান্তৰিত হৈছে নে নাই তাৰ প্ৰতি অকণো ভ্ৰূক্ষেপ নাই বিষয়া-কৰ্মচাৰীসকলৰ। এটাৰ পিছত আন এটা দুৰ্নীতি পোহৰলৈ আহিছে যদিও কাণসাৰ নাই পঞ্চায়ত সচিবগৰাকীৰ। জানিব পৰা মতে গাঁও পঞ্চায়তখনত ৰূপায়ণ হোৱা পঞ্চদশ বিত্তীয় আয়োগৰ ধনেৰে আঁচনিৰ বাবে তিনি লাখ টকা আৱণ্টন দিয়ে যদিও উক্ত আঁচনিখনত ব্যাপক দুৰ্নীতি সংঘটিত হৈছে। আঁচনিখনৰ দায়িত্বত থকা ঠিকাদাৰগৰাকীয়ে পঞ্চায়ত সচিব আৰু এক্ৰিকেটেড ইঞ্জিনীয়াৰক মোটা অংকৰ কমিচন দিয়াৰ বাবেই চৰকাৰী প্ৰাকঃকলনক জলাঞ্জলি দি ৰূপায়ন কৰা দেখা যায়। প্ৰাকঃকলনৰ নীতি নিয়ম উলংঘা কৰি অতি নিম্নমানৰ সামগ্ৰী ব্যৱহাৰ কৰাৰ লগতে শৌচালয় গৃহৰ ভেটি পাঁচ ইঞ্চি আৰু বেৰ তিনি ইঞ্চি ইটাৰে গৃহটো সজোৱা দেখা যায়। যিটো নেকি এক্ৰিকেটেড ইঞ্জিনীয়াৰে তৈয়াৰ কৰা প্ৰাক্‌কলনক সম্পূৰ্ণভাৱে অৱজ্ঞা কৰা দেখা গৈছে। আনহাতে আঁচনিখনৰ বাবে পঞ্চদশ বিত্তীয় আয়োগৰ পৰা পৰ্যাপ্ত পৰিমাণৰ ধন আৱণ্টন দিছে যদিও আঁচনিখনত কোনো ধৰণৰ কাম নকৰাকৈয়ে অধিকাংশ ধন আত্মসাৎ কৰা পৰিলক্ষিত হৈছে। উক্ত আঁচনি দুখনৰ বাহিৰেও গাঁও পঞ্চায়তখনত আৱণ্টন হোৱা অধিকাংশ আঁচনিত ব্যাপক দুৰ্নীতি সংঘটিত হৈছে যদিও কোনো ধৰণৰ কাণসাৰ নাই পঞ্চায়ত সচিবগৰাকীৰ। পঞ্চায়ত সচিব আৰু এক্ৰিকেডেট ইঞ্জিনীয়াৰৰ লগত কাম কৰা ঠিকাদাৰজনে বুজাবুজিৰ মাধ্যমৰে কাম নকৰাকৈয়ে মোটা অংকৰ কমিচনৰ বিনিময়ত চৰকাৰী আঁচনিৰ নামত গাঁও পঞ্চায়তখনত চলাই আছে ব্যাপক দুৰ্নীতি। পাহাৰসম দুৰ্নীতি সংঘটিত হোৱাৰ পাছতো পঞ্চায়ত সচিবজনে ৰাইজৰ অভিযোগক গুৰুত্ব নিদি বিল সমূহ মোকলাই দিয়া হয় বুলি ৰাইজৰ মাজত সন্দেহ হৈছে। সেয়েহে কাৱাডাঙা ৰাজহাউলী গাঁও পঞ্চায়তত আৱণ্টন হোৱা আঁচনিত সংঘটিত হোৱা ব্যাপক দুৰ্নীতি সন্দৰ্ভত উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনাইছে অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ দৰং জিলা সমিতিৰ সভাপতি মফিদুল ইছলামে।

# বৃত্তি পৰীক্ষাত জ্ঞানপীঠ জাতীয় বিদ্যালয়ৰ সফলতা



**জনকল্যাণ বাৰ্তাৰ সেৱা,গুৱাহাটী ঃ** কামৰূপ (দক্ষিণপাৰ) জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ দ্বাৰা জিলা ভিত্তিত আয়োজিত বৃত্তি পৰীক্ষাৰ ফলাফলসমূহ কালি ঘোষণা কৰা হয়। উক্ত ফলাফলত জ্ঞানপীঠ জাতীয় বিদ্যালয়ে বিগত পৰীক্ষাসমূহৰ দৰে এইবেলিও সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। অৱতীৰ্ন হোৱা মুঠ ১৯জন পৰীক্ষাৰ্থীৰ ৮জনে বৃত্তি লাভ কৰিবলৈ সক্ষম হৈছে। উৰ্ত্তীণ পৰীক্ষাৰ্থীসকল ক্ৰমে ধৃতিষা দাস (তৃতীয় শ্ৰেণী), বিবেক দাস, তৃষণাশ্ৰী গগৈ (চতুৰ্থ শ্ৰেণী), বিক্ৰম দাস, হিয়ামণি দাস (পঞ্চম শ্ৰেণী), দীপশিখা শৰ্মা, হিয়ামণি ডেকা, ৰিদীপ্তা তালুকদাৰ (সপ্তম শ্ৰেণী)। এইসকলৰ ভিতৰত বিবেক দাস আৰু দীপশিখা শৰ্মাই প্ৰথম তিনিজনৰ ভিতৰত স্থান লাভ কৰিবলৈ সক্ষম হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ এই সফলতাত জ্ঞানপীঠ জাতীয় বিদ্যালয়ৰ পৰিয়ালবৰ্গৰ লগতে স্থানীয় ৰাইজে গৰ্ব অনুভৱ কৰি উৰ্ত্তীণ আটাইকেইগৰাকীলৈ অভিনন্দন জ্ঞাপন কৰিছে।

# বংশৰ বাপুজী স্মৃতি পুথিভঁৰালৰ হীৰক জয়ন্তী

## ১৬-১৭ মে'ত 'বংশৰ ব'হাগী উৎসৱ উদযাপন সমিতি'ৰ ১৬সংখ্যক ব'হাগী উৎসৱ

**জনকল্যাণ বাৰ্তাৰ সেৱা ঃ** কামৰূপ জিলাৰ বংশৰ বাপুজী স্মৃতি পুথিভঁৰালে এইবেলি ৭৫বৰ্ষ গৰকিলে। প্ৰজ্ঞাৰ কঠীয়া সিঁচি পথে পথে ৰক্তিম সূৰুজৰ আভা ছটিওৱা প্ৰয়াসৰ এই ৭৫বছৰীয়া পৰিক্ৰমাত কি কৰিলে তাক উভতি চোৱাৰ মন মেলি অহা ১৬ আৰু ১৭ মে'ত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে পুথিভঁৰালৰ হীৰক জয়ন্তী মহোৎসৱ লগতে বংশৰ ব'হাগী উৎসৱ উদ্‌যাপন সমিতিৰ ১৬সংখ্যক ব'হাগী উৎসৱ-২০২৬ টি উদ্‌যাপন কৰাৰ মানস কৰা হৈছে। ১৯৫১ চনৰ ১৬ মে'ত স্থাপিত হোৱা বংশৰ বাপুজী স্মৃতি পুথিভঁৰালৰ হীৰক জয়ন্তী মহোৎসৱ উপলক্ষে পুৱা ৮.৩০ বজাত বন্তি প্ৰজ্বলন কৰিব লক্ষ্মীনাৰায়ণ মন্দিৰ, বংশৰৰ নামঘৰীয়া ভাৰত দাসে, পুৱা ৯ বজাত বংশৰ বাপুজী স্মৃতি পুথিভঁৰালৰ হীৰক জয়ন্তী মহোৎসৱৰ মূল পতাকা উত্তোলন কৰিব বংশৰ বাপুজী স্মৃতি পুথিভঁৰালৰ সভাপতি ৰমেন ভৰালীয়ে। বংশৰ ব'হাগী উৎসৱ উদ্‌যাপন সমিতিৰ ১৬সংখ্যক ব'হাগী উৎসৱৰ পতাকা উত্তোলন কৰিব বংশৰ ব'হাগী উৎসব উদ্‌যাপন সমিতিৰ সভাপতি ৰমেশ দাসে। ইয়াৰ পিছতে বংশৰ গাঁৱৰ ৭৪জন বিশিষ্ট সমাজকৰ্মী তথা বংশৰ বাপুজী স্মৃতি পুথিভঁৰালৰ বিষয়ববীয়াৰ লগতে সদস্যসকলে পতাকা উত্তোলন। পুৱা ৯.১৫ বজাত জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধী (বাপুজী)ৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰিব শ্ৰীশ্ৰীশ্যামৰায় সত্ৰ, বংশৰৰ সত্ৰাধিকাৰ দ্বিজেন গোস্বামী আৰু অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া ভুবন চন্দ্ৰ দাসে। ৯.৩০ বজাত ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰিব বংশৰ অঞ্চলৰ জ্যেষ্ঠ নাগৰিক সত্যৰাম দাস আৰু অৱসৰপ্ৰাপ্ত বেংক বিষয়া প্ৰবীণ চন্দ্ৰ দাসে। ৯.৪৫ বজাত অসমৰ প্ৰাণৰ শিল্পী, হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰিব অৱসৰপ্ৰাপ্ত আৰক্ষী কৰুণা কান্ত দাস আৰু বিজুলী বিভাগ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী মোহন চন্দ্ৰ দাসে। ১০ বজাত স্মৃতি তৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰিব অৱসৰপ্ৰাপ্ত কৰ্মচাৰী দেবেন চন্দ্ৰ দাস আৰু জ্যেষ্ঠ নাগৰিকৰ দীনেশ তালুকদাৰে। ১০.১৫ বজাত গছপুলি ৰোপণ কৰিব বংশৰ বাপুজী স্মৃতি পুথিভঁৰালৰ জ্যেষ্ঠ সদস্যসকলে। ১০.৩০ বজাত বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব বিশিষ্ট সমাজকৰ্মী, ব্যৱসায়ী তথা সদৌ অসম ঠিকাদাৰ সন্থাৰ প্ৰাক্তন সম্পাদক অনুপম কাকতিয়ে। দুপৰীয়া প্ৰতিভোজন, বিয়লি ৩ বজাত আইসকলৰ নাম-প্ৰসংগ, ৩.৩০ বজাত বংশৰ বাপুজী স্মৃতি পুথিভঁৰালৰ সভাপতি ৰমেন ভৰালীৰ সভাপতিত্বত মুকলি সভা আৰু স্মৃতি ৰোমন্থন অনুষ্ঠান। বংশৰ বাপুজী স্মৃতি পুথিভঁৰালৰ শিল্পীসকলৰ দ্বাৰা সমবেত সংগীত পৰিৱেশন কৰা হ'ব। দীপক দাস আৰু ভবেশ দাসে পৰিচালনা কৰিবলগীয়া মুকলি সভা আৰু স্মৃতি ৰোমন্থন অনুষ্ঠানটি উদ্বোধন কৰিব অসম আয়ুৰ্বেদিক চিকিৎসাক সংস্থাৰ সভাপতি ডাঃ শংকৰ জ্যোতি দাসে। মুখ্য অতিথি হিচাপে উপস্থিত থাকিব হাজো-শুৱালকুছি বিধান সভাৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাস, বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব অসম ৰাজ্যিক কৃতী শিক্ষক বঁটাপ্ৰাপক ভগৱান বৈশ্য আৰু দৰং মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° গকুল চন্দ্ৰ দাস। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব মাহেকীয়া সাংস্কৃতিক দাপোণৰ মুখ্য সম্পাদক দিনমণি ভাণ্ডাৰ কায়স্থ আৰু বিশিষ্ট লেখক তথা দৈনিক জনমভূমি কাকতৰ সহযোগী সম্পাদক কিশোৰ গোস্বামীয়। সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব বৰপেটা জিলাৰ অতিৰিক্ত আয়ুক্ত ওৱাহিদুল ইছলাম, পূব বংশৰ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° ধ্ৰুৱজ্যোতি মালাকাৰ, ভট্টদেৱ বিশ্ববিদ্যালয় বজালীৰ সহযোগী অধ্যাপক ড° জিতুমণি ৰাজবংশী, কটন বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক ড° কমল কৃষ্ণ ৰাজবংশী, সৰুপথাৰ সমজিলাৰ সহকাৰী আয়ুক্ত দীপজ্যোতি দাস, আৰক্ষী বিষয়া অভিজিৎ কাকতি, হৰগোবিন্দ হালৈ, নিপন দাস, উৎপল দাস (বিকাশ), প্ৰাঞ্জল দাস, ডাঃ ডেইজী দাস, ড° নিশাৰাণী দাস, ড° নিৰ্মালি প্ৰভা দাস, গল্পকাৰ সুৰঞ্জনা শৰ্মা আৰু মুৰ্ছনা তালুকদাৰ আদি। সন্ধিয়া ৫ বজাত স্থানীয় কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা অনুষ্ঠান, হীৰক জয়ন্তী মহোৎসৱৰ সাংস্কৃতিক সন্ধিয়াৰ মূল দ্বাৰ উন্মোচন কৰিব বিশিষ্ট সমাজকৰ্মী তথা অসম দুগ্ধ উন্নয়ন বিভাগৰ অৱসৰপ্ৰাপ্ত পঞ্জীয়ক প্ৰভাত চন্দ্ৰ দাস। সাংস্কৃতিক সন্ধিয়াৰ মঞ্চত বন্তি প্ৰজ্বলন কৰিব ভাৰতীয় টেলিকম বিভাগৰ অৱসৰপ্ৰাপ্ত বিষয়া মদনমোহন তালুকদাৰে। সন্ধিয়া সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ব্যক্তিগত সহায়ক ৰঞ্জিত ভট্টাচাৰ্যই। সন্ধিয়াৰে পৰা স্থানীয় শিল্পীৰ গীতে-মাতে এসন্ধ্যা আৰু অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী ববিতা শৰ্মাৰ গীতৰ শৰাই। ১৭ মে'ত পুৱা ছাত্ৰ-ছাত্ৰীৰ মাজত সাহিত্য প্ৰতিযোগিতা, বিয়লি ভেশচন প্ৰতিযোগিতা আৰু মুকলি কুইজ প্ৰতিযোগিতা। সন্ধিয়া বন্তি প্ৰজ্বলন কৰিব বিশিষ্ট সমাজ হিতৈষী তথা অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী প্ৰিয়লতা পাঠক বৈশ্যই, সন্ধিয়া সাংস্কৃতিক মঞ্চ উদ্বোধন কৰিব বিশিষ্ট সমাজকৰ্মী তথা যুব নেতা ছাইদুল ইছলামে, নিশা সাংস্কৃতিক সন্ধিয়া আৰু সম্বৰ্ধনা অনুষ্ঠান উদ্বোধন কৰিব অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে। নিশা সাংস্কৃতিক সন্ধিয়াত বিহু হুঁচৰি, জেং বিহুৰ লগতে অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী ৰহিম ৰাজ আৰু প্ৰিয়ংকা কলিতাৰ গীতৰ শৰাই আগবঢ়োৱা হব বুলি বংশৰ বাপুজী স্মৃতি পুথিভঁৰালৰ হীৰক জয়ন্তী মহোৎসৱৰ সম্পাদক মুকুট ঠাকুৰীয়া আৰু ব'হাগী উৎসৱ উদযাপন সমিতিৰ সম্পাদক ধনঞ্জয় দাসে জানিবলৈ দিয়ে।

# ‘কৰুণাধাৰা’- দৰং জিলা সহায়ক সমিতিৰ চমক

**জনকল্যাণ বাৰ্তাৰ সেৱা, মঙলদৈ ঃ** বিশিষ্ট সাহিত্যিক, সাংবাদিক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি হোমেন বৰগোহাঞিৰ নেতৃত্বত ২০১১ চনৰ ১২ ফেব্ৰুৱাৰীত প্ৰতিষ্ঠা হোৱা মানৱদৰদী সংগঠন ‘কৰুণাধাৰা ন্যাস’লৈ ‘কৰুণাধাৰা’- দৰং জিলা সহায়ক সমিতিয়ে ৪ লাখ, ৪০ হাজাৰ, চাৰিশ ৪৮ টকা জমা দিছে। ২০২৫ চনৰ পহিলা এপ্ৰিলৰ পৰা ২০২৬ চনৰ ৩১ মাৰ্চলৈ ‘কৰুণাধাৰা’- দৰং জিলা সহায়ক সমিতিয়ে কাৰো ওচৰত হাত নপতাকৈ, ঘৰে ঘৰে- দোকানে পোহাৰে ৰচিদ বহী লৈ নোযোৱাকৈ প্ৰায় প্ৰতিদিনেই কাৰোবাৰ জন্মদিন, মৃত্যু তিথি, শুভ বিবাহ বাৰ্ষিকী আদি বিভিন্ন উপলক্ষত সদাশয় ৰাইজে স্ব-ইচ্ছাই আগবঢ়োৱা বৰঙণি সাদৰেৰে গ্ৰহণ কৰি ন্যাসৰ পুঁজিত জমা কৰিছে। সহায়ক সমিতিৰ অধ্যক্ষ মুকুল চন্দ্ৰ ডেকা, কাৰ্যকৰী অধ্যক্ষ শেখৰ মজুমদাৰ, প্ৰধান সচিব গণেশ দত্ত, কোষাধ্যক্ষ গোলোক বৰাই জনোৱা মতে, হৃদয়বান লোকে স্ব-ইচ্ছাই আগবঢ়োৱা বৰঙণিৰে এক হৃদয়ৰ আন্দোলন গঢ়ি তুলিবলৈ সক্ষম হৈছে। উল্লেখ্য যে, আৰ্থিকভাৱে দুৰ্বল অথচ জটিল ৰোগত আক্ৰান্ত আৰু বিশেষভাৱে সক্ষম লোকক আৰ্থিক সাহায্য প্ৰদান কৰি কৰুণাধাৰাই অলপ সাহস, অলপ মৰম, আৰু অলপ প্ৰেৰণা দি আহিছে।

# নিশামণিৰ পৰিয়ালৰ কাষত তামুলপুৰ জিলা ছাত্ৰ সন্থা



**জনকল্যাণ বাৰ্তাৰ সেৱা, তামুলপুৰ ঃ** যোৱা ২৫এপ্ৰিলত তামুলপুৰ ওদালগুৰি পথৰ নোৱাখাটত সংঘটিত দুৰ্ঘটনাত নিহত হোৱা বিশিষ্ট নাগাৰা নামৰ পাঠকনী তথা ভাস্কৰজ্যোতি বিহু হুচৰি দলৰ প্ৰতিভাশালী নাচনী নিশামণি হালৈৰ বাসগৃহত আজি উপস্থিত হয় তামুলপুৰ জিলা ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকল। সদৌ অসম ছাত্ৰ সন্থাৰ তথ্য সম্পাদকৰ নেতৃত্বত তামুলপুৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি অনুপ কলিতা, সাধাৰণ সম্পাদক নয়নজ্যোতি কলিতা, উপ-সভাপতি ভগবান দাস সহ পূব ডেফেলী আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক অনুপ ঠাকুৰীয়া আৰু ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকল উপস্থিত হৈ পৰিয়ালটোৰ শোকৰ সমভাগী হয় লগতে জিলা ছাত্ৰ সন্থাৰ তৰফৰ পৰা শোকবাৰ্তা প্ৰদান কৰে। শোকবাৰ্তা প্ৰদান কৰি সাংবাদিকৰে হোৱা বাৰ্তালাপত সদৌ অসম ছাত্ৰ সন্থাৰ তথ্য সম্পাদক দুলুজিৎ দাসে কয় সৰুৰে পৰা নৃত্য-গীত-অভিনয় কৰি ভালপোৱা নিশামণিয়ে অঞ্চলটোৰ বিভিন্ন মঞ্চত নৃত্য-গীত পৰিৱেশন কৰি সুনাম অৰ্জন কৰাৰ উপৰিও অসমৰ বিভিন্ন ঠাইত নাগাৰা নামৰ পাঠকনি হিচাপেও অতি জনপ্ৰিয় আছিল। ঘৰখনৰ একমাত্ৰ উপাৰ্জনৰ পথ আছিল নিশামণি। সেয়ে পাঠকনি নিশামনিৰ পৰিয়ালটোলৈ চাই ১২ মে'ত শপত ল'বলগীয়া নতুন চৰকাৰখনৰ মুখ্যমন্ত্ৰীগৰাকীয়ে যাতে পৰিয়ালটোক আৰ্থিক সাহাৰ্য দি সকাহ প্ৰদান কৰে তাৰ বাবে আহ্বান জনায়।

# জিলা আয়ুক্ত অনামিকা তেৱাৰীৰ কেইবাটাও পথ- দলং পৰিদৰ্শন



**জনকল্যাণ বাৰ্তাৰ সেৱা, ভুৰাগাঁও ঃ** মৰিগাঁও জিলাৰ জিলা আয়ুক্ত অনামিকা তেৱাৰী(অঃ অঃ সেঃ)য়ে কালি জাগীৰোড বিধানসভা সমষ্টিৰ অন্তৰ্গত বঢ়মপুৰৰ পৰা বালিমুখলৈকে পথ আৰু পথটোৰ ওপৰত থকা দলংসমূহ পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত তেওঁ পথ আৰু দলংসমূহৰ বৰ্তমান অৱস্থা পৰ্যালোচনা কৰাৰ লগতে চলি থকা উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। এইপৰিদৰ্শনকালত জিলা আয়ুক্তগৰাকীৰ সৈতে লোকনিৰ্মাণ পথ বিভাগৰ কাৰ্যবাহী অভিযন্তা ইস্তিয়াক আহমেদ উপস্থিত থাকে আৰু পথ তথা দলং নিৰ্মাণ সম্পৰ্কীয় বিভিন্ন কাৰিকৰী দিশৰ বিষয়ে জিলা আয়ুক্তগৰাকীক অৱগত কৰায়।

# অভয়াপুৰীৰ বাপুজী বিদ্যালয়ত ৰ'টাৰী ক্লাবৰ হাৰমনিয়াম-তবলা প্ৰদান

**জনকল্যাণ বাৰ্তাৰ সেৱা, বঙাইগাঁও ঃ** বঙাইগাঁও শাখা ৰ'টাৰী ক্লাবৰ উদ্যোগত বৃহস্পতিবাৰে অভয়াপুৰীস্থিত বাপুজী উচ্চ বিদ্যালয়ত সংগীত চৰ্চাৰ উত্তৰণৰ বাবে এজোৰ তবলা আৰু এটা হাৰমনিয়াম প্ৰদান কৰা হয়। এই উপলক্ষে বিদ্যালয় প্ৰাঙ্গণত এক অনুষ্ঠুপীয়া সভাৰ আয়োজন কৰা হয়। সভাত বঙাইগাঁও শাখা ৰ'টাৰী ক্লাবৰ সভাপতি ৰঞ্জিত কুমাৰ বৰ্মন, সদস্য শোভন চক্ৰৱৰ্তী, প্ৰশান্ত ৰায়, বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক দীপক শৰ্মা, শিক্ষক মৃনাল ভাগৱতী, ৰাণাদিত্য বৰ্মনৰ লগতে অন্যান্য শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে। অনুষ্ঠানত শিক্ষক ৰাণাদিত্য বৰ্মনৰ তত্ত্বাৱধানত অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে জয়ন্ত হাজৰিকাৰ জনপ্ৰিয় গীত ‘গধূলি আহিল তৰা জিলিকিল’ পৰিৱেশন কৰে। বিদ্যালয়খনত সংগীতৰ সা-সুবিধাৰ অভাৱ দূৰ কৰি ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ বাবে ৰ'টাৰী ক্লাবে এই পদক্ষেপ গ্ৰহণ কৰা বুলি সভাপতি ৰঞ্জিত কুমাৰ বৰ্মনে জানিবলৈ দিয়ে। বিদ্যালয় কৰ্তৃপক্ষই ৰ'টাৰী ক্লাবৰ এই মহানুভৱতাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে।

# দিন হাজিৰা কৰা শ্ৰমিকৰ জীয়ৰী উজলিল হাইস্কুল শিক্ষান্ত পৰীক্ষাত, ছয়গাঁৱত আনন্দৰ বন্যা

**জনকল্যাণ বাৰ্তাৰ সেৱা, ছয়গাঁও ঃ** হাইস্কুল শিক্ষান্ত পৰীক্ষাত দিন হাজিৰা কৰি পৰিয়ালৰ দৈন্য দূৰ কৰা শ্ৰমিকৰ জীয়ৰী এজনীয়ে পাঁচটা বিষয়ত লেটাৰ নম্বৰ লাভ কৰি সফলতা কঢ়িয়াই অনা খবৰে ছয়গাঁৱত আনন্দৰ বন্যা কঢ়িয়াই আনিছে। জানিব পৰা মতে ছয়গাঁৱৰ সমীপৱৰ্তী জাৰপাৰা গাঁৱৰ দিন হাজিৰা কৰি পৰিয়াল পোহপাল দিয়া শ্ৰমিক চিৰাজ আলি আৰু মাতৃ ৰেজিনা বেগমৰ কন্যা শ্বেহনাজ চুলতানাই পাঁচটা বিষয় ক্ৰমে গণিত (৯২), অসমীয়া (৮৬) সমাজ বিজ্ঞান (৮৬), বিজ্ঞান (৮০), ভূগোল (৮৫)আৰু ইংৰাজী(৭২)বিষয়ত গড়ে ৮৩.৫ শতাংশ নম্বৰ লৈ উত্তীৰ্ণ হবলৈ সক্ষম হয়। কৃতি ছাত্ৰী শ্বেহনাজ জাৰপাৰা জাতীয় বিদ্যালয়ৰ এগৰাকী মেধাৱী ছাত্ৰী আছিল। এই সুনাম কঢ়িয়াই অনা বাবে ছাত্ৰীগৰাকীক বিদ্যালয়ৰ লগতে সকলো স্তৰৰ লোকে ধন্যবাদ-অভিনন্দন জ্ঞাপন কৰিছে।

## উত্তৰ গুৱাহাটীৰ ঘোৰামাৰাত ৫৩তম্ বিহু উদ্‌যাপন

# উত্তৰ গুৱাহাটী পশ্চিমাঞ্চল ৰঙালী বিহুৰ সামৰণি









**জনকল্যাণ বাৰ্তাৰ সেৱা, আমিনগাঁৱৰ ঃ** আগৰ বৰ্ষ বোৰৰ দৰে এই বছৰো যোৱা ৩১ চ'ত ১৪ এপ্ৰিল আৰু ৭, ৮ মে' ২০২৬ ইং চন ২৩, ২৪ ব'হাগত তিনি দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায় ৫৩ তম্ উত্তৰ গুৱাহাটী পশ্চিমাঞ্চল ৰঙালী বিহু। উল্লেখযোগ্য যে ৫৩ তম্ উত্তৰ গুৱাহাটী পশ্চিমাঞ্চল ৰঙালী বিহু উদ্‌যাপন সমিতিৰ সভাপতি ৰবীন্দ্ৰ কুমাৰ ডেকা,কাৰ্যকৰী সভাপতি প্ৰমোদ চন্দ্ৰ কাকতি, উপ সভাপতি -সমভু ৰাম কলিতা আৰু নগেন ভূঞা সাধাৰণ সম্পাদক লালমনি ঠাকুৰীয়া, সহ সাধাৰণ সম্পাদক ৰুবুল ঠাকুৰীয়া, ডেভিদ দাস, আৰু সাংস্কৃতিক সম্পাদক বিশ্বজিত কাকতি আৰু উৎপল তামুলীয়ে জনোৱামতে উক্ত অনুষ্ঠানৰ ২৩ ব'হাগ ৭ মে'/২০২৬' বৃহস্পতিবাৰে স্থানীয় শিল্পীৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান আৰু ২৪ ব'হাগ ৮ মে' /২০২৬ তাৰিখ শুক্ৰবাৰে বিশেষ আকৰ্ষণ হিচাপে আছিল অসমৰ আগশাৰীৰ দুগৰাকী জনপ্ৰিয় কণ্ঠশিল্পী ৰূপা কাশ্যপ আৰু নিয়ৰৰ গীতৰ অনুষ্ঠান। উক্ত অনুষ্ঠানত যিসকল শুভকাংক্ষী ৰাইজ তথা ব্যক্তিয়ে অনুষ্ঠান পৰিচালনা কৰাত বিশেষভাৱে সহায় সহযোগীতা আগবঢ়ালে তেওঁলোকক বিহু উদ্‌যাপন সমিতিৰ তৰফৰ পৰা কৃতগতা জ্ঞাপন কৰিছে। ইয়াৰ পিছত বিভিন্ন সামাজিক সাংস্কৃতিক অনুষ্ঠানে পৰিচালনা কৰা বাৰে ৰহনীয়া সাংস্কৃতিক অনুষ্ঠান পৰিৱেশনেৰে অনুষ্ঠানৰ সফল সামৰণি পৰে।

# দ্বিতীয়বাৰৰ বাবে ১২ মে’ত মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব ড° শৰ্মাই

প্ৰধানমন্ত্ৰী মোদী উপস্থিত থাকিব।’ তেওঁ লগতে কয়— ‘প্ৰধানমন্ত্ৰীৰ মোদীৰ উপস্থিতিত মুখ্যমন্ত্ৰীৰ লগতে ১০২জন বিধায়ক হিচাপে শপত ল’ব। তাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। মিত্ৰদলসমূহৰ সৈতে আলোচনাত মিলিত হৈছো। মঙলবাৰটো হ’ব অসমৰ বাবে ঐতিহাসিক দিন।’ এই সন্দৰ্ভত বিজেপি নেতা ভূপেন বৰাই কয়— ‘হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্যত চৰকাৰ গঠন হ’ব আৰু অসমৰ ৰাইজেও তাকে বিচাৰে। এশ শতাংশ নিশ্চিত যে হিমন্ত বিশ্ব শৰ্মাৰ দিনত অসম উন্নতিৰ শিখৰ স্পৰ্শ কৰিব। শান্তিৰ অসম গঢ়ি তোলা হ’ব। পূৰ্বৰ যি আধৰুৱা কাম সেয়া পূৰণ কৰিব হিমন্ত চৰকাৰে। নিৰ্বাচনৰ প্ৰচাৰৰ সময়ত যি প্ৰতিশ্ৰুতি দিয়া হৈছিল সেয়া পূৰণ কৰা হ’ব।’ আনহাতে, দেওবাৰে কেন্দ্ৰীয় নেতৃত্বই নিযুক্তি দিয়া পৰ্যবেক্ষক কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডা আৰু সহ-পৰ্যবেক্ষক হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নায়ব সিং ছাইনীৰ তদাৰকত বিজেপিৰ বিধায়িনী দলৰ বৈঠকত সৰ্বসন্মতিক্ৰমে ড° হিমন্ত বিশ্ব শৰ্মাক বিধায়িনী দলৰ নেতা হিচাপে নিৰ্বাচিত কৰা হয়। ইয়াৰ পিছতে ড° শৰ্মা লোকভৱন অভিমুখে ৰাওনা হয়। লোকভৱনত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক সাক্ষাৎ কৰি ১০২গৰাকী বিধায়কৰ স্বাক্ষৰেৰে সাংবিধানিক প্ৰক্ৰিয়া অনুসৰি এনডিএৰ নেতৃত্বত চৰকাৰ গঠনৰ বাবে প্ৰস্তাৱ দাখিল কৰে ড° শৰ্মাই।

# বিশ্বৰ বাবে নতুন বিপদ হাণ্টাভাইৰাছ

এই ৰহস্যজনক ভাইৰাছে। কেইবাজনো নাবিকৰ মৃত্যু ঘটাৰ পিঠিতে সতৰ্ক হৈছে ভাৰতকে ধৰি বিশ্বৰ বহু দেশ। বিশ্ব স্বাস্থ্য সংস্থাই নিশ্চিত কৰিছে যে এই সংক্ৰমণৰ বাবে এতিয়ালৈকে তিনিজন লোকৰ মৃত্যু হৈছে— য’ত আছে ডাচ দম্পতী আৰু এজন জাৰ্মান নাগৰিক। তদুপৰি আৰু ৮ গৰাকী যাত্ৰী ক’ভিড-১৯ত আক্ৰান্ত হোৱাৰ সন্দেহ। স্পেইনৰ স্বাস্থ্য মন্ত্ৰী মনিকা গাৰ্চিয়াই কয় যে অহা তিনিদিনৰ ভিতৰত জাহাজখন কেনেৰী দ্বীপপুঞ্জত উপস্থিত হ’ব। জাহাজখনত থকা ১৪জন স্পেনিছ নাগৰিকক পোনপটীয়াকৈ মাদ্ৰিদৰ এখন সামৰিক চিকিৎসালয়লৈ স্থানান্তৰ কৰা হ’ব। যিহেতু ভাইৰাছৰ ইনকিউবেচন পিৰিয়ড প্ৰায় ৪৫ দিন, সেয়েহে দীৰ্ঘম্যাদী কোৱাৰেণ্টাইনত থাকিব লাগিব। আন যাত্ৰীসকলক স্বাস্থ্য পৰীক্ষাৰ অন্তত সুস্থ বুলি ধৰা পৰিলে নিজ নিজ দেশলৈ ঘূৰাই পঠিওৱা হ’ব। হাণ্টাভাইৰাছত আক্ৰান্ত হ’লে আৰম্ভণি সাধাৰণ জ্বৰৰ দৰে। শৰীৰৰ সামান্য বিষ, হাত-ভৰি বিষ, ভাগৰ, মূৰৰ বিষ আদিও দেখা দিয়ে। বহুতে ভাবে যে তেওঁলোকৰ ঋতুভিত্তিক ভাইৰেল জ্বৰ বা ফ্লু হৈছে। চিকিৎসকে সকীয়াই দিছে যে এই সাধাৰণ লক্ষণসমূহৰ আঁৰত ভয়ংকৰ হাণ্টাভাইৰাছ লুকাই থাকিব পাৰে। সময়মতে চিকিৎসা নকৰিলে বৃক্ক, হাওঁফাওঁ আৰু শৰীৰৰ গুৰুত্বপূৰ্ণ অংগসমূহ সোনকালে বিকল হ’ব পাৰে। হাণ্টাভাইৰাছ প্ৰধানকৈ এন্দুৰৰ দ্বাৰা বিয়পে। এন্দুৰৰ মল, প্ৰস্ৰাৱ, বা লালটিত এই ভাইৰাছ পোৱা যায়। পুৰণি ঘৰ, গুদাম, ষ্টৰ ৰুম, বা ধূলিময় ঠাই চাফা কৰিলে এই ভাইৰাছ বতাহত সংক্ৰমিত হ’ব পাৰে। উশাহ-নিশাহৰ লগে লগে সেই প্ৰদূষিত বায়ু শৰীৰত প্ৰৱেশ কৰিলে সংক্ৰমণৰ আশংকা হয়। বিশেষকৈ য’ত নিগনিৰ প্ৰাদুৰ্ভাৱ বেছি হয় তাত সাৱধান হোৱাটো গুৰুত্বপূৰ্ণ। এই ৰোগৰ প্ৰাৰম্ভিক লক্ষণসমূহ অতি সাধাৰণ। যেনে জ্বৰ, মূৰৰ বিষ, পেশীৰ বিষ, দুৰ্বলতা, বমি, পেটৰ বিষ বা ডায়েৰিয়া, যাৰ বাবে বহুতে প্ৰথমতে বিষয়টোক গুৰুত্ব নিদিয়ে। কিন্তু কিছুদিনৰ ভিতৰতে এই ৰোগে বিপদজনক ৰূপ ল’ব পাৰে। চিকিৎসকৰ মতে এই ভাইৰাছে শৰীৰৰ ৰক্তবাহী নলীত আক্ৰমণ কৰে। ফলত ৰক্তবাহী নলীৰ পৰা তৰল পদাৰ্থ লিক হৈ বৃক্ক আৰু হাওঁফাওঁৰ ওপৰত চাপ পৰে।— যদি বৃক্ক আক্ৰান্ত হয় তেন্তে প্ৰস্ৰাৱ কমি যাব পাৰে, শৰীৰ ফুলাৰ সম্ভাৱনা থাকে আৰু তেজত বিষাক্ত পদাৰ্থ জমা হ’বলৈ আৰম্ভ কৰে। গুৰুতৰ ক্ষেত্ৰত বৃক্কই সম্পূৰ্ণ কাম বন্ধ কৰি দিব পাৰে। তাৰ পিছত ডায়েলাইছিছৰ প্ৰয়োজন হ’ব পাৰে। অন্যহাতে হাওঁফাওঁত আক্ৰান্ত হ’লে উশাহ-নিশাহ লোৱাত অসুবিধা হয়। হাওঁফাওঁত পানী জমা হ’বলৈ আৰম্ভ কৰে আৰু ৰোগীয়ে সোনকালে সংকটজনক অৱস্থাত উপনীত হ’ব পাৰে। বহু ক্ষেত্ৰত আই চি ইউত ভৰ্তি হ’বলগীয়া হয়। আটাইতকৈ চিন্তনীয় কথাটো হ’ল এই ভাইৰাছৰ বাবে এতিয়াও কোনো নিৰ্দিষ্ট ঔষধ বা ভেকচিন নাই। সেয়ে শীঘ্ৰে ৰোগ নিৰ্ণয় কৰি সময়মতে চিকিৎসা আৰম্ভ কৰিব লাগে। ৰোগীৰ অক্সিজেন, তৰল পদাৰ্থ, বৃক্কৰ কাৰ্য্যক্ষমতাৰ ওপৰত নিয়মিতভাৱে নিৰীক্ষণ কৰা হয়। বিশেষজ্ঞসকলে কয় যে ঘৰ বা ষ্টৰ ৰুম চাফা কৰাৰ সময়ত মাস্ক আৰু গ্লভছ ব্যৱহাৰ কৰিব লাগে। যদি ধূলি উৰি আছে তেন্তে পোনপটীয়াকৈ চাফা কৰাতকৈ প্ৰথমে বীজাণুনাশক স্প্ৰে কৰা ভাল। ঘৰৰ চৌপাশ পৰিষ্কাৰ কৰি ৰখা আৰু নিগনিৰ উপদ্ৰৱ নিয়ন্ত্ৰণ কৰাটোও অতি প্ৰয়োজনীয়।

# নাৰী শক্তি বন্দন অধিনিয়ম ঃ এক অৱলোকন

কথাবোৰ এৰাই চলিবলৈ চেষ্টা কৰিম আৰু ইয়াৰ পৰিৱৰ্তে সামাজিক দায়বদ্ধতাক আগস্থান দিহে লেখাটো আগুৱাই নিবলৈ চেষ্টা কৰিম।

এখন দেশ বা এখন ৰাজ্য উন্নতিৰ দিশত ধাৱমান হ’বলৈ হ’লে পুৰুষ আৰু নাৰীৰ অধিকাৰৰ যি ব্যৱধান তাক সংকুচিত কৰিব লাগিব। এই ব্যৱধান শূন্য নহ’লেও অতি কম হোৱা উচিত। কিন্তু তাকে নকৰি নাৰীক যদি পৰ্দাৰ আঁৰত ৰাখিবলৈ চেষ্টা কৰা হয় তেন্তে সেই দেশ বা জাতিৰ উন্নয়নৰ গতি অতি মন্থৰ হয়। পৃথিৱীত এতিয়াও বহুতো দেশৰ কিছু কিছু অঞ্চলত নাৰীক কেৱল পুৰুষৰ ভোগৰ সামগ্ৰী হিচাপে ব্যৱহাৰ কৰা হয়। তেওঁলোকক শিক্ষা গ্ৰহণৰ পৰা বঞ্চিত কৰা হয়। তেওঁলোকক কেৱল বংশ ৰক্ষাৰ বাবেহে ব্যৱহাৰ কৰা হয়। কিন্তু ভাৰতৰ ক্ষেত্ৰত অতীজৰে পৰা নাৰীক পুৰুষৰ ভোগৰ সামগ্ৰী হিচাপে ব্যৱহাৰ কৰাৰ সলনি পুৰুষৰ সমানে সমানে খোজ মিলাই যোৱাৰ বাবে প্ৰেৰণা যোগাই অহা দেখা গৈছে। এইক্ষেত্ৰত নৰেন্দ্ৰ মোদী চৰকাৰৰ ‘বেটি বাচাওঁ, বেটি পঢ়াও’ শ্ল’গানে নাৰীক আগতকৈও অধিক মৰ্যাদাৰে জীয়াই থকাৰ অধিকাৰ প্ৰদান কৰাৰ লগতে প্ৰেৰণা যোগালে।

ভাৰতত ‘নাৰী শক্তি বন্দন অধিনিয়ম’ অনুসৰি লোকসভা আৰু ৰাজ্যিক বিধানসভাসমূহত মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছিল। এই আইনখনৰ দ্বাৰা সংসদত মহিলাৰ অংশগ্ৰহণ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছিল। মহিলাসকলৰ বাবে বাবে ৩৩ শতাংশ আসন সংৰক্ষণৰ উক্ত বিধেয়কখনত কোৱা হৈছিল যে লোকপিয়লৰ পিছত সমষ্টি নিৰ্ধাৰণ কৰা হ’ব। তাৰ পিছত সেই আসনৰ ৩৩ শতাংশ আসন সংৰক্ষণ কৰা হ’ব মহিলাৰ বাবে।

সেই উদ্দেশ্য আগত ৰাখিয়েই অৰ্থাৎ মহিলা সবলীকৰণক প্ৰাধান্য দি ১৬ এপ্ৰিল তাৰিখে দেশৰ আইন সভাত ৩৩ শতাংশ আসন তাৎক্ষণিকভাৱে সংৰক্ষণৰ লক্ষ্যৰে ১৩১সংখ্যক সংবিধান সংশোধনী ঐতিহাসিক বিধেয়ক সংসদত উত্থাপন কৰা হয়। কিন্তু বিৰোধীৰ বিৰোধিতাত সংসদত এই মহিলা সংৰক্ষণ তথা লোকসভাৰ আসন বৃদ্ধি সম্পৰ্কীয় ১৩১সংখ্যক সংবিধান সংশোধনী বিধেয়কখন গৃহীত হোৱাৰ পথ ৰুদ্ধ হৈ পৰে। ভোটদান পৰ্বত বিধেয়কখনৰ সপক্ষে ২৯৮টা ভোট আৰু বিপক্ষে ২৩০টা ভোট পৰে। মুঠ ৫২৮জন সাংসদে এই ভোটদান পৰ্বত অংশ লয় আৰু বিধেয়কখন গৃহীত হোৱাৰ বাবে আৱশ্যকীয় আছিল ৩৫৩টা ভোট।

এতিয়া আহো মহিলা সংৰক্ষণৰ ক্ষেত্ৰত ভাৰতৰ ৰাজনৈতিক ইতিহাসে কি কয়। লোকসভা আৰু বিধানসভাত মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণক লৈ কুৰি শতিকাৰ শেষৰ পৰাই এক ৰাজনৈতিক যুঁজ চলি আহিছে। ১৯৫৭ চনৰ আগতে অৰ্থাৎ ১৯৫২ চনত দেশৰ প্ৰথমটো নিৰ্বাচনত মহিলা আৰু পুৰুষ ভোটদাতাৰ বাবে সুকীয়াকৈ পৰিসংখ্যা নিৰ্ণয়ৰ ব্যৱস্থা কৰা হোৱা নাছিল। কিন্তু ১৯৫৭ চনত মহিলা আৰু পুৰুষৰ বাবে সুকীয়াকৈ পৰিসংখ্যা নিৰ্ণয়ৰ ব্যৱস্থা কৰা হয়। কিন্তু ইয়াৰ পিছৰ কালছোৱাত মহিলাৰ বাবে সংৰক্ষণৰ নিচিনা ধাৰণাসমূহ ৰাজনৈতিক দলসমূহৰ মনলৈ অহা নাছিল। কিন্তু ১৯৯২ চনৰ পৰা এইক্ষেত্ৰত ৰাজনৈতিক দল-সংগঠনসমূহৰ কিছু শুভ বুদ্ধি উদয় হোৱা বুলি ক’ব পৰা যায়। ১৯৯২-৯৩ চনত সংবিধানৰ ৭৩ আৰু ৭৪সংখ্যক সংশোধনীৰ জৰিয়তে পঞ্চায়ত আৰু পৌৰ নিকায়সমূহত ৩৩ শতাংশ আসন মহিলাৰ বাবে সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰা হয়। একে ধৰণে ১৯৯৬ চনৰ ১২ ছেপ্টেম্বৰ তাৰিখে তদানীন্তন প্ৰধানমন্ত্ৰী এইচ ডি দেৱেগৌড়া চৰকাৰে বিধানসভা আৰু লোকসভাত মহিলাৰ বাবে আসন সংৰক্ষণ কৰিবলৈ সংবিধানৰ ৮১সংখ্যক সংশোধনী আনিবলৈ প্ৰয়াস কৰিছিল যদিও সেই সময়তো প্ৰকৃত সংখ্যাগৰিষ্ঠতাৰ অভাৱত উক্ত বিধেয়কখনে মুখ থেকেচা খাইছিল। ইয়াৰ পিছত আকৌ ১৯৯৮ চনত তদানীন্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীয়ে মহিলাৰ আসন সংৰক্ষণৰ বাবে বিধেয়ক উত্থাপন কৰিছিল যদিও প্ৰয়োজনীয় সংখ্যাগৰিষ্ঠতাৰ অভাৱত বিধেয়কখন গৃহীত কৰিব পৰা যোৱা নাছিল। ইয়াৰ পিছত ক্ৰমে ১৯৯৯, ২০০২, ২০০৩, ২০০৮, ২০১০ আৰু ২০২৩ চনতো মহিলা সংৰক্ষণ বিধেয়কখন সংসদত অনুমোদন লাভ কৰাৰ বাবে উত্থাপন কৰা হৈছিল যদিও উপযুক্ত সংখ্যাগৰিষ্ঠতাৰ অভাৱত গৃহীত কৰিব পৰা যোৱা নাছিল।

এতিয়া কথাটো হৈছে বিৰোধীয়ে উক্ত সংশোধনীৰ বিৰোধ কৰাৰ কাৰণটো কি? আমাৰ দৃষ্টিত বিৰোধীৰ এই বিৰোধৰ তিনিটা কাৰণ হ’ব পাৰে। প্ৰথম কাৰণটো হৈছে বিজেপিৰ হিন্দুত্ব নীতি, দ্বিতীয়টো হৈছে মহিলাৰ অধিক আগমনে সংসদ দুৰ্বল কৰাৰ আশংকা আৰু তৃতীয়টো হৈছে যদি সংসদত মহিলাৰ আসন সংৰক্ষণৰ বিধেয়কখন কিবা প্ৰকাৰে গৃহীত হৈ যায় তেন্তে মহিলাৰ মাজত বিজেপিৰ জনপ্ৰিয়তা বৃদ্ধি পাব, যাৰ ফলত পৰৱৰ্তী কালত বিজেপিয়ে আকৌ এবাৰ শাসনৰ বাঘজৰী লোৱাৰ পথ একেবাৰে সুচল হৈ পৰিব। বিৰোধীয়ে হয়তো ভাবিছে সংসদত অধিক মহিলাৰ উপস্থিতিৰে বিজেপিয়ে ভাৰতক হিন্দু ৰাষ্ট্ৰ কৰাৰ যি সপোন সেয়া ফলৱতী কৰাত সুচল হৈ পৰিব। কিয়নো নাৰীৰ সংখ্যা ৩৩ শতাংশ হ’লেও পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাটোৰ গইনা লৈ নাৰীক ছলে-বলে-কৌশলেৰে সৈমান কৰোৱাই ভাৰতক হিন্দু ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাত সহজ হ’ব। কিন্তু বিজেপিৰ যি হিন্দুত্ব নীতি সেই কথাটো আজিৰ পৰিৱৰ্তিত পৰিস্থিতিত গৰিষ্ঠসংখ্যক ভাৰতীয়ই সহমৰ্মিতা প্ৰকাশ কৰা দেখা গৈছে। এইক্ষেত্ৰত আমি অকণমান ভাৰতৰ স্বাধীনতাৰ সময়খিনিলৈ উভতি যাবলৈ বিচাৰিছোঁ। কিয়নো ধৰ্মৰ ভিত্তিত যদি ভাৰতক দ্বিখণ্ডিত কৰা হৈছিল তেন্তে ভাৰতত থকা মুছলমানখিনিক কিয় পাকিস্তানলৈ যাবলৈ উৎসাহিত কৰা নহ’ল। এইক্ষেত্ৰত আমি অসমীয়া খিলঞ্জীয়া মুছলমানখিনিক আন মুছলমানৰ লগত একে শ্ৰেণীৰ বুলি ভবা নাই। কিয়নো খিলঞ্জীয়া মুছলমানখিনি হাড়ে-হিমজুৱে অসমীয়া।

যদি সেইটো কৰা নহ’ল তেন্তে পাকিস্তানক কিয় কেৱল মুছলমানক এৰি দিয়া হ’ল। এই উত্তৰবোৰ আজি মুছলমানৰ হৈ ওকালতি কৰা প্ৰতিজন ভাৰতীয়ই চিন্তা কৰাৰ সময় আহি পৰিছে। এইক্ষেত্ৰত শাসকীয় পক্ষ বা বিৰোধী দলৰ বুলি কোনো কথা নাই। দেশ স্বাধীন কৰাৰ নামত মহাত্মা গান্ধী, জৱাহৰলাল নেহৰুৰ নেতৃত্বত ভাৰতীয়ক এক শ’লঠেকত পেলাই পাকিস্তানৰ দৰে জাৰজ সন্তানৰ জন্মত অৰিহণা যোগোৱা কথাটো দেশক ভালপোৱা প্ৰতিজন ব্যক্তিৰে অনুধাৱন কৰাৰ অধিকাৰ আছে আৰু কৰিব লাগিব। এয়া সময়ৰ দাবী। যদি ১৯৪৭ চনতে ভাৰতে এখন হিন্দু ৰাষ্ট্ৰ হিচাপে স্বীকৃতি লভিলেহেঁতেন তেন্তে অসমত হয়তো পমুৱা মুছলমানৰ সমস্যাই আজি গা কৰি নুঠিলেহেঁতেন আৰু স্বাৱলম্বিতাৰ দৃষ্টিভংগীৰে বিবেচনা কৰিলে অসমীয়া হয়তো এটা পঙ্গু জাতি হিচাপে জীয়াই থাকিব নালাগিলহেঁতেন।

মহিলাৰ আসন সংৰক্ষণৰ বাবে সংবিধান সংশোধনী বিতৰ্কত ভাগ লৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে, ‘এনেকুৱা লোকসভা আসন আছে য’ত ভোটাৰৰ সংখ্যা ৪৮ লাখ। সেই লোকসভাৰ সাংসদগৰাকীয়ে ভোটদাতাসকলৰ আশা-আকাংক্ষা কেনেকৈ পূৰণ কৰিব।’ বিৰোধীক আৱেদন কৰি তেওঁ কয়- আমাৰ ওপৰত ভাৰসা ৰাখক। বিধেয়কখন গৃহীত হ’বলৈ দিয়ক। কিন্তু গৃহমন্ত্ৰীৰ আৱেদনক আওকাণ কৰি বিৰোধীয়ে ইয়াক ৰাজনৈতিক কৌশল বুলি অভিহিত কৰি নিজৰ মতত অটল হৈ থাকে। ১৬ এপ্ৰিল বৃহস্পতিবাৰৰ পৰা আৰম্ভ হোৱা সংসদৰ তিনিদিনীয়া বিশেষ অধিৱেশনত কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে তিনিখন ঐতিহাসিক বিধেয়ক গৃহীত কৰাৰ চেষ্টা চলাইছিল। তাৰ ভিতৰত প্ৰথমখন লোকসভা আৰু বিধানসভাত মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণৰ বাবে ১৩১ সংবিধান সংশোধনী প্ৰস্তাৱ যাক ‘নাৰী শক্তি বন্দন অধিনিয়ম’ হিচাপে উল্লেখ কৰা হৈছে (উক্ত বিধেয়কখনত লোকসভাৰ আসন ৮৫০খন বৃদ্ধি কৰা বিষয়টো অন্তৰ্ভুক্ত হৈ আছে), দ্বিতীয়খন লোকসভাৰ সমষ্টি পুনৰ নিৰ্ধাৰণ (ডিলিমিটেচন) সম্পৰ্কীয় বিধেয়ক আৰু তৃতীয়খন কেন্দ্ৰীয়শাসিত অঞ্চল সংশোধনী বিধেয়ক। প্ৰথম বিধেয়কখনত উজুটি খাবলগীয়া হোৱা বাবে আন দুখন বিধেয়ক উত্থাপন কৰাৰ পৰা চৰকাৰী পক্ষ বিৰত থাকিব লগা হোৱা কথাটোৱে বিশেষ তাৎপৰ্য বহন কৰাৰ লগতে লোকসভাৰ সমষ্টি পুনৰ নিৰ্ধাৰণ বিষয়ত কেন্দ্ৰীয় চৰকাৰ পিছ হুঁহকিবলৈ বাধ্য হ’ল।

সংসদত উত্থাপন কৰা নাৰী শক্তি বন্দন অধিনিয়ম (১৩১) গৃহীত নোহোৱাৰ ফলত শাসকপক্ষ বিৰোধীৰ সমালোচনাত মুখৰ হৈ পৰা দেখা গ’ল। প্ৰত্যক্ষ সমালোচনাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহিলাসকলৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণ সম্পৰ্কীয় সংবিধান সংশোধনী বিধেয়কখন গৃহীত কৰিব নোৱৰা বাবে দেশৰ আই - মাতৃ, ভগ্নী আৰু কন্যাৰ ওচৰত ক্ষমা বিচাৰিছে। ‘বেটি বাচাওঁ, বেটি পঢ়াও’ শ্ল’গানেৰে দেশৰ মহিলা শিশুৰ সংখ্যা বৃদ্ধিত অৰিহণা যোগোৱা মোদীয়ে বিৰোধীক থকা-সৰকা কৰিয়েই ক্ষান্ত নাথাকি এখোপ আগুৱাই গৈ তেওঁ কংগ্ৰেছ, তৃণমূল, ডিমকে এছপিৰ দৰে দলসমূহে ভ্ৰূণ হত্যা কৰা বুলি দোষাৰোপ কৰে।

এতিয়া কথাটো হৈছে বিজেপিৰ ভিতৰুৱা কি নীতি আছে আমাৰ জ্ঞাত নহয়। কিন্তু এটা কথা ঠিক যে বিজেপিৰ মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণৰ যি নীতি তাত বিৰোধ কৰিবলগীয়া একো নাই। কিয়নো নাৰীৰ সাক্ষৰতা আৰু নাৰীৰ উন্নতিয়ে সমাজ বা দেশৰ উন্নতিত প্ৰভাৱ বিস্তাৰ কৰে। পুৰুষ আৰু নাৰীৰ উন্নতি সমানুপাতিক নহ’লে উন্নতি সম্ভৱ নহয় আৰু সমাজত পুৰুষৰ নাৰীৰ ওপৰত দমনমূলক নীতি চলি থকাটো স্বাভাৱিক। কিন্তু নাৰী স্বাৱলম্বী হোৱাৰ লগে লগে পুৰুষৰ গতানুগতিক দমনমূলক নীতিৰ কিছু অৱসান ঘটিব। সেই বুলি নাৰীয়ে স্বাৱলম্বিতাৰ নামত স্বাধীনতাৰ লক্ষ্মণ ৰেখা অতিক্ৰম কৰিবলৈ চেষ্টা কৰা কথাটোৱে আকৌ হিতে বিপৰীত হোৱাৰ সম্ভাৱনা বৃদ্ধি কৰে। তেনেস্থলত মহিলাৰ ৩৩ শতাংশ সংৰক্ষণে দেশৰ উন্নয়নত সহায়ক হ’ব বুলি এই লেখক আশাবাদী। কিন্তু লগতে প্ৰতিগৰাকী ছোৱালী বা বোৱাৰীয়ে এটা কথা মনত ৰখা উচিত যে সংৰক্ষণ স্বাৱলম্বিতাৰ বাবেহে। কিন্তু সেই স্বাৱলম্বিতাই যদি স্বাধীনতাৰ পৰ্যায়লৈ গৈ সীমা অতিক্ৰম কৰে তেন্তে স্বামী-স্ত্ৰীৰ মাজৰ পৰিয়ালকেন্দ্ৰিক কথাবোৰ পৰিয়ালকেন্দ্ৰিক সংঘাতলৈ ৰূপান্তৰিত হ’ব, যিটো নেকি সমাজৰ কোনেও নিবিচাৰে। *ফোন ঃ ৯৭০৭১-৪৫৭১১*

# পাঁচ বিশিষ্ট সাহিত্যিকলৈ ২০২৫ বৰ্ষৰ ‘অসম সাহিত্য সভাৰ সভাপতিৰ বিশেষ সাহিত্য সন্মান’

ভৱনৰ সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা সদনত বিয়লি ৪ বজাৰ পৰা অনুষ্ঠিত হ’বলগীয়া এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত এই বঁটাসমূহ প্ৰদান কৰা হ’ব। আজি অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই এক সংবাদ বিজ্ঞপ্তিযোগে জানিবলৈ দিয়া মতে অসম সাহিত্য সভাৰ সাংবিধানিক এই সন্মান এইবাৰ ধেমাজিৰ বিশিষ্ট গৱেষক, চিত্ৰকৰ, লেখক ড° পুষ্প গগৈ, ডিব্ৰুগড় নিবাসী বিশিষ্ট চাহ খেতিয়ক, সাহিত্যিক আৰু লেখক দেৱীপ্ৰসাদ বাগ্ৰ’দিয়া, নগাঁও নিবাসী অৱসৰপ্ৰাপ্ত অধ্যাপক, বিশিষ্ট লেখক, সমালোচক আৰু সাংবাদিক উপেন্দ্ৰ বৰকটকী, গুৱাহাটী নিবাসী, বিশিষ্ট সাহিত্যিক তথা জ্যেষ্ঠ সাংবাদিক জিতুমণি বৰা আৰু বঙাইগাঁও জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক, বিশিষ্ট লেখক-কবি আৰু গৱেষক নোমল মাহাত্তালৈ আগবঢ়োৱা হৈছে। উল্লেখ্য যে সাহিত্য সভাৰ সভাপতিৰ দ্বাৰা নিৰ্বাচিত এই পাঁচজন বিশিষ্ট ব্যক্তিয়ে অসমীয়া সাহিত্যলৈ আগবঢ়োৱা অৱদানক স্বীকাৰ কৰিয়েই সন্মানপূৰ্বকভাৱে এই সন্মান প্ৰদান কৰা হ’ব। উল্লেখ্য যে সাহিত্য সাধনাৰ যোগেদি বিগত বৰ্ষসমূহত অসমীয়া ভাষা-সাহিত্যক সমৃদ্ধ কৰি অহা এই পাঁচগৰাকী নিৰ্বাচিত ব্যক্তিক আৰু তেওঁলোকৰ পাঠক সমাজক উৎসাহিত কৰাৰ প্ৰয়াসেৰে এই সন্মান প্ৰদান কৰা হ’ব। অসম সাহিত্য সভাৰ সভাপতিৰ দ্বাৰা নিৰ্বাচিত এই বিশিষ্ট সাহিত্যিকসকলৰ তালিকা সভাৰ কৰ্ণধাৰ সমিতিয়ে অনুমোদন জনাইছে।

# স্বাধীনতাৰ পিছত বংগত মুখ্যমন্ত্ৰী পদত প্ৰথমগৰাকী বিজেপি নেতা

উপস্থিতিত ব্ৰিগেডত ইতিহাস ৰচনা কৰিলে বিজেপিয়ে। শুভেন্দু অধিকাৰীয়ে পশ্চিমবংগৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিলে। ৪ মে’ত ফলাফল ঘোষণা হোৱাৰ পিছৰে পৰা ৰাজ্যৰ ৰাজনীতিত প্ৰত্যাশিতভাৱেই দিল্লীৰ আশীৰ্বাদ পালে শুভেন্দুৱে। শনিবাৰে তেওঁৰ মন্ত্ৰীসভাৰ প্ৰথম পাঁচজন সদস্যই শুভেন্দু অধিকাৰীৰ সৈতে শপত গ্ৰহণ কৰে। তেওঁলোক হৈছে— খড়গপুৰ সদৰৰ পৰা বিজয়ী বিধায়ক দিলীপ ঘোষ। তেওঁ শুভেন্দুৰ পিছত শপত লোৱা দ্বিতীয়জন ব্যক্তি। ইয়াৰ পিছত অগ্নিমিত্ৰ পাল। আছানছল দক্ষিণৰ পৰা বিজয়ী হৈ বিধানসভালৈ অহা অগ্নিমিত্ৰই আজি কেবিনেট মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। ইয়াৰ বাহিৰেও তাত আছিল বনগাঁও উত্তৰৰ বিধায়ক অশোক কীৰ্তনীয়া। মন্ত্ৰীসভাত মতুৱা গড়ৰ পৰা ডাঙৰ প্ৰতিনিধিত্ব। বাংকুৰাৰ ৰাণীবান্ধৰ পৰা জনজাতীয় মুখ বিধায়ক খুদিৰাম টুডুৱে মন্ত্ৰীসভাত স্থান পালে। শেষত আছিল নিশিথ প্ৰমানিক। কোচবিহাৰৰ মাথাভংগাৰ পৰা জয়লাভ কৰি পোনপটীয়াকৈ মন্ত্ৰীসভাত স্থান পাইছে নিশিথে। অৱশ্যে এই প্ৰথম দিনাৰ শপত গ্ৰহণত কোনো নিৰ্দিষ্ট বিভাগ কাকো বিতৰণ কৰা নহ’ল। নবান্নত অনুষ্ঠিত হোৱা প্ৰথমখন কেবিনেট বৈঠকৰ পিছত কোনে কোনটো দপ্তৰ লাভ কৰিব সেয়া স্পষ্ট হ’ব। শুকুৰবাৰে বিজেপিৰ বিধায়িনী দলৰ বৈঠকৰ অন্তত স্বয়ং গৃহমন্ত্ৰী অমিত শ্বাহে স্পষ্ট কৰি দিয়ে যে শুভেন্দু কিয় প্ৰথম পছন্দ। শ্বাহে কয় যে বিধায়িনী দলৰ নেতা নিৰ্বাচনত বাৰে বাৰে মাত্ৰ এটা নামহে ওলাই আহিছে। সেই নাম শুভেন্দু অধিকাৰী। কোনেও দ্বিতীয় নাম প্ৰস্তাৱ কৰা নাই। প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীয়ে নিৰ্বাচনৰ পূৰ্বে আশ্বাস দিছিল যে পশ্চিমবংগৰ এজন স্থানীয় লোক আৰু বাংলা মাধ্যমত অধ্যয়ন কৰা কোনোবা এজনক মুখ্যমন্ত্ৰী হিচাপে নিযুক্তি দিয়া হ’ব। সেই প্ৰতিশ্ৰুতি পালন কৰি দিল্লীয়ে মেদিনীপুৰৰ ভূমিপুত্ৰৰ হাতত শাসনভাৰ গতাই দিলে। শুভেন্দু অধিকাৰীয়ে একেলগে দুটা হেভিৱেট সমষ্টি নন্দীগ্ৰাম আৰু ভৱানীপুৰৰ পৰা জয়লাভ কৰি ইতিহাস ৰচনা কৰিছে। আজিৰ শপত গ্ৰহণ অনুষ্ঠানত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে বিজেপিশাসিত প্ৰায়কেইখন ৰাজ্যৰে মুখ্যমন্ত্ৰীসকলো উপস্থিত থাকে। শপতগ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন, কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰী, অসামৰিক বিমান পৰিবহণ মন্ত্ৰী ৰাম মোহন নাইডু, কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহান, কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী জয়ন্ত চৌধুৰী, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা এনচিপি নেতা প্ৰফুল্ল পেটেল, বিজেপি নেত্ৰী স্মৃতি ইৰানী, বংগৰ বিজেপি নেতা মিথুন চক্ৰৱৰ্তী আদি উপস্থিত থাকে। ইয়াৰ উপৰি অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেফিউ ৰিঅ’, ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী মাণিক সাহা, দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তা, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছ, গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেল, উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথ, হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নায়ব সিং ছাইনী, বিহাৰৰ মুখ্যমন্ত্ৰী সম্ৰাট চৌধুৰী, অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী চন্দ্ৰবাবু নাইডু আৰু উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামীকে ধৰি এনডিএশাসিত ২১খন ৰাজ্যৰ মুখ্যমন্ত্ৰীসকল উপস্থিত থাকে।

### সোমনাথৰ পৰা সিন্দূৰলৈ

## পুনৰুত্থানশীল ভাৰতৰ মনোভাৱ

ভাৰতৰ সংকল্প আৰু দৃঢ়তাক পুনৰ শক্তিশালী কৰা হয়।

এই পৱিত্ৰ সফলতাৰ ৭৫বছৰীয়া জয়ন্তীয়ে ১০০০ বছৰ ধৰি মন্দিৰটোৰ ওপৰত কট্টৰপন্থীয়ে চলোৱা নৃশংস আক্ৰমণৰ সন্মুখীন হোৱাৰ পিছতো আৰু অধিক শক্তিশালী ৰূপত আত্মপ্ৰকাশ কৰা ভাৰতীয় সভ্যতাৰ সুদৃঢ় ভেটি আৰু শক্তিৰ ওপৰত ৰাষ্ট্ৰৰ পৰম আস্থা প্ৰকাশ কৰে।

গুজৰাটৰ শান্ত উপকূলত অৱস্থিত এই মন্দিৰটো প্ৰতিটো আক্ৰমণৰ পিছতে ধ্বংসাৱশেষৰ পৰা সগৌৰৱে প্ৰাণ পাই উঠিছে। বহু দিশৰ পৰা ইয়াৰ ইতিহাস ভাৰতৰ অতীতৰ প্ৰতিফলন, য’ত আমাৰ শান্তিপ্ৰেমী লোকসকলে নিজৰ বিশ্বাস, সংস্কৃতি, ঐতিহ্যৰ আধাৰত নৃশংস আক্ৰমণৰ পিছতো সদম্ভে উভতি আহিছে।

প্ৰধানমন্ত্ৰী মোদীয়ে কোৱাৰ দৰে যেনেকৈ সোমনাথক ধ্বংস কৰাৰ বাবে বাৰে বাৰে ষড়যন্ত্ৰ আৰু চেষ্টা চলিছিল, সেইদৰে বিদেশী আগ্ৰাসীসকলে যুগ যুগ ধৰি ভাৰতক ধ্বংস কৰিবলৈও অপচেষ্টা চলাইছিল। তথাপি এই পৰম পূজনীয় মন্দিৰটো বা ভাৰত ধ্বংস হোৱা নাছিল।

প্ৰধানমন্ত্ৰীগৰাকীয়ে স্পষ্ট কৰি দিয়ে যে সোমনাথৰ আক্ৰমণৰ আঁৰৰ উদ্দেশ্য লুণ্ঠনতকৈ অধিক অশুভ আছিল। তেওঁ কয়, ‘কেৱল লুণ্ঠনৰ বাবে যদি আক্ৰমণবোৰ হ’লহেঁতেন তেন্তে হাজাৰ বছৰৰ আগতে প্ৰথমটো বৃহৎ লুণ্ঠনৰ পিছত এনে আক্ৰমণ বন্ধ হৈ গ’লহেঁতেন। কিন্তু সেয়া নহ’ল। সোমনাথৰ পৱিত্ৰ মূৰ্তি অপৱিত্ৰ কৰা হ’ল, মন্দিৰৰ অৱয়ব বাৰে বাৰে সলনি কৰা হ’ল। আৰু আমাক শিকোৱা হ’ল যে সোমনাথক কেৱল লুণ্ঠনৰ বাবেই ধ্বংস কৰা হৈছিল। এই নৃশংস ইতিহাস ঘৃণা, অত্যাচাৰ, আতংকৰ বাবে আমাৰ পৰা লুকুৱাই ৰখা হৈছিল।’

নেহৰুৰ বিৰোধিতা- স্বাধীনতাৰ পিছত চৰ্দাৰ পেটেলৰ নেতৃত্বত সোমনাথ পুনৰ নিৰ্মাণৰ অভিযান চলোৱা হৈছিল। নতুনকৈ স্বাধীনতা লাভ কৰা ভাৰতৰ ৰাষ্ট্ৰীয় আত্মবিশ্বাসৰ আদিম প্ৰকাশৰ ভিতৰত এয়া আছিল অন্যতম। কিন্তু এই প্ৰচেষ্টাতো অসুবিধাৰ সন্মুখীন হ’ল। ভাৰতৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে তদানীন্তন ৰাষ্ট্ৰপতি ড° ৰাজেন্দ্ৰ প্ৰসাদে ইয়াৰ ঐতিহাসিক উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণৰ আনুষ্ঠানিক বিৰোধিতা কৰে। ইয়াৰ পিছতো ৰাষ্ট্ৰপতিগৰাকীয়ে ১৯৫১ চনৰ ১১ মে’ত মন্দিৰটো উদ্বোধন কৰে।

যুগ যুগ ধৰি নিৰ্মম অত্যাচাৰৰ অন্তত এই পুনৰ্গঠনে সাংস্কৃতিক নৱজাগৰণ আৰু ভাৰতৰ সভ্যতাৰ গৌৰৱৰ বীজ সিঁচিছিল। উজ্জয়িনীৰ কাশী বিশ্বনাথ আৰু মহাকালেশ্বৰ মন্দিৰ পুনৰুদ্ধাৰৰ পৰা আৰম্ভ কৰি অযোধ্যাৰ ঐতিহাসিক ৰাম মন্দিৰলৈকে, কেদাৰনাথৰ পুনৰুজ্জীৱনৰ পৰা আৰম্ভ কৰি অগণন ঐতিহ্য ক্ষেত্ৰ সংৰক্ষণলৈকে—ভাৰতে নিজৰ সভ্যতামূলক কাহিনীক মৰ্যাদা আৰু সু-উদ্দেশ্য পুনৰ উদ্ভাৱন কৰি আছে। এই প্ৰচেষ্টাসমূহে পৰ্যটকৰ সংখ্যা বৃদ্ধি কৰাৰ লগতে স্থানীয় লোকসকলৰ বাবে অসংখ্য কৰ্মসংস্থাপন আৰু ব্যৱসায়িক সুযোগৰ সৃষ্টি কৰিছে।

গোলকীয় স্বীকৃতি— সোমনাথৰ দৰে ভাৰতেও শক্তিশালী ৰূপত আত্মপ্ৰকাশ কৰিছে। ই বিশ্বৰ আটাইতকৈ দ্ৰুতগতিত বৃদ্ধি পোৱা প্ৰধান অৰ্থনীতি আৰু ইয়াৰ চহকী ঐতিহ্য আৰু আধুনিকতাৰ অনন্য মিশ্ৰণৰ বাবে গোলকীয়ভাৱে স্বীকৃতি লাভ কৰিছে। ২০১৪ চনত যেতিয়া দেশখনে ঐতিহাসিক বিজয়ৰে মোদী চৰকাৰক ক্ষমতালৈ আনিছিল, তেতিয়া ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে অভিলেখসংখ্যক ১৭৫খন দেশৰ সহযোগত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদ্‌যাপনৰ প্ৰস্তাৱ গৃহীত কৰিছিল। যোগ এতিয়া এক গোলকীয় আৰোগ্য আন্দোলনত পৰিণত হৈছে, যি বিশ্বৰ সকলো সংস্কৃতিৰ লোকক উপকৃত কৰিছে।

ইয়াৰ এক দশক পিছত প্ৰধানমন্ত্ৰী মোদীয়ে পশ্চিম এছিয়াত সংযুক্ত আৰব আমিৰশ্বাহী চৰকাৰে উপহাৰ দিয়া ভূমিত নিৰ্মিত এক মহত্বপূৰ্ণ মন্দিৰ উদ্বোধন কৰে। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰীগৰাকীয়ে বাহৰেইনত ২০০ বছৰ পুৰণি মন্দিৰৰ পুনৰ নিৰ্মাণৰ শুভাৰম্ভ কৰিছিল। তেওঁ নিয়মিতভাৱে ভাৰতীয় প্ৰব্ৰজনকাৰীৰ সৈতে মত বিনিময় কৰে, যাৰ ফলত তেওঁ ভাৰতৰ সাংস্কৃতিক ঐতিহ্যৰ গৌৰৱময় ৰাষ্ট্ৰদূত হৈ পৰিছে।

আয়ুষ আৰু যোগৰ বিশ্বায়ন— ভাৰতৰ সাংস্কৃতিক ঐতিহ্যক প্ৰসাৰ কৰা আৰু পৰম্পৰাগত জ্ঞান ব্যৱস্থাৰ সৈতে জড়িত পেছাদাৰীসকলৰ বাবে বিশ্বজোৰা সুযোগ সৃষ্টি কৰাটো শেহতীয়া বছৰবোৰত বিকশিত দেশসমূহৰ সৈতে ভাৰতে স্বাক্ষৰ কৰা মুক্ত বাণিজ্য চুক্তি (এফটিএ)ৰ এক উল্লেখযোগ্য অংশ। এই চুক্তিসমূহে প্ৰধানমন্ত্ৰীৰ ‘উন্নয়নৰ লগতে ঐতিহ্য’ৰ দৃষ্টিভংগীক আগুৱাই নিয়াৰ লগতে আমাৰ শিল্পী, শ্ৰমিক, কৃষক, মাছমৰীয়া, ক্ষুদ্ৰ ব্যৱসায় আৰু ষ্টাৰ্টআপৰ বাবে উপকাৰী গোলকীয় সুযোগ সৃষ্টি কৰে।

শেহতীয়াকৈ নিউজিলেণ্ডৰ সৈতে সামৰণি পৰা এফটিএ পৰম্পৰাগত চিকিৎসা আৰু সামগ্ৰিক স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত ভাৰতৰ বিশ্বজোৰা প্ৰসাৰৰ এক উল্লেখযোগ্য মাইলৰ খুঁটি। ইয়াত আয়ুষ প্ৰেকটিচনাৰ আৰু যোগ প্ৰশিক্ষকৰ লগতে ভাৰতীয় সাংস্কৃতিক আৰু জ্ঞানভিত্তিক পেছাদাৰীসকলক নিউজিলেণ্ডত কাম কৰিবলৈ ভিছা কোটা প্ৰদান কৰা হয়।

এই এফটিএই আয়ুৰ্বেদ, যোগ আৰু অন্যান্য পৰম্পৰাগত চিকিৎসা সেৱাৰ বাণিজ্যৰ বাবে এক অনুকূল পৰিৱেশ সৃষ্টি কৰে আৰু আয়ুষক সমসাময়িক আৰু গোলকীয় প্ৰাসংগিক স্বাস্থ্য সেৱাৰ সমাধান হিচাপে প্ৰতিষ্ঠা কৰে।

ব্ৰিটেইন, ইউৰোপীয় সংঘ আৰু অষ্ট্ৰেলিয়াৰ সৈতে হোৱা বাণিজ্যিক চুক্তিতো একে ধৰণৰ বিধান আছে। ইউৰোপীয় ইউনিয়নৰ সৈতে হোৱা এফটিএৰ জৰিয়তে আয়ুষ প্ৰেক্‌টিচনাৰসকলে ভাৰতত লাভ কৰা পেছাদাৰী অৰ্হতাৰ ভিত্তিত ইউৰোপীয় দেশসমূহত সেৱা আগবঢ়াব পাৰিব। ইউৰোপীয় ইউনিয়নৰ সদস্য ৰাষ্ট্ৰসমূহত আয়ুষ ৱেলনেছ চেণ্টাৰ আৰু ক্লিনিক স্থাপনৰ ক্ষেত্ৰতো ই সহায় কৰে।

নতুন প্ৰত্যাহ্বান অতিক্ৰম কৰা- ভাৰতৰ সাংস্কৃতিক ঐতিহ্যই বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰি থকাৰ সময়তে দেশখন সন্ত্ৰাসবাদ আৰু অনুপ্ৰৱেশৰ জৰিয়তে ভাৰতৰ সুষম ঐতিহ্যক বিঘ্নিত কৰি থকা উগ্ৰপন্থীৰ লক্ষ্য হৈয়েই আছে।

প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত নতুন ভাৰতে এনে প্ৰত্যাহ্বানৰ প্ৰতি ব্যাপক প্ৰত্যুত্তৰ দিয়ে। অপাৰেচন সিন্দূৰৰ জৰিয়তে ভাৰতে সীমান্তৰ সিপাৰে সন্ত্ৰাসবাদী আৰু তেওঁলোকৰ পৃষ্ঠপোষকসকলক উপযুক্ত শিক্ষা দিলে। শেহতীয়া বিধানসভা নিৰ্বাচনত পশ্চিমবংগৰ ভোটাৰে অনুপ্ৰৱেশকাৰীক সমৰ্থন কৰা, ভোট বেংকৰ ৰাজনীতিত লিপ্ত হোৱা, ভাৰতৰ সাংস্কৃতিক ঐতিহ্যক ভেঙুচালি কৰা দলসমূহক নাকচ কৰিলে। উল্লেখযোগ্য যে অপাৰেচন সিন্দূৰৰ বৰ্ষপূৰ্তি আৰু সোমনাথ মন্দিৰ পুনৰ নিৰ্মাণৰ মাজত মাত্ৰ কেইটামান দিনৰ ব্যৱধান। দুয়োটাই ভাৰতৰ স্থিতিস্থাপকতা আৰু শক্তিক প্ৰতিফলিত কৰে।

সোমনাথৰ কাহিনী ৰাজনীতিৰ বহু আগত। এয়া হ’ল কেতিয়াও আত্মসমৰ্পণ নকৰা এক সভ্যতাৰ কাহিনী। পুনৰ নিৰ্মাণৰ ৭৫ বছৰৰ পিছতো সোমনাথ আজি কেৱল মন্দিৰ হিচাপেই নহয় ভাৰতৰ স্থিতিস্থাপকতা, ধাৰাবাহিকতা আৰু ৰাষ্ট্ৰীয় আত্মবিশ্বাসৰ কালজয়ী প্ৰতীক হিচাপে থিয় দি আছে।

*(লেখক কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী)*

# ওৰাং ৰাজহুৱা নামঘৰ আৰু শংকৰী কলা-কৃষ্টি কেন্দ্ৰৰ সোণালী জয়ন্ত উৎসৱ

## বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাৰে পৰিল সামৰণি




**জনকল্যাণ বাৰ্তাৰ সেৱা, ওদালগুৰি ঃ** মহাপুৰুষ দুজনাৰ আদৰ্শৰে ১৯৭৬ চনত ওদালগুৰি জিলাৰ ওৰাঙত বৈষ্ণৱ ভকতৰ প্ৰচেষ্টাত গঢ় লৈ উঠা ওৰাং ৰাজহুৱা নামঘৰ আৰু কলা কৃষ্টি কেন্দ্ৰই এই বৰ্ষত সোণালী বৰ্ষত প্ৰদৰ্পন কৰিছে। সোণালী জয়ন্তী বৰ্ষ উপলক্ষে নামঘৰ পৰিচালনা সমিতি আৰু আয়োজক সমিতিয়ে দুদিনীয়াকৈ ৭ আৰু ৮ মে’ত পুনুৰাম ডেকা সমন্বয় ক্ষেত্ৰত সোনালী জয়ন্তী উৎসৱ অনুষ্ঠিত হৈ যায়। কাৰ্যসূচী অনুসৰি ৭ মে’ত ভাগৱত ভ্ৰমণ, ধৰ্মধ্বজা উত্তোলন উত্তোলন কৰে ওৰাং ৰাজহুৱা নামঘৰ আৰু শংকৰী কলা-কৃষ্টি কেন্দ্ৰ পৰিচালনা সমিতিৰ সভাপতি ত্ৰৈলোক্য ভড়ালীয়ে, সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি উদ্ধৱ চন্দ্ৰ ডেকাই পতাকা উত্তোলন কৰাৰ লগতে সোনালী জয়ন্তীৰ ৫০খন পতাকা উত্তোলন কৰা হয়। স্মৃতি তৰ্পন কৰে ওৰাঙৰ ২নং শইকীয়া চুবুৰীৰ শিক্ষক কুলমণি শইকীয়াই। মুল নামঘৰটোত মাজবাটৰ ফুলগুৰিৰ ধৰ্মেশ্বৰ শইকীয়াই ভাগবত পাঠ, পশ্চিম গেলাবিল আৰু বালিসীহা নামঘৰৰ ভকত বৈষ্ণৱসকলৰ দ্বাৰা নাম প্ৰসংগ, ১২ বজাত মুখ্য তোৰণ উন্মোচন কৰে সমাজ কল্যান বিভাগৰ মুখ্যসেবিকা নিবেদিতা দাস ডেকাই। ইয়াৰ পিচতে পুনুৰাম ডেকা ক্ষেত্ৰ উন্মোচন কৰে মিলন চন্দ্ৰ ডেকাই। দিনৰ ১-১৫ বজাত নামঘোষা প্ৰতিযোগিতা শুভ উদ্বোধন কৰে অবসৰী অধ্যক্ষ জিতন্দ্ৰ নাথ ডেকা, বিয়লি স্থানীয় শিল্পীৰ দ্বাৰা বৰগীত, সত্ৰীয়া নৃত্য পৰিবেশনৰ পিছতে ৫০ গছি বন্তি প্ৰজ্বলন কৰে মুখ্য প্ৰজ্বলক তথা উদ্‌যাপন সমিতিৰ উপ-সভাপতি দীনেশ্বৰ বৰুৱাই। সন্ধিয়া মৰমী শইকীয়াৰ দলৰ নাগাৰা নাম প্ৰদৰ্শন কৰা হয়। সোণালী জয়ন্তী সমাৰোহৰ ৮ মে’ দ্বিতীয় দিনৰ কাৰ্যসূচীত ওৰাং টাউনৰ মাজেৰে উলিওৱা হয় বিশাল সাংস্কৃতিক শোভাযাত্ৰা। বিহু দল, বিয়া নাম দল, কুশান নৃত্য দল, বাগুৰুম্বা নৃত্য দল, ৰাভা নৃত্য দল, গোৰ্খালী নৃত্য দল আদি কেইবাটাও দলে অংশগ্ৰহণ কৰে বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাত। এই বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে ধৃতিমান বৰুৱাই। ২ বজাৰ পৰা অনুষ্ঠিত হোবা ধৰ্মালোচনী সভাত উদ্‌যাপন সমিতিৰ সভাপতি উদ্ধৱ চন্দ্ৰ ডেকাৰ সঞ্চালনাত অনুষ্ঠিত হবলগীয়া ধৰ্মালোচনী সভাত ‘সমাজ গঠনত আধাত্মীকতাৰ প্ৰয়োজনীয়তা’ শীৰ্ষক ধৰ্মালোচনী সভা উদ্বোধন কৰে অবসৰী অধ্যক্ষ পূৰ্ণ ৰাম ডেকাই। নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰে গুৱাহাটী বিশ্ব বিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ অধ্যাপক ড° যোগেন চন্দ্ৰ কলিতাই। ওৰাং ৰাজহুৱা নামঘৰ মহিলা আৰু শংকৰী কলা-কৃষ্টি কেন্দ্ৰৰ আই-মাতৃ,আয়তী সকলে নাম- প্ৰসংগ কৰি সংগৃহীত হোৱা টকাৰে ‘বনমালী’নামৰ এখনি স্মৃতিগ্ৰন্থখন প্ৰকাশ কৰে। ২০০ পৃষ্ঠাৰ এই স্মৃতি গ্ৰন্থ শুভ উন্মোচন কৰে অৱসৰী শিশু উন্নয়ন বিষয়া প্ৰীতিলতা দাসে আৰু নামঘৰৰ আই-মাতৃ, আয়তীসকলে। বিয়লি নামঘৰৰ আয়তীসকলৰ দ্বাৰা নাট প্ৰদৰ্শনৰ পিছতে বিশিষ্ট নৃত্যশিল্পী ৰুবী বৰা বৰদলৈৰ তত্ত্বৱধনত তেজপুৰৰ ‘নুপুৰ নৃত্যাংগনা’ নৃত্যদলৰ সত্ৰীয়া নৃত্যানুষ্ঠান ‘গুৰু বন্দনা’ অনুষ্ঠিত কৰা হয়। সন্ধিয়া ওৰাং থানাৰ ভাৰপ্ৰাপ্ত বিষয়া হিৰকজ্যোতি দাসে ভাওনাস্থলী মুকলি কৰে তেজপুৰ যুৱ সমাজৰ দ্বাৰা ‘দক্ষ যজ্ঞ’ ভাওনা প্ৰদৰ্শন কৰে। এই সোণালী জয়ন্তী উৎসৱটো সুচাৰুৰূপে পৰিচালনা আৰু উদ্‌যাপন কৰাৰ ক্ষেত্ৰত আই-মাতৃ, আয়তীসকল বিশেষকৈ-কনকলতা বৰা, বিনা শইকীয়া, জোন শইকীয়া, ভাৰতী ৰয়, লাবন্য চৌধুৰী, জোন বৰৱা, মাধৱী গিৰি, মাধৱী শইকীয়া, অঞ্জলি ভড়ালী, সোণতৰা শইকীয়া, মঞ্জু চহৰীয়া, বিনীতা ডেকা, বেবী হাজৰিকা, কাবেৰী ডেকা, কাকলী দাস, পূৰবী দাস, ধৰিত্ৰী শইকীয়া, কবিতা বড়া, বিজু শইকীয়া, ৰিমলী চহৰীয়া ডেকা, পাপৰী পাঠক ডেকা, ভনিতা বৰুৱা, প্ৰণিতা তালুকদাৰ, সুনিতা চৌধুৰী, পদ্মা কাকতি, ভানু তামুলী, গীতালী তামুলী, কুসুম দাস,মীৰা তামুলী, জ্যোতিকা শইকীয়া,মামনী তামুলী, মৌচুমী শইকীয়া, কুঞ্জলতা ডেকা আদি আদৰ্শ মহিলাসকলে স্থানীয় ৰাইজৰ পৰা দান বৰঙণি সংগ্ৰহ কৰাৰ উপৰিও আই-মাতৃ, আয়তীসকলে নিজেই স্বইচ্ছাৰে দান বৰঙণি আগবঢ়াই বিশেষভাৱে সহায় সহযোগিতা কৰি অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তুলিবলৈ সক্ষম হৈছে।

# বন্ধুত্ব এটি শব্দই নহয়, হৃদয়ে হৃদয়ে উচ্চাৰিত হোৱা এক সঞ্জীৱনী শক্তি



■ গীতাশ্ৰী বৰা

**স্বা**ৰ্থহীন বন্ধুত্ব জীৱনৰ আটাইতকৈ দুষ্প্ৰাপ্য আৰু সুন্দৰ বস্তু' জেমচ বায়ৰনচ। 'বন্ধুত্ব' এটি সৰু শব্দ যদিও ইয়াৰ মাজত অন্ত:নিহিত হৈ থাকে, এক বিশেষ সৰ্ম্পক। 'বন্ধু'ৰ বাৰে হিয়াই হিয়াই উচ্চাৰিত হয় এক শান্তিৰ প্ৰাৰ্থনা। এজন সঁচা বন্ধুৰ মাজত থাকে মৰম-স্নেহ, বিশ্বাস আৰু আন্তৰিকতা। বন্ধু লাগিলে কমেই থাকক কিন্তু জীৱনত এনে এজন বন্ধু লাগে যিজনে আপোনাক বুজি পায়। সৰুতে পঢ়াশালিতে পঢ়া সাধুটোৱে আমাক আজিও সোঁৱৰাই 'বিপদৰ বন্ধুয়েই প্ৰকৃত বন্ধু'।'বন্ধুত্ব' মানৱ জীৱনৰ এক অসাধাৰণ উপহাৰ। এজন প্ৰকৃত বন্ধু এজন আনজনৰ সুখ-দুখৰ লগৰী। নজনাকৈয়ে কাৰুবাৰ লগত এক সু-সম্পৰ্ক গঢ় লয়, এইয়াই 'বন্ধুত্ব'।

'মোৰ প্ৰিয় বন্ধুৰ নাম কি বুলি তুমি সুধিছিলা?

মোৰ প্ৰিয় বন্ধুৰ নাম প্ৰতিক্ষা ,অন্তহীন প্ৰতিক্ষা

হিন্দী ছবিৰ 'শ্বোলে'ৰ"ইয়ে দোস্তি হম নহী চোড়েংগে"..গীতটো শুনিলেই বন্ধুত্ব যে এৰাব নোৱাৰা এক সু-সম্পৰ্ক সেই কথাৰ অনুভৱ হয়। আনক কব নোৱাৰা কথাবোৰ বন্ধুৰ সন্মুখত অকপটে বৰ্ণনা কৰিব পাৰি।দিনটোৰ আজৰি সময় পালেই বন্ধুৰ লগত ফোনতেই হওক বা কৰবাত বহি আড্ডা নামাৰিলে ভাল জানো লাগে? বন্ধুৰ লগত থাকিলেই সহজ হৈ পৰে জীৱনৰ জটিল সময় আৰু সমস্যা।

১৯৯৯ চনৰ পৰাই আৰম্ভ হৈছিল 'বন্ধুত্ব দিৱস'। আগষ্ট মাহৰ প্ৰথম দেওবাৰটোত উদযাপন কৰা হয় আন্তৰাষ্টীয় 'বন্ধুত্ব দিৱস'। আজিকালি অন্য দিৱসৰ দৰে 'বন্ধুত্বৰ দিৱস'বা friendship day ও উদযাপন কৰা হয়। আমাক এজন প্ৰকৃত বন্ধু কিয় প্ৰয়োজন হয়? কাৰুবাৰ এযাৰি কথাত হেৰুওৱা জীৱনে ছন্দ বিচাৰি পায়। কাৰুবাৰ মানসিক সমৰ্থনে আমাক আমনি কৰি থকা দুখবোৰ নিচিন্ন কৰে। ঋনাত্মক শক্তিবোৰে আমাক তিলতিলকৈ নি:শেষ কৰিবলৈ উঠিপৰি লাগে তেতিয়াই আমাক সাহসী কৰিবলৈ এজন প্ৰকৃত বন্ধুৰ প্ৰয়োজন হয়। 'গোলাপ যেমন একটি বিশেষ জাতৰ ফুল, বন্ধু তেমনি একটি বিশেষ জাতৰ মানুষ' ৰবীন্দ্ৰ নাথ ঠাকুৰ। এখন ধুনীয়া হৃদয় যি খনে কেতিয়াও বেয়া নাপায়, এটা মিচিকিয়া হাঁহি যিটো কেতিয়াও শেষ নহয়, এটা অনুভৱ যিটো অনুভৱে কেতিয়াও দুখ নিদিয়ে। এই পৱিত্ৰ আৰু মহান সম্পৰ্কই হৈছে 'বন্ধুত্ব'। 'বন্ধু সময় পালে আমাৰ ফালে এবাৰ আহি যাবা 'ঁঠঁঠদীপালী বৰঠাকুৰ ৰ এই সুন্দৰ গীতটোৱে আমাক আনন্দিত কৰে। বন্ধুৰ লগত সময় কটাবলৈ পালেই আমাৰ মন ফৰকাল হয়। জীৱনৰ বাৱে বন্ধু হেনো অক্সিজেনৰ দৰে। অ'বিদেশী বন্ধু দুৰ্ভগীয়া,

আজি কিয়নো বন্ধু অকলশৰীয়া' চামেলী মেমচাহাব বোলছৱিৰ এই গীতটোৱে বুজাই দিয়ে বন্ধু বিচ্চেদৰ বিষাদ গাঁথা। বন্ধুত্বৰ পৰিসৰ এতিয়া বৃদ্ধি পাইছে। ছ'চিয়েল মিডিয়াযোগে বহু বন্ধু বাঢ়িছে। বহু পুৰণি বন্ধুৰ লগত যোগাযোগ কৰিবলৈ সুবিধা হৈছে। ই এক শুভ লক্ষ্মণ। মৰম, বিশ্বাস আৰু শ্ৰদ্ধা হৈছে বন্ধুত্বৰ মূল ভেটি।

অসমীয়া সমাজত আত্মীয়তাৰ ভেটিত গঢ় লৈ উঠা এই সম্পৰ্কক কোৱা হয় হৰিভকত। ই এক গ্ৰাম্যসমাজৰ সুকীয়া সম্পৰ্ক । বিপদে-আপদে হৰিভকতৰ অৱদান বহুত। নিৰ্ভেজাল মৰম-স্নেহ বিশ্বাসৰ ভেটি যত গঢ় লয়, আত্মীয় নহৈ আত্মীয়তকৈও আপোন এইবন্ধুত্বক আমি সকলোৱে মনে-প্ৰাণে শ্ৰদ্ধা কৰিব লাগে।এইচিৰসেউজ সম্পৰ্কৰ আমাৰ মাজত সদায় এক সুকীয়া আসন থকা উচিত।আজিও আমি প্ৰায়ে স্বপ্নত বন্ধুৰ স'তে কথা হওঁ, এৰি অহা মধুৰ দিনবোৰে মাজে মাজে আমনি কৰে।উপলব্ধি হয় বন্ধুত্ব এক এৰাব নোৱাৰা সম্পৰ্ক।

**ফোন ঃ ৯৩৬৫৪৫২৫৬৬**

# মটক জনগোষ্ঠীৰ নৃগোষ্ঠীয় পৰিচয়

■ কৰবী বৰুৱা গগৈ

**ব**ৰ্তমান ঘাইকৈ উজনি অসমৰ বিস্তৃত অঞ্চলত প্ৰায় ৮০০ বছৰৰো অধিক কালৰে পৰা বসবাস কৰা টাই মংগোলীয় মূলৰ মটক জনগোষ্ঠীৰ এক দীৰ্ঘদিনীয়া বুৰঞ্জীসন্মত ইতিহাস আছে। অসমলৈ প্ৰব্ৰজন কৰা মংগোলীয় প্ৰজাতিৰ অন্তৰ্গত টাইসকলৰ প্ৰথম গোটটোক থলুৱাভাৱে আহোম বুলি ভবা হয় যদিও আহোমসকল অহাৰ পূৰ্বৰে পৰা অসমত একে টাই মূলৰ মটক জনগোষ্ঠীয়ে বসবাস কৰি থকাৰ তথ্য ৰায় চাহাব গোলাপচন্দ্ৰ বৰুৱাৰ অনূদিত আৰু সম্পাদিত টাই বুৰঞ্জীখনৰ ৩৮নং পৃষ্ঠাত উল্লেখিত তথ্যই প্ৰমাণ কৰে। ১২২৮ খ্ৰীষ্টাব্দত ছ্যুকাফাই অসমৰ টিপামত মটকসকলক যিটো অৱস্থাত লগ পাইছিল তাৰপৰা তেওঁলোক যে ত্ৰয়োদশ শতিকাৰ বহু পূৰ্বতেই এই ভূখণ্ডলৈ আহিছিল সেই তথ্যৰ সত্যতা প্ৰমাণিত হয়। সেই সময়ত স্থানগিৰী স্বৰূপ মটক জনগোষ্ঠীৰ এজন মুৰব্বীয়ে আলহী বুলি ভাবি স্বৰ্গদেউ ছ্যুকাফাক প্ৰচুৰ পৰিমাণৰ বেঙেনা যোগান ধৰাৰ লগতে আপোন মানুহ বুলি ভাবি ৰাজ্য বিস্তাৰতো সহায় কৰিছিল। গতিকে বৰ্তমান অসমত বসবাস কৰা টাই জনগোষ্ঠীসমূহৰ ভিতৰত আটাইতকৈ পুৰণি টাই জনগোষ্ঠীটোৱেই হৈছে মটকসকল।

গোলাপচন্দ্ৰ বৰুৱাৰ সম্পাদিত আহোম বুৰঞ্জীখনত মটকসকলক 'ফুখাও' পৰিয়ালৰ পৰা অহা বুলি উল্লেখ কৰিছে। 'ফু' মানে গৰাকী আৰু 'খাও' মানে বগা। অৰ্থাৎ বগা পিন্ধাগৰাকীয়ে হৈছে ফুখাও অথবা মটক। ফুখাও অথবা মটকসকল 'শস্য সিঁচামূলৰ' পৰা অহা বুলি আহোম বুৰঞ্জীত উক্ত তথ্যত স্পষ্টকৈ উল্লেখ আছে। ছ্যুকাফা স্বৰ্গদেৱে অসমত প্ৰবেশ কৰাৰ সময়ত মটকসকলে কৃষিভিত্তিক এখনি গ্ৰাম্য সমাজেৰে বসবাস কৰাৰ তথ্যও আহোম বুৰঞ্জীৰ উক্ত তথ্যৰ পৰা জানিব পৰা যায়। তদুপৰি টাই ভাষাৰ কেইবাখনো সাঁচিপতীয়া পুথিত মটকসকলৰ উৎপত্তি সম্পৰ্কীয় তথ্য পোৱা গৈছে। এই তথ্যবিলাকৰ আঁত ধৰিও মটক জনগোষ্ঠীক কৃষি বংশৰ পৰা উৎপত্তি হোৱা বুলি প্ৰমাণ দিয়াৰ স্থল আছে। কৃষি সভ্যতাৰ পিতৃপুৰুষ 'চ্যাওফুৰাআলং'। চ্যাওফুৰাআলঙৰ পৰাই পৰৱৰ্তী সময়ত আহুদেৱতাস্বৰূপ 'আই জংলাও'ৰ বংশত মটকৰ উৎপত্তি হৈছিল। আইজংলাও দেৱতাৰ বংশৰ পৰিয়াল মটকসকলক টাই আহোমসকলে বৰ্তমানেও লখিমী সবাহত স্মৰণ কৰি আশীৰ্বাদ বিচাৰে।

'ফুখাও' অৰ্থাৎ বগা পিন্ধাগৰাকী বা white tie সকল আদিতে চীনদেশৰ ম্যুঙফী (সম্ভৱতঃ বৰ্তমান য়ুনান প্ৰদেশ) প্ৰদেশত বসবাস কৰিছিল। টাই আহোমৰ বিশ্বাস অনুসৰি স্বৰ্গৰাজ হৈছে 'লেংডন' দেৱতা। এইজনা দেৱপুৰুষে ম্যুঙফী ৰাজ্যৰ ৰাজপুৰোহিত 'অক্‌কাই মহুং' গুৰুৰ বৰ জী 'নাহুনফা'ক বিয়া কৰাইছিল চকলং প্ৰথাৰে। টাই আহোমৰ প্ৰথমজনা স্বৰ্গদেউ ছ্যুকাফাই অসম অভিমুখে প্ৰব্ৰজন কৰাৰ সময়ত লগত লৈ অনা এখন টাই ভাষাৰ সাঁচিপতীয়া পুথিত উক্ত বিয়াখনিত মটকে ঢোল বাদ্য বজোৱাৰ তথ্য পোৱা যায়। অক্‌কাই মহুং গুৰু আছিল 'তাও' ধৰ্মৰ পুৰোহিত। ম্যুঙফী ৰাজ্যৰ প্ৰজা হিচাপে সেই সময়ত মটকসকলেও তাও ধৰ্মকে আচৰণ কৰিছিল। মটক জনগোষ্ঠীৰ বৰ্তমানৰ সমাজ জী-নতো পৰম্পৰাগতভাৱে পূৰ্ব ধৰ্মৰ কিছু ৰূপ দেখা যায়।

চীন দেশৰ অন্যান্য টাইসকলৰ দৰে মটকসকলেও পৰৱৰ্তী বিভিন্ন কাৰণত প্ৰব্ৰজন প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। এনে কাৰণবিলাকৰ ভিতৰত অন্যান্য চীনসকলৰ হেঁচা আৰু কৃষিভূমিৰ সন্ধানেই আছিল প্ৰধান। অতীজৰেপৰা মটকসকল অতি প্ৰাক্ৰমী জনগোষ্ঠী আছিল যদিও তেওঁলোকে প্ৰথম অৱস্থাত আহোমসকলৰ দৰে ৰাজ্য জয়ৰ আশা কৰা নাছিল। প্ৰয়োজনত আহোমসকলকহে ৰাজ্য বিস্তাৰত সহায় কৰি দিছিল। মটকসকলে ব্যাপকভাৱে কৃষিভূমিৰ সন্ধানতেই এঠাইৰ পৰা আন এঠাইলৈ প্ৰব্ৰজন কৰিছিল বুলি ক'ব পাৰি। টাই মংগোলীয়সকলে বেলেগ বেলেগ ঠাইত সুকীয়া পৰিচয়ৰে পৰিচিত হৈছিল। চীন দেশৰ লাওচত বসবাস কৰাৰ সময়ত টাই মংগোলীয় মানুহখিনিক 'লাও' নামেৰে জনা গৈছিল। লাওসকলৰ মাজত বসবাস কৰা 'ফুথাই' ঠাল অন্তৰ্গত ফুখাও (বগা পিন্ধা টাই) বা টাই কাও (বগা টাই) লোকসকলেই হৈছে অসমত বসবাস কৰা বৰ্তমানৰ মটক জনগোষ্ঠী। চীন দেশৰ দক্ষিণ লাওচৰ পৰা পৰৱৰ্তী সময়ত ফুখাও বা টাই কাও (খাও)সকলৰ একাংশ থাইলেণ্ড হৈ ভিয়েটনাম পাইছিলগৈ আৰু আন এক অংশ ব্ৰহ্মদেশৰ ম্যানমাৰ হৈ প্ৰাচীন অসমৰ সৌমাৰখণ্ডত পাটকাই গিৰিপথ অতিক্ৰম কৰি প্ৰৱেশ কৰিছিল। থাইলেণ্ডৰ উত্তৰফালে পাহাৰ অঞ্চলত বৰ্তমানেও ফুখাও নামৰ একশ্ৰেণী মানুহে বসবাস কৰি আছে। পাহাৰ অঞ্চলত বসবাস কৰাৰ বাবে এই লোকসকলক 'খোন ডাই' অৰ্থাৎ পাহাৰীয়া মানুহ বুলি কোৱা হয়। তেনেদৰে উত্তৰ ভিয়েটনামত থকা একাংশ লোককো টাই খাও (white tie) বুলি জনা যায়। ভিয়েটনামত White tieসকল Black river আৰু Red riverৰ পাৰত বসবাস কৰি আহিছে। অন্যহাতে প্ৰাচীন অসমৰ সৌমাৰখণ্ডত প্ৰৱেশ কৰা অংশটোৱেই হৈছে বৰ্তমানৰ অসমৰ মটক জনগোষ্ঠী।

কোনো এক শুভক্ষণত মটক জনগোষ্ঠীয়ে প্ৰাচীন অসমত প্ৰৱেশ কৰি এই ভূখণ্ডৰ উৰ্বৰা, পলসুৱা ভূমি দেখি নিগাজিকৈ থাকিবলৈ লয়। অতীজৰে পৰা জনগোষ্ঠীটোৰ প্ৰধান জীৱিকা কৃষি। কৃষিক কেন্দ্ৰ কৰিয়েই তেওঁলোকৰ সমাজ-সংস্কৃতিৰ ৰীতি-নীতি, বিশ্বাস-অবিশ্বাস, উৎসৱ-পাৰ্বণসমূহ গঢ় লৈ উঠিছে। তেওঁলোকৰ উদাৰ আৰু প্ৰশস্তমনেৰে সজ ভাবত কাষ চপা সকলোকে আপোন কৰি ল'ব পাৰে। প্ৰথমাৱস্থাত সৰু সৰু মুৰব্বী অধ্যুষিত একো একোখন গাঁওসদৃশ ৰাজ্যৰে তেওঁলোকে শান্তিপ্ৰিয়ভাৱে বসবাস কৰিছিল। টাই আহোমক উদাৰচিত্তেৰে ৰাজ্য বিস্তাৰত সকলোপ্ৰকাৰে সহায়-সহযোগ কৰি অসমীয়া জাতি গঠন প্ৰক্ৰিয়াতো সক্ৰিয়তাৰে অংশগ্ৰহণ কৰিছিল। পৰৱৰ্তী সময়ত বিভিন্ন ঘাত-প্ৰতিঘাতৰ সন্মুখীন হৈ নিজাববীয়াকৈ বৃহৎ ৰাজ্য এখনৰ অনুভৱ কৰি মোৱামৰীয়া বিদ্ৰোহৰ পাছত বৰ্তমান তিনিচুকীয়া জিলাৰ বেংমৰাত মটক ৰাজ্য স্থাপন কৰিছিল। ১৮২৬ খ্ৰীঃত ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে ব্ৰিটিছ ৰাজত্বই অসমৰ আকাশ-বতাহ ছানি ধৰাৰ সময়তো মটক ৰাজ্যৰ বেলি ডুব যোৱা নাছিল।

মটক জনগোষ্ঠীৰ নিজা জাতীয় সংস্কৃতি আছে। এই সাংস্কৃতিক বৈশিষ্ট্যৰাজিক প্ৰতিজন মটকলোকেই অন্তৰেৰে উপলব্ধি কৰক। মুক্তকণ্ঠেৰে নিজকে মটক জনগোষ্ঠী বুলি পৰিচয় দিয়ক।



স্বত্বাধিকাৰী, প্ৰকাশক, মুদ্ৰক আৰু সম্পাদক কুমুদ নাথৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত, ইক' প্ৰিন্টিং প্ৰেছ, এ, কে, দেৱ ৰোড, কটাহবাৰী, গুৱাহাটী- ৩৫। কাৰ্যালয় ঃ উত্তৰ গুৱাহাটী, অভয়পুৰ, কলেজনগৰ, গুৱাহাটী-৭৮১০৩১, কামৰূপ ■ ফোন ঃ ৯৬৭৮১ ৯৬৫৬৫, ৯৪৩৫১ ০৪২৯৫ (ম) ■ ই-মেইল ঃ Janakalyanbarta2023@gmail.com, bartajanakalyan2023@gmail.com, epaper@www.centralread.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ সম্পাদনা উপদেষ্টা ঃ ডিম্পুল চুতীয়া ■ মুখ্য সম্পাদক ঃ ড° শশীকান্ত শইকীয়া(অবৈতনিক) ■ সম্পাদক ঃ কুমুদ নাথ ■ কাৰ্যবাহী সম্পাদক ঃ প্ৰবোধ চন্দ্ৰ মিশ্ৰ ■ সহকাৰী কাৰ্যবাহী সম্পাদক ঃ দিলীপ কুমাৰ নাথ